# ASSAM
# LEGISLATIVE ASSEMBLY DEBATES

## Official Report

SEVENTH SESSION OF THE ASSAM LEGISLATIVE
ASSEMBLY ASSEMBLED AFTER THE EIGHTH
GENERAL ELECTIONS UNDER
SOVEREIGN DEMOCRATIC
REPUBLICAN CONSTI-
TUTION OF INDIA

## BUDGET SESSION

## VOLUME--I

## NO.18

The 18 th April, 1988

Price Rs. ; 13·60

CONTENTS

BUDGET SESSION

Volume—1, No.—18

Dated the 18th April, 1988


| | | Page |
|---|---|---|
| 1. | Voting on Demands for Grants | 1–73 |
| 2. | Adjournment | 74 |

# DEBATES OF THE
# ASSAM LEGISLATIVE ASSEMBLY, 1988

## Monday, April 18, 1988

The House met at Nine of the Clock in the Assembly, Chamber, Dispur, with Mr. Speaker in the Chair.

* মাননীয় অধ্যক্ষ : আজি আৰক্ষী মঞ্জুৰীৰ এই আলোচনাত ভাগ লব ডাঃ অৰ্ধেন্দু কুমাৰ দেই।

**ডাঃ অর্ধেন্দু দে :** মাননীয় অধ্যক্ষ মহোদয়, সংযুক্ত সংখ্যালঘু মোর্চার মাননীয় সদস্য শ্রীআব্দুর জব্বার কর্তৃক উত্থাপিত কর্তণ প্রস্তাব সমর্থন করে পুলিশ বিভাগের কার্যকলাপের উপর আমি আমার বক্তব্য তুলে ধরছি।

স্যার, পুলিশ বলতে আমরা যা বুঝি তা হলো— ইউনিফর্ম পরা, মাথায় টুপি লাগানো, হাতে লাঠি আৰু কোমড়ে রাইফেল থাকা একটা বিশেষ শ্রেণীর লোক যা আমাদের সামাজিক জীবনে কোন অবস্থাতেই গ্রহণযোগ্য নয়। এদের কার্য্যকলাপ সঠিকভাবে বিশ্লেষণ করলে আমাদের সমস্যাদের মধ্যে কেউই এই পুলিশের সঙ্গে কোনদিন কোন বৈবাহিক সম্বন্ধ গড়ে তুলবেন কি না সন্দেহ। তাদের দেখলে আমাদের সাধারনতঃ ভয় হয়, ঘৃণা হয়। একটা দুর্নীতিপরায়ন শ্রেণী বলেই তারা আজ সমাজে পরিচিত। কিন্তু এই পুলিশ বাহিনীর চরিত্র এই ধরনের হওয়ার কোন কথা ছিল না। কারন, আমাদের দেশের পুলিশ বাহিনীতো বৃটিশ কাঠামোয় তৈরী। আমরা জানি বৃটেনের পুলিশ সেখানে কত সম্মানিত। কিন্তু এই শেতাঙ্গ পুলিশ বাহিনীর যে অংশ দক্ষিণ আফ্রিকায় অত্যাচার চালাচ্ছে তা দেখলে তাদের প্রতি ঘৃণা জাগে। আজ শান্তি শৃংখলার নামে আমাদের পুলিশ বাহিনী সাধারণ মানুষের উপর কত নির্দয় ব্যবহার করে চলছে। এই অত্যাচারের একমাত্র কারণ হলো পুলিশ বিভাগকে যেভাবে ব্যবহার করা উচত্ ছিল ঠিক সেভাবে ব্যবহার না করে রাজনৈতিক উদ্দেশ্যে ব্যবহার করা হচ্ছে। এটা যে শুধু এই সরকারই রাজনৈতিক উদ্দেশ্যে পুলিশকে ব্যবহার করছে তা নয়। যে সরকারই ক্ষমতায়

থাকে তারাই এই পুলিশকে রাজনৈতিক স্বার্থ পূরনের জন্য ব্যবহার করে থাকে। তাই আজ আমরা দেখছি যে পুলিশ মন্ত্রী যিনি তিনি যে আসনে আজ বসে আছেন সেখানে বসে আজ তার এই পুলিশ বিভাগের প্রতি কোন অভিযোগ নেই। কিন্তু ১৯৮৫ ইং ডিসেম্বর মাসের আগ পর্যন্ত হয়তো এই মন্ত্রী মহোদয় নিজেও পুলিশের উপর নানা অভিযোগ উত্থাপন করেছিলেন। কিন্তু আজ তিনি সেই পুলিশী অত্যাচারের কথা ভুলে গিয়েছেন। স্যার, আমরা বহু ক্ষেত্রে দেখেছি যে গণতান্ত্রিক আন্দোলন দমন করার জন্য, রাজনৈতিক নেতাদের উপর অত্যাচার চালানোর জন্য এই পুলিশ বাহিনী কত তৎপর। রাজনৈতিক নেতাদের উপর গুলিচালানোর জন্য তাদের রাইফেলে সব্ সময়ই গুলি ভর্ত্তি থাকে। কিন্তু ডাকাত দলের উপর প্রয়োজনে গুলি করার সময় এই পুলিশ বাহিনী তাদের রাইফেলে গুলি ভর্ত্তী করতে গুলি আনতে ভুলে যায়।

স্যার, আমি পুলিশ 'ডগ স্কোয়ার্ড' সম্বন্ধে ১/১ টি কথা বলতে চাই। আমাদের রাজ্যে ডগ স্কোয়ার্ডে যে সব কুকুর আছে সেগুলিকে ভালভাবে ট্রেইনিং দেওয়ার জন্য কোন ভাল ট্রেইনার নেই। ফলে কোন খুণী বা ডাকাত ধরার জন্য এদের ব্যবহার করার সময় এরা ডাকাত বা খুণী ধরতে কোন সময়ই সক্ষম হয় না। কিন্তু আমরা যদি অন্যান্য রাজ্যের ডগ স্কোয়ার্ডের দিকে তাকাই তাহলে দেখতে পাই যে ঐসব রাজ্যের পুলিশ বিভাগের কুকুরগুলো কত দক্ষ ভাবে কাজ করে। এবং কুকুরকে অন্যান্য রাজ্যে হাইয়ার পোষ্টে পর্যন্ত প্রোমোশন দেওয়া হয়েছে। কিন্তু আমাদের রাজ্যের কুকুরগুলোকে কনষ্টবলের চেয়ে কোন বড় পদে প্রমোশন পর্যন্ত দেওয়া সম্ভব হয়নি। সেইজন্য আমার পরামর্শ হলো যে আমাদের রাজ্যে বিভিন্ন যায়গায় যেসব ভাল ভাল কুকুর আছে সেগুলিকে সংগ্রহ করে ভালভাবে ট্রেইনিং দেওয়ার ব্যবস্থা করা হয়। ······(গণ্ডগোল) ···· ( সময় সংকেত )····· আর একটি কথা বলেই আমি আমার বক্তব্য শেষ করবো। স্যার, আই এম ডি টি এক্ট কার্য্যকরী করার জন্য পুলিশ বাহিনীর উপর যে বিশেষ ক্ষমতা দেওয়া হয়েছে সেই ক্ষমতার যেন কোন অবস্থাতেই অপব্যবহার না হয়। যদি হয় তাহলে আইন-শৃংখলার দিক থেকে এই রাজ্যে খুব খারাব অবস্থার সৃষ্টি হবে বলে আমি মনে করি। সুতরাং এদিকে বিশেষ ভাবে নজর দেওয়ার জন্য অনুরোধ জানিয়ে আমি আমার বক্তব্য শেষ করছি।

**শ্ৰীদিলীপ কুমাৰ শইকীয়া সোনোৱাল ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰক্ষী বিভাগৰ শিতানত যি টকা বিচাৰিছে সেই টকাতো চাবলৈ গলে একেবাৰে নগন্য। এই শিতানত আৰু বেচি টকাৰ প্ৰয়োজন আছিল। যি কি নহওক আমাৰ মাননীয় সদস্য সকলে বিভিন্ন পৰামৰ্শ আগবঢ়াইছে আৰু এই সম্পৰ্কত বহুত আলোচনা বিলোচনাও হৈছে। আমাৰ মাননীয় সদস্য অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই কৈছে যে আৰক্ষী বিভাগক ৰাজনৈতিক ভাৱে ব্যৱহাৰ কৰা হৈছে। কিন্তু আমাৰ চৰকাৰে এই আৰক্ষী বিভাগটোক ৰাজনৈতিক ভাবে ব্যৱহাৰ কৰা নাই। আৰু বৰ্ত্তমান অসমৰ আইন শৃংখলা পৰিস্থিতি সন্তোষ-জনক বুলি কব লাগিব। ১৯৮৩ চনত আইন শৃংখলাৰ যিটো পৰিস্থিতি আছিল সেইটো বৰ্ত্তমান নাই। আজি যদি আমি চাবলৈ যাও তেনেস্থলত দেখিবলৈ পাম যে ভাৰতবৰ্ষৰ ৰাজধানী স্বয়ং দিল্লীতেই শিশুৰ জন্ম দিন পাতিব নোৱাৰি, সৰু শিশুক উলিয়াই লৈ গৈ হত্যা কৰা হয়। আজি পঞ্জাবতো তেনে ধৰণৰ বিভিন্ন ঘটনা ঘটি আছে। কিন্তু আমাৰ অসমত সেইবিলাক হোৱা নাই। সেয়েহে মই কব বিচাৰিছো আমাৰ চৰকাৰে এই পুলিচ বিভাগটোক ৰাজনৈতিক ভাবে ব্যৱহাৰ কৰা নাই। যি কি নহওক এই খিনিতে মই আমাৰ চৰকাৰক কেইটামান পৰামৰ্শ দিব বিচাৰিছো। আজি বিশেষকৈ আইন-শৃংখলাৰ কাৰণে আমাৰ যিটো পুলিচ বিভাগ আছে সেই বিভাগটো কাৰ্য্যক্ষম কৰি তুলিবৰ কাৰণে দুটা ভাগত বিভক্ত কৰিব লাগে। তাৰে এটা হ'ল আইন-শৃংখলা শাখা আৰু আনটো ক্ৰাইম ব্ৰাঞ্চ। আমাৰ অসমত আৰক্ষী বিভাগত আইন-শৃংখলা কাম কৰা লোকে ক্ৰাইম ব্ৰাঞ্চৰো কাম কৰিব লগা হয়। ইতিমধ্যে অন্ধ্ৰ প্ৰদেশৰ চৰকাৰে পুলিচ বিভাগটোক কাৰ্য্যক্ষম কৰি তুলিবৰ বাবে ল' এণ্ড অৰডাৰ আৰু ক্ৰাইম দুটা বিভাগত বিভক্ত কৰি অধিক কাৰ্যক্ষম কৰি তুলিছে। গতিকে অসমতো তেনে ধৰণৰ ব্যৱস্থা কৰিব লাগে। কাৰণ আইন-শৃংখলা কাম কৰা লোকে ক্ৰাইম ব্ৰাঞ্চত কাম কৰিবলৈ অসুবিধা হয়। পশ্চিমীয়া দেশত এই বিভাগটো আধুনিকীকৰণ কৰি কাৰ্যক্ষম কৰি তোলাৰ দৰে আমাৰ ইয়াতো এই বিভাগটো অধিক কাৰ্যক্ষম কৰি তুলিব লাগে। এই বিভাগটোৰ যোগাযোগৰ যিটো ব্যৱস্থা যেনে চাবফেচ কমিউনিকেশ্যন আৰু ওৱাৰলেচ কমিউনিকেশ্যন এই দুটা বিশেষ তত্‌পৰ কৰি তুলিব লাগে। কিছুমান কেন্দ্ৰত

* Speech not corrected.

'ভি, এইচ, এফ আৰু কিছুমান কেন্দ্ৰত হাই বেণ্ডৰ ব্যৱস্থা আছে যাৰ ফলত ইটোৰ লগত সিটোৰ যোগাযোগ নহয়। গতিকে সকলো কেন্দ্ৰতে হাই-বেণ্ডৰ ব্যৱস্থা কৰিব লাগে। এই বিষয়ে মই চৰকাৰক অবগত কৰিলো। তাৰ পাচত আমাৰ যিবিলাক থানা আছে এই থানা বিলাকত বহুত গাড়ী অধিগ্ৰহণ কৰা হয়। অসমত প্ৰতিখন গাড়ী ৰিকুইজিশ্যনৰ বাবত প্ৰতি দিনে ২২৫ টকাকৈ দিব লগীয়া হলে এখন গাড়ীত এবছৰত প্ৰায় ৯০ হাজাৰ টকা দিব লগা হয়। তাৰোপৰি অধিগ্ৰহণ কৰাৰ সময়ত গাড়ী বেয়া হলে বিভাগে মেৰামতি কৰিব লাগে, ইয়াৰ উপৰিও তেল-মবিলৰ কথা আছেই। গতিকে চৰকাৰে নতুন গাড়ী কিনাৰ ব্যৱস্থা কৰিব লাগে নহলে অযথা বহুত টকা এনেয়ে খৰচ হৈ আছে। পুলিচ বিভাগটো অধিক কাৰ্যক্ষম কৰি তুলিবৰ বাবে এটা মোবাইল ফৰেনচিক চাইয়েন্স লেবৰটৰীৰ ইউনিটৰ ব্যৱস্থা কৰিব লাগে যাতে এই ইউ-নিটটোৱে অসমৰ প্ৰতিখন জিলাতে ভ্ৰমন কৰি অন দি স্পট এনালাইচিচ কৰিব পাৰে। পশ্চিমীয়া দেশ বিলাকত ১৯৪১ চনৰে পৰা ভিকটিমক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা আছে। অথচ আমাৰ দেশত আজি উদাহৰণ স্বৰূপে কব পাৰি যে কোনো এটা পৰিয়ালৰ কেবাজনো লোকক ডকাইতে হত্যা কৰিলে যাৰ ফলত সেই পৰিয়ালটো অথাই সাগৰত পৰিল। পুলিচে ক্ৰিমিনেলক বিচাৰি যাই কিন্তু ভিকটিমৰ কোনেও চিন্তা নকৰে। অথচ সেই ভিকটিম পৰিয়ালটো দেশৰ নাগৰিক তেওঁলোকৰ কাৰণে চিন্তা কৰা নহয়। গতিকে চৰকাৰে তেনেধৰণৰ ভিকটিম পৰিয়ালক কমপেনচেশ্যন দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইতিমধ্যে মাদ্ৰাজ বিশ্ববিদ্যালয়ত ক্ৰিমিনলজী বিভাগত হেড অব দি ডিপাৰ্টমেণ্ট, প্ৰোফেচাৰ কে, চি, চোকালিঙ্গমে চৰকাৰৰ সাহায্যত তেনে এখন বিল ড্ৰাফট্ কৰি তামিলনাড়ু চৰকাৰৰ হাতত জমা দিছে। আমাৰ চৰকাৰেও তেনে এখন বিলৰ ব্যৱস্থা কৰিবলৈ যোগাযোগ কৰিব লাগে। তাৰ পিচত দেখা গৈছে যে মহকুমা আৰু জিলা পৰ্য্যায়ৰ সদৰ থানা সমূহত বিভিন্ন গোচৰৰ সাক্ষী দিবলৈ অহা লোক সকলৰ বাবে ওৱেইটিং ৰুমৰ ব্যৱস্থা নাই যাৰ ফলত সাক্ষী সকলে ঘণ্টাৰ পিছত ঘণ্টা বাৰাণ্ডা বা চোতালত থিয় হৈ থাকিব লাগে। বিশেষকৈ আমাৰ অধ্যক্ষ বা অধ্যাপক সকলে যেতিয়া সাক্ষী দিবলৈ যায় তেওঁলোকেও এনেদৰে থিয় হৈ থাকিব লগীয়া অৱস্থাতো শোভা নাপায়। গতিকে পুলিচ আৰু জনসাধাৰণৰ মাজত সম্পৰ্কটো ভাল কৰিবলৈ প্ৰতিটো থানাত অন্তত একোটাকৈ ওৱেইটিং

ৰূমৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। এজন ইউ, টি, পিক ভাত খোৱাৰ বাবে এসাজত ১'২৫ টকা অৰ্থাত ২'৫০ টকা দিয়া ব্যৱস্থা আছে, গতিকে এনেধৰণৰ ব্যৱস্থা নাকচ কৰি এনে ফাণ্ডত টকাৰ পৰিমান বঢ়োৱাৰ ব্যৱস্থা কৰিব নেকি আৰু এই ফাণ্ডটো পোনপটিয়াকৈ আৰক্ষী বিভাগৰ হাতত দিব লাগে। কাৰণ এই ফাণ্ডটো ডি, চিৰ হাতত থকাৰ কাৰণে বহুত সময়ত পুলিচ বিভাগৰ বিল অনাদায় হৈ থাকে। এচ, পি সকলৰ ফাইনেন্সিয়েল পাৱাৰ তেনে ধৰণৰ নাই যাৰ ফলত পুলিচ বাহিনী অনা নিয়াৰ ক্ষেত্ৰত এচ, পিয়ে কোনো ধৰণৰ ফাণ্ডৰ সহায় কৰিব নোৱাৰে। অতি পৰিতাপৰ বিষয় এই যে এখন জিলাৰ মুৰব্বী পুলিচ বিষয়া জনে গাড়ীৰ পাৰ্টচ কিনাৰ বাবে ২৫০ টকা, গাড়ী ৰিপিয়াৰিং কৰিবৰ বাবে ১০০ টকা আৰু ষ্টেশ্যনাৰী কিনিবৰ বাবে ৫০ টকাহে খৰচ কৰিব পাৰে। যাৰ ফলত যি কোনো উপযুক্ত কামত ১০০০ টকা খৰচ কৰিব লগীয়া হলে ৪ টা ভাগত বিল বনাব লগীয়া হয়। এনে কৰাৰ ফলত চাৰিগুন কাম বাঢ়িল। আৰু লগতে মেনুপুলেশ্যন অব গৰ্ভেণ্ট ডকুমেণ্টৰতা পৰিল। গতিকে পুলিচ বিভাগত দুৰ্নীতি হোৱাতো স্বাভাৱিক কথা। সেয়েহে পুলিচ বিভাগত যিমান সমস্যা আছে সেই সমস্যা সমূহ সমাধান কৰিব লাগে আৰু উপযুক্ত ফাণ্ড ব্যৱহাৰ কৰিবৰ বাবে এচ, পি সকলক ক্ষমতা প্ৰদান কৰিব লাগে। অসমত আৰক্ষী প্ৰশিক্ষনৰ বাবে প্ৰধানতঃ দুটা কেন্দ্ৰ আছে। এখন আৰক্ষী প্ৰশিক্ষন মহাবিদ্যালয় আৰু আনখন চিপাহী প্ৰশিক্ষন বিদ্যালয়, ডেৰগাওঁ। তাৰোপৰি সশস্ত্ৰ আৰক্ষী প্ৰশিক্ষন কেন্দ্ৰ আৰু বেটেলিয়ান প্ৰশিক্ষন কেন্দ্ৰত সশস্ত্ৰ বাহিনীৰ প্ৰশিক্ষন দিয়া হয়। পুলিচ প্ৰশিক্ষন মহাবিদ্যালয়ত প্ৰধানতঃ সহ-উপপৰিদৰ্শকৰ পৰা আৰক্ষী উপ অধিক্ষক পদলৈকে প্ৰশিক্ষন দিয়া হয়। এই মহাবিদ্যালয়ত বৃটিছ সকলে প্ৰশিক্ষন দিয়াৰ দৰে আজিও প্ৰশিক্ষন দি থকা হৈছে। পুৱা ৫.৩০ বজাৰ পৰা ৮-৩০ বজালৈকে ফিজিকেল ট্ৰেইনিং আৰু পেৰেডৰ প্ৰশিক্ষন দিয়া হয় আৰু ১০ বজাৰ পৰা আইনৰ প্ৰশিক্ষন দিয়া হয়। মাত্ৰাধিক ফিজিকেল ট্ৰেইনিংৰ ফলস্বৰূপে আইনৰ শ্ৰেণীত প্ৰশিক্ষাৰ্থীসকলে আশানুৰূপ ফল লাভ কৰিব পৰা নাই। গতিকে আইনৰ প্ৰশিক্ষনৰ ক্ষেত্ৰত বেচি জোৰ দিব লাগে। দেখা গৈছে যে আৰক্ষী প্ৰশিক্ষন কেন্দ্ৰ সমূহত খেলা ধূলাৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া হোৱা নাই। গতিকে আৰক্ষী প্ৰশিক্ষন কেন্দ্ৰ সমূহত উপযুক্ত পৰিমাণৰ বিভিন্ন ধৰণৰ খেলাৰ সামগ্ৰী যোগান ধৰাৰ ব্যৱস্থা

চৰকাৰে লব লাগে। পুলিচ বিভাগত নিযুক্তি হোৱাৰ পাচত তেওঁলোকে ২৪ ঘণ্টাই কামত থাকিব লগীয়া হয়। ফলত তেওঁলোকৰ পাৰিৰীক ভাৰসাম্য হেৰাই যায়। গতিকে শাৰিৰীক ভাৰসাম্য ৰাখিব পৰাকৈ নিযুক্তি দিলে ভাল হয়। প্ৰয়োজন সাপেক্ষে যুগৰ লগত খাপ খোৱাকৈ বিজ্ঞান ভিত্তিত ট্ৰেইনিং দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু বাহিৰৰ পৰা উচ্চ শিক্ষিত প্ৰশিক্ষন প্ৰাপ্ত পাকৈত ব্যক্তিক মকৰল কৰি প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই সকলো বিলাক খুটি-নাটি চাই-চিতি এই বিভাগটো নিকা কৰিবলৈ চেষ্টা কৰিব লাগে আৰু এই বিভাগটোক সকলো ফালৰ পৰাই কাৰ্য্যক্ষম কৰি তুলিব লাগে। এইখিনিকে কৈ মন্ত্ৰী মহোদয়ে যি বাজেট মঞ্জুৰী উত্থাপন কৰিছে তাৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ : এতিয়া শ্ৰীশ্বহিদুল ইছলামে কব।

**শ্ৰীশ্বহিদুল ইছলাম :** মাননীয় অধ্যক্ষ মহোদয়, গৃহ দপ্তৰৰ মন্ত্ৰী মহোদয়ে এ, জি, পি, চৰকাৰৰ তুবছৰীয়া কাৰ্য্য কালৰ যি দাবী মঞ্জুৰী উত্থাপন কৰিছে, তাৰ সমালোচনা কৰি মাননীয় সদস্য শ্ৰীআব্দুল জহুৰে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ প্ৰতি সমৰ্থন কৰি মই তুষাৰ কবলৈ ওলাইছো।

অধ্যক্ষ মহোদয়, গৃহ দপ্তৰটো অতি গুৰুত্বপূৰ্ণ দপ্তৰ। এই দপ্তৰৰ ওপৰত ভিত্তি কৰিয়ে ভৱিষ্যৎ ভাল হয়। যদি গৃহ দপ্তৰত বিশৃঙ্খল হয় তেতিয়া উথান পতান হব পাৰে। যেতিয়া চৰকাৰৰ গৃহ দপ্তৰে কিবা ভুল কৰে তেতিয়া সমগ্ৰ ৰাজ্যতে বিশৃঙ্খল গঢ়ি উঠিব পাৰে। ৰাইজৰ শান্তি ৰক্ষক হিচাবে পুলিচ বাহিনীয়ে কাম কৰি যাব লাগিব। তেওঁলোকে নিৰপেক্ষ ভাও ললে ভাল হব। গতিকে এইখিনি গুৰুত্বপূৰ্ণ বিষয়ত আমাৰ মন্ত্ৰী মহোদয়ে চাব লাগিব।

অধ্যক্ষ মহোদয়, আজি তুবছৰীয়া কাৰ্য্য কালত গৃহ দপ্তৰৰ এছ, বি বিভাগটো সম্পূৰ্ণ ফেইল হৈছে। যি ৰাজনৈতিক হত্যাকাণ্ড হৈছিল, সেই বোৰৰ আজিলৈকে এটাও হত্যাকাণ্ড উলিয়াব পৰা নাই। আজি তুবছৰে তাৰ কোনো সুসূত্ৰ উলিয়াব পৰা নাই। সেয়েহে এছ, বি, চি, আই. দি, বিভাগটো সম্পূৰ্ণ ব্যৰ্থ হৈছে বুলি মই কব খুজিছো।

অধ্যক্ষ মহোদয়, ডি, জি, পি, ৰ ফালৰ পৰা বেংক ডকাইটিৰ যি পদক্ষেপ লৈছে, ভাৰতবৰ্ষৰ ইতিহাসত কতো লোৱা হোৱা নাই। ডি, জি, পি শ্ৰীমদন চৌধুৰীয়ে বাতৰি কাকতত বিবৃতি দিছিল যে বেংক ডকাইটক এক সপ্তাহৰ

ভিতৰত ধৰা হব। সেইদৰে চাৰিদিনৰ ভিতৰত ডকাইত উলিয়াই দিছে। এনেকুৱা তৎপৰতা থকা বিষয়াক পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোকক গৃহ মন্ত্ৰী দপ্তৰৰ ফালৰ পৰা ৰাজহুৱা ভাবে পুৰস্কাৰ প্ৰদান কৰিব লাগে। তেতিয়াহে পুলিচৰ কামত আগ্ৰহ জন্মিব।

অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ কমিউনিষ্ট ৰাজ্য কেৰেলা আৰু পশ্চিমবঙ্গ বাদে অন্যান্য ঠাইত সাম্প্ৰদায়িক সংঘৰ্ষ হোৱা দেখা যায়। এই সংঘৰ্ষবিলাক প্ৰতিৰোধ কৰা পুলিচৰ দৰ্কাৰ। যদি পপুলেচন পেটাৰ্ণত পুলিচত বিভিন্ন সম্প্ৰদায়ৰ মানুহক চাকৰি দিয়া হয় তেতিয়া সাম্প্ৰদায়িক সংঘৰ্ষ হোৱাৰ সম্ভাৱনা নাথাকে। গতিকে অসমতো পপুলেচন পেটাৰ্ণত পুলিচ বাহিনীত নিয়োগ কৰিব লাগে।

অধ্যক্ষ মহোদয়, পুলিচ বাহিনীয়ে বিভিন্ন বিপদৰ সময়ত সদায় সষ্টম হৈ থাকিব লাগে। কিন্তু তেওঁলোকৰ সেইদৰে সা-সুবিধা নাই। তেওঁলোকৰ বাসস্থানৰ ব্যৱস্থা নাই, লৰা ছোৱালী পঢ়াশুনাৰ সুবিধা নাই। এইদৰে বহুতো অসুবিধাৰ সন্মুখিন হৈ কাম কৰিব লগা হয়। তেওঁলোকক বান পানীৰ সময়ত পঠোৱা হয়, জুই লাগিলে ফায়াৰ ব্ৰিগেড পঠোৱা হয়, কৰবাত গাড়ী দুৰ্ঘটনা হলে পঠোৱা হয়। ইমান তৎপৰতাৰে পুলিচ বাহিনীয়ে কাম কৰিব লগীয়া হয়। গতিকে তেওঁলোকক সকলো সা-সুবিধা আগবঢ়াব লাগে।

অধ্যক্ষ মহোদয়, আজি স্বাধীনতাৰ ৪০ বছৰৰ পাছত আমাৰ গৃহ দপ্তৰৰ যিসকল মন্ত্ৰী আছিল, তাৰ ভিতৰত পুলিচ বিভাগৰ কাম হৈছিল শ্ৰীহিতেশ্বৰ শইকীয়াৰ দিনত। তেওঁলোকে ভাল কামো কৰিব পাৰে বা বেয়া কামো কৰিব পাৰে—সেই সময়ত যে কাম হৈছিল তাক মই সমালোচনা মূলক ভাবেহে কৈছো। বৰ্ত্তমান চৰকাৰৰ দিনত পুলিচৰ অত্যাচাৰ হোৱা নাই। কিন্তু ৰাজনৈতিক হত্যা কাণ্ড এতিয়াও উলিয়াব পৰা নাই। আইন শৃঙ্খলাৰ ক্ষেত্ৰত যদিও কৰবাত কিবা হৈছেও আমাৰ গৃহ মন্ত্ৰী মহোদয়ৰ আগভাগ পদক্ষেপৰ কাৰণে বিশৃঙ্খল হব পৰা নাই।

অধ্যক্ষ মহোদয়, আজি চৰকাৰৰ তৎপৰতাৰ পিচতো এই বিভাগৰ এছ, বি ব্ৰাঞ্চে শতকৰা ৯০ ভাগো কৃতকাৰ্য হব পৰা নাই। এই বিভাগটো ফেইল হৈছে বুলি মই সদনত দাবী কৰিছো। অদূৰ ভৱিষ্যতে গৃহদপ্তৰৰ ফালৰ পৰা সম্পূৰ্ণ ভাবে আই, এম, দি, টি, এক্টৰ জৰিয়তে সংখ্যালঘু মানুহক অত্যাচাৰ

নকৰাকৈ শান্তি শৃঙ্খলা অব্যাহত ৰাখিব লাগে। আগতে ১৯৬২ চনৰ পৰা ১৯৭২ চনলৈকে আঠ লাখ মানুহক জোৰ জুলুমকৈ এই দেশৰ পৰা খেদোৱা হৈছিল। সেই কাৰণে সংখ্যা লঘু মানুহে পুলিচৰ পোচাক দেখিলে ভয় কৰে। গতিকে এই ৰাজত্বৰ অৱসান ঘটাবলৈ এ, জি, পি, চৰকাৰে সিদ্ধান্ত লব লাগে। তেনেকুৱা ৰাজত্বৰ আই কংগ্ৰেছৰ দিনত হৈছিল, এতিয়া তাৰ অবসান ঘটিছে। সেয়ে মই গৃহ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে তেনেকুৱা ৰাজত্বৰ পুনৰাবৃত্তি নহয়। ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**শ্ৰীৰবীন শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, গৃহমন্ত্ৰী ডাঙৰীয়াই যি মঞ্জুৰী বিচাৰিছে তাৰ প্ৰতি সমৰ্থন আগবঢ়াই মই কেইটামান কথা কব বিচাৰিছো।

অধ্যক্ষ মহোদয়, গণ পৰিষদ চৰকাৰ অহাৰ পিচৰে পৰাই অসমৰ পুলিচ বাহিনীটোৱে বিশেষ কৃত্তিত্ব দেখুৱাব পৰাটোৱেই এটা উল্লেখযোগ্য কথা বুলি মই বিবেচনা কৰো। অসম গণ পৰিষদ চৰকাৰে অসম পুলিচ বাহিনীটো কোনো ৰাজনৈতিক কামত ব্যৱহাৰ কৰা নাই। এইটোও এটা উল্লেখযোগ্য ঘটনা। এইটো কথা আমি দেখি আহিছো যে ভাৰতবৰ্ষত আজিলৈকে যিমান বিলাক চৰকাৰ হল সেই সকলো বিলাকেই কেৱল গণ পৰিষদ চৰকাৰৰ বাহিৰে পুলিচ বাহিনীটো ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰি আহিছে। আমাৰ মুখ্য মন্ত্ৰী আৰু গৃহ মন্ত্ৰীয়ে পুলিচ বাহিনীটো কোনো ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰিবলৈ দিয়া হোৱা নাই। ইয়াৰ প্ৰমাণ হিচাবে দাঙি ধৰিব পাৰি যে আইন শৃঙ্খলাৰ ক্ষেত্ৰত অসম গণ পৰিষদ চৰকাৰৰ দিনত আইন শৃঙ্খলাৰ পৰিস্থিতি অতি অটুত আছে। যোৱা দুই বছৰে যিমান বিলাক ধৰ্ণা দিয়া হৈছে সেই সংগঠন বিলাকৰ ওপৰত পুলিচ বাহিনী মেলি দিয়া হোৱা নাই। অসম গণ পৰিষদ চৰকাৰৰ দিনত জনসাধাৰণৰ যিটো গণতান্ত্ৰিক অধিকাৰ সেই অধিকাৰ সাব্যস্ত কৰিবলৈ সুবিধা পাইছে। যিটো ১৯৮৩ চনত হোৱা নাছিল। মাননীয় সদস্য শ্ৰীশ্বহিদূল ইচলাম ডাঙৰীয়াই এটা কথা কৈ গৈছে যে শ্ৰীহিতেশ্বৰ শইকীয়াৰ দিনত পুলিচৰ দ্বাৰা ভাল কাম হৈছিল কিন্তু তাৰ লগে লগে তেওঁ আৰু এটা কথা কৈছে যে ৰাজনৈতিক অখণ্ডতা ৰক্ষা কৰাৰ কাৰণে পুলিচৰ যি ভুমিকা সেইটো গৃহ বিভাগে মন কৰিব লাগে। শ্ৰীহিতেশ্বৰ শইকীয়াৰ দিনত সাৰ্বভৌমত্ব

ৰক্ষা কৰিবৰ কাৰণে নাৰীৰ ওপৰত পুলিচ মেলি দিয়া হৈছিল। পুলিচ সেই সময়ত নিজে চলিব পৰা নাছিল। পুলিচক যেনেকৈ চলাইছিল তেনেকৈয়ে চলিছিল। ইয়াৰ বাবে পুলিচ দায়ী নহয় পুলিচক চলোৱা সকলহে দায়ী। এতিয়া পুলিচৰ দ্বাৰা কোনো নাৰী ধৰ্ষণ হোৱা নাই, গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ যিবিলাক সংগঠন আছেঁছে তেওঁলোকৰ ওপৰতো কোনো পুলিচ বাহিনী মেলি দিয়া হোৱা নাই। কোনো মাৰপিত কৰা নাই।

আৰু এটা কথা কব বিচাৰিছো যে তেতিয়াৰ দিনত নিৰাপত্তাৰ নামত মুখ্য মন্ত্ৰীৰ পৰা আৰম্ভ কৰি সকলো বিলাক কংগ্ৰেছ কৰ্মীৰ লগত পুলিচ দিয়া হৈছিল, তেওঁলোকে ঘৰে ঘৰে পুলিচ ৰাখিছিল কিন্তু এতিয়া সেই ব্যৱস্থা বিশেষ নাই। এতিয়া মন্ত্ৰী সকলৰ চৰকাৰী বাসগৃহৰ বাহিৰে কাৰো গাৰুৰ ঘৰত পুলিচ দিয়া হোৱা নাই। যিটো কংগ্ৰেছৰ দিনত হৈছিল। এইদৰে আগতে পুলিচৰ নামত যিবিলাক অযথা খৰচ হৈছিল এতিয়া সেই বিলাক কমোৱা হৈছে।

আৰু এটা কথা হৈছে যে গণ পৰিষদ চৰকাৰৰ দিনত কোনো গণ-পৰিষদৰ নেতাই পুলিচৰ পোচাক পিন্ধি কাৰো ঘৰত গৈ মাৰ পিট কৰা নাই। যিদৰে কংগ্ৰেছ চৰকাৰৰ দিনত হৈছিল। তেতিয়া ৰাজনৈতিক দলৰ নেতাই পুলিচৰ কাপোৰ পিন্ধি ৰাইজৰ ওপৰত মাৰপিট কৰিছিল। এই যে পুলিচ বাহিনীটো ৰাজনৈতিক ভাবে ব্যৱহাৰ কৰা হোৱা নাই এইটোৰেই গৃহ মন্ত্ৰীৰ কাৰণে প্ৰসংশনীয় কাম হৈছে। আগতে পুলিচ বুলিলেই মানুহৰ মনলৈ ভয় ভাব আহিছিল। কিন্তু এতিয়া পুলিচ বুলিলে মানুহৰ মনলৈ ভয় ভাব নাহে। পুলিচ সকলৰ সমাজৰ প্ৰতি এটা দায়বদ্ধতা আছে এতিয়া সেইটো বুজাই দিয়া হৈছে। পুলিচৰ কাম হৈছে দেশৰ শান্তি শৃংখলা ৰক্ষা কৰা। অসম গণ পৰিষদ চৰকাৰে পুলিচক সামাজিক দায়বদ্ধতাৰ কাৰণে সমাজৰ ওচৰ চপাই আনিছে। ইয়াৰ কাৰণে গুৱাহাটীত পুলিচ 'মিট' পতা হৈছে। এগৰাকী বিৰোধী পক্ষৰ সদস্যই আমাৰ ৰাজ্যৰ আইন শৃংখলাৰ পৰিস্থিতি বেয়া বুলি কৈছে। কিন্তু আমাৰ ৰাজ্যৰ আইন শৃংখলাৰ পৰিস্থিতি যে ভাৰতৰ অন্যান্য ৰাজ্য তথা বিহাৰ, উত্তৰ প্ৰদেশ আদিতকৈ অনেক ভাল সেইটো কবই লাগিব। ভুমকাৰ ঘটনাত জনজাতি সকলৰ ওপৰত চৰকাৰে অত্যাচাৰ চলাবলৈ দিয়া বুলি অভিযোগ এগৰাকী মাননীয় সদস্যই কৰিছিল। কিন্তু সোঁ সিদিনা কি হ'ল? এদল উশৃংখল জনজাতীয় লোকে জনজাতীয় লোকৰ ওপৰত আক্ৰমণ চলালে।

এতিয়া কাক দোষিব ? জনজাতীয় সকলৰ ওপৰত এই চৰকাৰে অত্যাচাৰ চলাইছে বোলা মিছা অভিযোগ নানিবৰ বাবে মই অনুৰোধ জনাইছো।

জনজাতীয় লোকৰ প্ৰতি আমাৰ চৰকাৰৰ যি অনুকম্পা সেইটো কথা ১ হাজাৰ জনজাতীয় লৰাক বেটেলিয়নত লোৱাৰ কথাই ওলাই পৰিছে।

মই এইখিনিতে আৰু এটা কথা কব বিচাৰিছো যে বিদেশী নাগৰিক বহিস্কৰণ আৰু চিনাক্তকৰণৰ ক্ষেত্ৰত পুলিচ বাহিনীক লগোৱা হৈছে যদিও তেওঁলোকক যিমান বিলাক গাড়ীৰ যোগান ধৰিব লাগে সিমান বিলাক গাড়ী যোগান নধৰাৰ বাবে পুলিচ সকলৰ এই কামত অসুবিধা হৈছে। গাড়ী নহলে দূৰৰ গাওঁ বিলাকলৈ খৰকৈ যাব নোৱাৰে তাৰ ফলত কাম লেহেম গতিত চলিছে। সেই কাৰণে মই পৰামৰ্শ দিব বিচাৰিছো যে পুলিচ বাহিনীক যি যাতায়তৰ সুবিধা দিব লাগে সেইটো যেন দিয়া হয়।

ইয়াৰ উপৰিও সীমান্ত অঞ্চলত যিবিলাক পুলিচ চকী নিৰ্মান কৰিছে সেই বিলাক প্ৰশংসনীয় কামেই হৈছে। কিন্তু এতিয়াই কিছুমান সীমান্ত অঞ্চলত প্ৰয়োজন থকা স্বত্বেও পুলিচ চকী নিৰ্মান কৰা হোৱা নাই। তাৰ ফলত অসুবিধাৰ সৃষ্টি হৈছে। সেই বিলাক ঠাইত পুলিচ চকী নিৰ্মান কৰিবলৈ মই অনুৰোধ জনালোঁ।

লগতে মই চতিয়া বিধান সভা সমষ্টিৰ কথা বুলি কব বিচৰা নাই, গোটেই অসমৰ কথা হিচাপে কব বিচাৰিছো যে ১৯৪২ চনত গোটেই ভাৰতবৰ্ষৰ ভিতৰতে পোন প্ৰথম চতিয়া থানাত স্বাধীনতাৰ পতাকা উত্তোলন কৰা হৈছিল। এই বিষয়ে গৃহ মন্ত্ৰী আৰু মাননীয় মুখ্য মন্ত্ৰীক অসমৰ মুক্তি যুজাৰু সকলে আবেদন জনাইছে যে চতিয়া থানাৰ পতাকা উত্তোলন কৰা কথাটো স্বীকৃতি দিয়া নাই। গণ পৰিষদ চৰকাৰে নিজা ৰবীয়াকৈ ব্যৱস্থা লৈ এই ঐতিহাসিক চতীয়া থানাখনক আদৰ্শ থানা হিচাপে নিৰ্মান কৰাৰ ব্যৱস্থা লবলৈ অনুৰোধ জনালো। শেষত গৃহ মন্ত্ৰীয়ে অনা দাবী মঞ্জুৰীটোৰ সমৰ্থন জনালো আৰু বিৰোধী দলৰ সদস্য সকলক কৰ্ত্তন প্ৰস্তাৱ উঠাই লবলৈ অনুৰোধ জনালো।

*** শ্ৰীজগত হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, গৃহ মন্ত্ৰী ডাঙৰীয়াই অনা মঞ্জুৰীৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছো। শ্ৰীঅৰুণ গোস্বামীৰ বনৰ পৰা

* Speech not corrected

ৰণলৈ পুথিত উল্লেখ কৰাৰ দৰে আমাৰ যিমান বিলাক সমস্যা আছে তাক যদি বিশ্লেষণ কৰি চাওঁ তেন্তে দেখা পাম যে সকলো সমস্যাৰ মূল হৈছে অৰ্থনৈতিক বিষয়। গতিকে অৰ্থনীতিৰ লগত সম্বন্ধ থকা কথাখিনিৰ ওপৰত আলোকপাত কৰি গৃহমন্ত্ৰীয়ে এই দাবী মঞ্জুৰী আগবঢ়াইছে। অসমৰ পূৰ্ণ গতিত বাঢ়ি অহা নিবনুৱা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি তিনিটা বেটেলিয়ান খুলি সম্ভাব্য নিবনুৱা সমস্যা সমাধানৰ কাৰণে যি বলিষ্ঠ পদক্ষেপ হাতত লৈছে ই সচাকৈ এক প্ৰশংসনীয় কথা। কেৱল বক্তব্যৰ কাৰণে বক্তব্য বা সমালোচনাৰ কাৰণে সমালোচনা দাঙি নধৰি যদি দৃঢ়তাৰে বিশ্লেষণ কৰো তেনেহলে দেখা পাও যে অৰ্থনীতিৰ লগত সম্বন্ধ থকা প্ৰত্যেক সমস্যাৰ প্ৰতি গণ পৰিষদ চৰকাৰে যি চিন্তা চৰ্চাৰে আগ-বাঢ়িছে ই সচাকৈ প্ৰশংসনীয় কথা। আমি স্পষ্ট ভাবে কব লাগিব যে ক্ৰমাগত-ভাবে অৰুণাচল আৰু অসমৰ সীমাৰ এটা ভয়াবহ চিত্ৰ দেখা পোৱা গৈছে। এই চিত্ৰ সমূলি নাইকিয়া কৰিবৰ কাৰণে অতি সোনকালে গৃহ বিভাগে এক কটকটীয়া ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অসম অৰুণাচল সীমান্তত অদূৰ ভৱিষ্যতে নগালেণ্ডৰ দৰে এক পৰিবেশৰ সৃষ্টি হব পাৰে আৰু সেয়ে গৃহ মন্ত্ৰীক মই অনুৰোধ জনাইছো যে লালুক, উত্তৰ লক্ষীমপুৰ, ধেমাজি এই গোটেই অঞ্চল সম্পূৰ্ণৰূপে ৰক্ষণা বেক্ষণ কৰিবৰ কাৰণে পূৰ্ণ থানালৈ ৰূপান্তৰিত কৰা হওক। বিৰোধী পক্ষৰ সদস্য দুই এজনে কৈছে হিতেশ্বৰ শইকীয়াৰ দিনত ভাল কাম হৈছিল। তেখেতসকলে কিয় পঙ্কাৰ উল্লেখযোগ্য পাহৰি গৈছে।

**শ্ৰীশ্বহীদুল ইছলাম ঃ** কি পৰিবৰ্ত্তন হৈছিল।

**শ্ৰীজগত হাজৰিকা ঃ** পঙ্কাৰ পৰিবৰ্ত্তনৰ কথা কৈছে নেকি ? আজি কোকৰাঝাৰৰ ভুমকাৰ ঘটনাক লৈ বিধান সভাৰ মজিয়াত তোলপাৰ লগোৱা হৈছে। কিন্তু বৰ্ত্তমান কোকৰাঝাৰত আইন শৃঙ্খলাৰ যি পৰিবেশ হৈছে সেই বিষয়ে কোনেও মাত মতা নাই। ৰাজনৈতিক হত্যাকাণ্ডবোৰৰ দোষীক ধৰা পেলোৱা নাই বুলি কোৱা হৈছে। যি সময়ত ভুমকাৰ ঘটনাত অসম চৰকাৰৰ তৰফৰ পৰা সম্পূৰ্ণ ভাবে ৰক্ষণা বেক্ষণ দি কেবাজনো পুলিচ বিষয়াক শাস্তি দিয়াৰ পিচতো কোকৰাঝাৰৰ পৰিবেশ সম্পৰ্কত নিমাত থকাটো আচৰিত কথা। আগতেই অৰ্থনৈতিক সমস্যা সমাধান কৰাৰ ব্যৱস্থা হাতত লোৱা হলে অৰুণাচল নগালেণ্ডৰ সীমান্তত এনেকুৱা অৱস্থাৰ সৃষ্টি নহলহেতেন। কেন্দ্ৰীয় চৰকাৰৰ আওকানৰ ফলশ্ৰুতি হিচাপে আজি এনেকুৱা অৱস্থা হৈছে। এই বিশেষ দিশ-

বোৰৰ প্ৰতি লক্ষ্য ৰাখি গৃহ মন্ত্ৰীয়ে যি বাজেট মঞ্জুৰী উত্থাপন কৰিছে তাৰ প্ৰতি বিৰোধী দলেও একমত পোষণ কৰাৰ কামনা কৰিলো। শ্ৰীঅৰুণ গোস্বামীৰ বনৰ পৰা ৰণলৈ লিখা পুথিত উল্লেখ কৰা অৰ্থনৈতিক সমস্যাৰ লগত সম্বন্ধ ৰাখি গৃহ মন্ত্ৰীয়ে যি দাবী মঞ্জুৰী উত্থাপন কৰিছে আৰু ইয়াৰ ওপৰত দাঙি ধৰা কৰ্ত্তন প্ৰস্তাৱ উঠাই লব বুলি আশা কৰি বক্তব্যৰ সামৰণি মাৰিলো।

অধ্যক্ষ : এতিয়া বিতৰ্কৰ উত্তৰ দিব।

**শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী)** : অধ্যক্ষ মহোদয়, ১৯৮৮-৮৯ চনৰ পুলিচ বাজেটৰ ওপৰত হোৱা আলোচনাত মাননীয় কেইবাগৰাকী সদস্যও অংশ গ্ৰহণ কৰি বিভাগটোৰ কাম-কাজৰ সমালোচনা তথা ইয়াক অধিক কাৰ্যক্ষম কৰিবৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়াইছে। মাননীয় সদস্যসকলে দেখুৱাই দিয়া দোষ ক্ৰুটিবোৰ নিৰাময়ৰ বাবে আৰু পুলিচ বিভাগৰ কাৰ্য্যদক্ষতা বৃদ্ধিৰ বাবে দিয়া পৰামৰ্শসমূহ চৰকাৰে বিবেচনা কৰিব। পুলিচ বাজেটৰ ওপৰত হোৱা বিতৰ্কৰ উত্তৰ হিচাপে মই কেইটিমান কথা উল্লেখ কৰিব বিচাৰিছো।

মাননীয় সদস্যসকলে নিশ্চয় মোৰ লগত একমত হব যে আগৰ কেইবছৰৰ তুলনাত যোৱা দুবছৰে অসমত সামগ্ৰীক আইন-শৃংখলা পৰিস্থিতিৰ যথেষ্ট উন্নতি হৈছে। ৰাজ্যিক পুলিচ বাহিনীটোৱে অধিক সক্ৰিয়ভাৱে কাম কৰাৰ বাবেই নিশ্চয় ৰাজ্যখনত বৰ্ত্তমান শান্তি বিৰাজ কৰিছে। যোৱা বছৰটোতো ৰাজ্যখনত আইন শৃংখলা তথা অপৰাধ পৰিস্থিতি নিয়ন্ত্ৰণাধীন হৈ আছে। ৰাজ্যখনত শান্তি শৃংখলা ব্যাহত হব পৰা কোনো সংঘৰ্ষ, বিদ্ৰোহ আদি যোৱা বছৰত ঘটা নাই। মাথোন পাৰ্ব্বত্য জিলা দুখনত ভৈয়াম অঞ্চলৰ একাংশত ভৈয়াম জনজাতি লোকসকলে বিভিন্ন দাবী সন্দৰ্ভত আন্দোলন কৰি আছে। তেওঁলোকৰ সমস্যা যোৱা দুবছৰৰ অসম গণ পৰিষদ চৰকাৰৰ শাসন কালত সৃষ্টি হোৱা নহয়। অতীতৰ চৰকাৰৰ ভুল নীতিৰ পৰিপ্ৰেক্ষিততে এই সমস্যাসমূহৰ সৃষ্টি হৈছে।

যোৱা এবছৰে ৰাজ্যখনত কোনো সন্ত্ৰাসবাদী কাৰ্য্যকলাপে বিশেষ গা কৰি উঠিব পৰা নাই। অ'ত তঁ'ত মাজে সময়ে দুই এটা ঘটনা জড়িত হোৱাৰ বাহিৰে সন্ত্ৰাসবাদী সন্থাসমূহে বিশেষ কোনো ঘটনা সৃষ্টি কৰিব পৰা নাই। ৰাজ্যিক পুলিচ বাহিনীৰ তৎপৰতাৰ ফলত উত্তৰ পূৰ্ব্বাঞ্চলৰ কেইটামান উগ্ৰপন্থী সন্থাৰ বহুতো বিষয় ববীয়া গ্ৰেপ্তাৰ হৈছে। লগতে গ্ৰেপ্তাৰ হোৱা লোকসকলৰ পৰা বহুতো মাৰাত্মক অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰিবলৈ পুলিচ বাহিনী সক্ষম হৈছে।

পুলিচৰ এই কাৰ্য্যৰ ফলত এওঁলোকৰ কাৰ্য্যকলাপ প্ৰায়েই বন্ধ হৈছে। উগ্ৰ-পন্থীৰ বিৰুদ্ধে পুলিচৰ এই সংগ্ৰাম অব্যাহত থাকিব। আমাৰ চৰকাৰে সমাজত বিশৃঙ্খলতা সৃষ্টি কৰিবৰ কাৰণে চেষ্টা চলোৱা সকলো সমাজ বিৰোধী লোকৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লবলৈ বদ্ধ পৰিকৰ। এই দিশত আমাৰ নীতি সুস্পষ্ট।

অপৰাধ দমনৰ ক্ষেত্ৰতো ৰাজ্যখনত উন্নতি পৰিলক্ষিত হৈছে। ১৯৮৪ আৰু ১৯৮৫ চনৰ তুলনাত ১৯৮৭ চনত অপৰাধ যথেষ্ট হ্ৰাস পাইছে। ইয়াৰ পৰা বুজা যায় অপৰাধ দমনৰ বাবে বিভাগটোৱে লোৱা কাৰ্য্য ব্যৱস্থাৰ ফল পোৱা গৈছে। ৰাজ্যখনত সংঘটিত ডকাইতি আৰু হত্যাৰ ঘটনাও কিছু পৰিমাণে কমিছে। অপৰাধ তদন্তৰ বাবে তদন্তকাৰী বিষয়াসকলক আৱশ্যকীয় প্ৰশিক্ষণ দি থকা হৈছে আৰু প্ৰয়োজন অনুযায়ী কিছু লোকক ৰাজ্যখনৰ বাহিৰতো প্ৰশিক্ষণ দিয়া হৈছে। ডিটেক্টিভ কুকুৰৰ সংখ্যা বৃদ্ধি কৰি সেই বিলাকক অপৰাধ ধৰা পেলোৱা কামত লগোৱা হৈছে। অদূৰ ভবিষ্যতে পুলিচ বিভাগৰ বাবে কমপিউটাৰ যন্ত্ৰ ব্যৱহাৰ কৰাৰ অৰ্থে অপৰাধ তথ্যসমূহ বৈজ্ঞানিক ভিত্তিত সংগ্ৰহ কৰা হৈছে। ফৰেণচিক বিজ্ঞানাগাৰৰ বিজ্ঞানীসকলক অপৰাধ ধৰা পেলোৱাৰ ক্ষেত্ৰত সঘনে ব্যৱহাৰ কৰি থকা হৈছে। ৰাষ্ট্ৰীয় পথত ডকাইতি বন্ধ কৰিবৰ বাবে ৰাতি পুলিচ পহৰাৰ ব্যৱস্থা কৰা হৈছে।

ৰাজ্যখনত বেআইনীভাবে ৰখা বন্দুক, বাৰুদ উদ্ধাৰৰ অৰ্থে ৰাজ্যিক পুলিচ বাহিনীয়ে আৱশ্যকীয় ব্যৱস্থা লৈছে। যোৱা বছৰত পুলিচ বাহিনীয়ে অসমৰ বিভিন্ন ঠাইৰ পৰা বে আইনীভাবে ৰখা মেচিনত বা হাতে সজা ১৩২ টা পিষ্টল, বন্দুক, ৰিভলভাৰ, ৰাইফল, কাৰ্বাইন আদি অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰাৰ লগতে ১,৫৮০ টা বিভিন্ন ধৰণৰ গুলি উদ্ধাৰ কৰে।

অধ্যক্ষ মহোদয়, ৰাজ্যিক পুলিচ বাহিনীটোৰ প্ৰতিজন লোকেই যে সমানে কাৰ্যদক্ষ মই সেইটো দাবী কৰিবলৈ বিচৰা নাই। আগৰ চৰকাৰৰ দিনত পুলিচ বাহিনীটোক ৰাজনৈতিক কামত ব্যৱহাৰ কৰা হৈছিল ; অসমৰ অস্তিত্ব ৰক্ষাৰ হকে কৰা অসমবাসী ৰাইজৰ গণ আন্দোলন দমন কৰিবলৈ পুলিচ বাহিনী-টোক প্ৰয়োগ কৰা হৈছিল। এতিয়া সেই অৱস্থাৰ পৰিবৰ্ত্তন ঘটিছে। আমাৰ চৰকাৰ শাসনত অধীস্থিত হোৱাৰ লগে লগে পুলিচ বাহিনীটোক স্পষ্ট নিৰ্দেশ দিয়া হৈছে যে তেওঁলোকৰ সকলো কাৰ্য্য আইন সঙ্গত হব লাগিব আৰু কেতিয়াও

নিৰপৰাধী লোকৰ প্ৰতি অন্যায় অবিচাৰ কৰিব নোৱাৰিব। মই আগেয়েও কৈছো আৰু এতিয়াও স্পষ্ট কৰি দিব খুজিছো যে অসম গণ পৰিষদ চৰকাৰে পুলিচ বাহিনীটোক কেতিয়াও ৰাজনৈতিক কামত প্ৰয়োগ নকৰে।

যিসকল লোকে অপৰাধ কৰে— তেওঁলোক পুলিচেই হওঁক বা অন্য কোনো লোকেই হওঁক, তেওঁলোকে আইন সন্মত শাস্তি পাবই লাগিব। পুলিচৰ লোক সকলে কৰা অপৰাধ আমি ক্ষমা নকৰো আৰু সেইবিলাক ঢাকি ৰাখিবলৈকো চেষ্টা নকৰো। অলপতে কোকৰাঝাৰৰ ভুমকাত হোৱা অপৰাধত পুলিচৰ লোক জড়িত হোৱাৰ যি অভিযোগ উঠিছে তাক আমি তীব্ৰ ভাষাৰে নিন্দা কৰিছো। অভিযুক্ত ব্যক্তি কেইজনৰ বিৰুদ্ধে অকনো সময় নষ্ট নকৰি ইতিমধ্যে কাৰ্য ব্যৱস্থা লোৱা হৈছে। চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এজন বিচাৰপতিক লৈ এজনীয়া তদন্ত আয়োগ গঠন কৰি দিছে।

অসম ৰাজ্যিক পুলিচ বাহিনীটোক অধিক কাৰ্য্যক্ষম আৰু শক্তিশালী কৰি গঢ়ি তুলিবৰ বাবে আৰু বাহিনীটোক জনসাধাৰণৰ প্ৰকৃত বন্ধু হিচাপে গঠন কৰিবলৈ চৰকাৰে ব্যৱস্থা লৈছে। পুলিচৰ লোকসকলক চাকৰি কালৰ বিভিন্ন পৰ্য্যায়ত প্ৰশিক্ষন দিয়াৰ আঁচনি হাতত লোৱা হৈছে। যোৱা দুবছৰে তিনিটা নতুন বেটেলিয়ন গঠন কৰা হৈছে। স্থানীয় নিবনুৱা যুৱকৰ উপৰিও বুজন সংখ্যক জনজাতীয় যুৱকে এই বাহিনী কেইটাত নিযুক্তি লাভ কৰিছে। পুলিচ বিভাগৰ সকলো সভা সমিতিতে আমি বাৰে বাৰে সকিয়াই দিছো যে পুলিচৰ লোকসকল জনসাধাৰণৰ ভয়ৰ প্ৰতীক হোৱাৰ পৰিবৰ্ত্তে তেওঁলোক প্ৰকৃত বন্ধু হিচাপে নিজৰ কাম-কাজৰ যোগেদি পৰিচয় দিব পাৰিব লাগিব। পুলিচৰ লোক সকলোৰে মানসিক দৃষ্টিভঙ্গী ইতিমধ্যে লাহে লাহে পৰিবৰ্ত্তন হব ধৰিছে।

অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ অসম চুক্তি অনুযায়ী বিদেশী চিনাক্তকৰণ আৰু বিতাৰণত বাইজৰ ওচৰত প্ৰতিজ্ঞাবদ্ধ। এই দিশত আমি প্ৰয়োজনীয় সকলো ব্যৱস্থা হাতত লব লাগিব। বিদেশী চিনাক্তকৰণৰ দায়িত্ব ৰাজ্যিক পুলিচ বাহিনীৰ ওপৰত অৰ্পণ কৰা হৈছে। বিভাগটোৱেও যাতে এই সংক্ৰান্তত আশু ব্যৱস্থা হাতত লব পাৰে তাৰ বাবে বিভাগটোৰ সীমান্ত শাখা অধিক টনকিয়াল কৰি তোলা হৈছে। পুলিচ বাহিনীটোৱে এই ক্ষেত্ৰত এতিয়ালৈকে ভাল কাম কৰি আছে। আইনৰ প্ৰতিবন্ধকতাৰ বাবে চিনাক্তকৰণ আৰু বিতাৰণৰ কাম অধিক ফলপ্ৰসূ কৰি তুলিব পৰা হোৱা নাই। মাননীয় সদস্যসকলে জানে

যে অসমৰ বাহিৰে সমগ্ৰ দেশতে বিদেশী আইন অনুযায়ী বিদেশীলোক চিনাক্ত কৰা হয়। আমাৰ প্ৰতিবেশী মেঘালয়, ত্ৰিপুৰা, মনিপুৰ, অৰুণাচল আৰু নগালেণ্ডতো এই একে আইন প্ৰজোয্য। কিন্তু আমাৰ ৰাজ্যত ১৯৮৩ চনৰ অবৈধ প্ৰব্ৰজনকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্দ্ধাৰণ) আইনৰ যোগেদিহে বিদেশী চিনাক্তকৰণ হয়। যোৱা দুবছৰ ধৰি এই আইনখনত থকা ক্ৰটি সমূহ আতৰাবৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেঁচা দি আহিছে। চলিত বাজেট অধিবেশনত সংসদে আইনখনৰ সংশোধন কৰিলে যদিও সি আমাৰ সম্পূৰ্ণ দাবীৰ ৰিপৰীত। নামত মাত্ৰ আইনখন সংশোধন কৰি কেন্দ্ৰীয় চৰকাৰে নিজৰ দায়িত্ব এৰাই চলিব বিচাৰিছে। কিন্তু আইনৰ গণ্ডীৰ ভিতৰত থাকি আমাৰ চৰকাৰে বিদেশী চিনাক্তকৰণ আৰু বিতাৰণৰ ব্যৱস্থা হাতত লৈছে।

কোনো কোনো ৰাজনৈতিকদলে বিদেশী চিনাক্তকৰণৰ নামত পুলিচে প্ৰকৃত ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰা হৈছে বুলি অভিযোগ তুলি আহিছে। চৰকাৰৰ প্ৰচেষ্টা বিফল কৰিবৰ বাবেও কোনো কোনো দল সংগঠনে এনে কৌশল অৱলম্বন কৰিছে। আমি ৰাজ্যিক পুলিচ বাহিনীটোক স্পষ্ট নিৰ্দেশ দিছো যে বিদেশী চিনাক্ত-কৰণ কৰিবলৈ যাওঁতে যাতে কোনো প্ৰকৃত ভাৰতীয় নাগৰিকে অযথা হাৰাশাস্তি ভোগ কৰিব লগা নহয়। নাগৰিকত্ব সম্পৰ্কে এজন লোকক পুলিচে সোধপোছ কৰা মানেই হাৰাশাস্তি কৰা নুবুজায়। এনে এটা গধুৰ সমস্যা সমাধান কৰোতে এনে দুই এটা ঘটনা ঘটাতো স্বাভাৱিক। এনে অভিযোগ অনাতকৈ এই ক্ষেত্ৰত নিৰ্দিষ্ট অভিযোগ দাখিল কৰিলে আমি সেই বিলাকৰ তদন্ত কৰি আৱশ্যকীয় ব্যৱস্থা লম।

অধ্যক্ষ মহোদয়, পুলিচ বাজেটৰ ওপৰত হোৱা কৰ্ত্তন প্ৰস্তাৱ আৰু আলোচনাৰ উত্তৰ হিচাপে মই এইখিনি কথাই সদনত ডাঙি ধৰিছো। আশা কৰিছো যিসকল মাননীয় সদস্যই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেই প্ৰস্তাৱ উঠাই লৈ ১৯৮৮-৮৯ চনৰ পুলিচ বাজেটত ধৰা ধনখিনিৰ মঞ্জুৰী দিব।

১) পুলিচ বিভাগত দুৰ্নীতি আতৰ কৰিবলৈ লোৱা প্ৰচেষ্টা—

২) নিযুক্তি

৩) Police Meet.

৪) Reward.

৫) Promotions.

মাননীয় সদস্য কেইগৰাকীয়ে পুলিচৰ আবাসিক ঘৰৰ কথা উল্লেখ কৰিছে। বৰ্ত্তমান ২৭৪০ জন উচ্চবৰ্গ আৰু ২৮৫৩ জন নিম্নবৰ্গ চাকৰিয়ালৰ বাবে আবাসিক গৃহৰ ব্যৱস্থা আছে। তদুপৰি ১২,০৮৬ জন আৰক্ষীলোকক থাকিবৰ বাবে বেৰেকৰ ব্যৱস্থা কৰি দিয়া আছে। এই বিত্তীয় বছৰত উচ্চ বৰ্গৰ ৩৩ টা আৰু নিম্ন বৰ্গৰ ১৬১ টা আবাসিক গৃহৰ নিৰ্মাণৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

এগৰাকী মাননীয় সদস্যই এজন বৃটিছ নাগৰিকে R.A.P নোহোৱাকৈ অসমত সোমোৱাৰ কথা উল্লেখ কৰিছে। এই ক্ষেত্ৰত আমি কব বিছাৰো যে উইলিয়াম ৰিভ নামৰ বৃটিছ নাগৰিকে B.B.C. সংবাদদাতা হিচাবে আহি যোৱা ১।৪।৮৮ তাৰিখে গুৱাহাটীলৈ আহে। আৰক্ষী বিভাগে তেখেতক ভাৰত চৰকাৰৰ নিয়ম অনুযায়ী Press Acredition Card ভাৰত চৰকাৰে দিয়া হেতুকে তাৰ ভিত্তিতে অসমত সোমাবলৈ দিয়ে। এই খিনিতে আমি কবলৈ বিচাৰো আৰু এই ক্ষেত্ৰত সন্মানিত সদনে আগতেই সমৰ্থন আগবঢ়াইছে যে অসমলৈ বিদেশী পৰ্য্যটক অহাত কোনো ধৰণৰ বাধা থাকিব নোৱাৰে আৰু R.A.P. দিয়াৰ অধিকাৰ অসম চৰকাৰক দিব লাগে। এইখিনিতে উল্লেখনীয় যে সন্মানিত সদনে ইতিমধ্যে সৰ্বদলীয় সজাতী দল প্ৰেৰণ কৰি উক্ত বিষয়ত প্ৰধান মন্ত্ৰীৰ লগত আলোচনা কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে আৰু আমি এই আলোচনাৰ বাবে প্ৰধানমন্ত্ৰীৰ লগত যোগাযোগ কৰি আছো।

অন্য এগৰাকী সদস্যই নিম্নবৰ্গৰ পুলিচ কৰ্মচাৰী আদিৰ সময়মতে পদোন্নতিৰ কথা উল্লেখ কৰিছে। আমি সন্মানিত সদনত জনাব বিচাৰো যে ১৯৮৭-৮৮ চনৰ ভিতৰত ১৫০০ তকৈ অধিক বিষয়াক পদোন্নতি দিয়া হৈছে আৰু এনে বছৰতে এনেদৰে ইমান সংখ্যক লোকক পদোন্নতি দিয়াৰ আগতে কোনো নজিৰ নাই।

Mr. Speaker : Now, Hon'ble Member Shri Aminul Islam. Will you withdraw your cut motion ?

***শ্ৰীআমিনুল ইছলাম*** ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱ উঠাই লোৱাৰ আগতে মাননীয় গৃহ মন্ত্ৰী মহোদয়ৰ মই এটা দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো। মানকাছাৰ সমষ্টিৰ কেইটামান অঞ্চলত যোৱা কিছুদিন ধৰি হত্যাকাণ্ড চলি আছে। গতিকে মই আশা ৰাখিছো পুলিচ বাহিনী অধিক শক্তিশালী কৰি এই হত্যাকাণ্ড বন্ধ কৰিব পৰা যাব। সেয়ে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি

আকৰ্ষণ কৰি মই মোৰ কৰ্ত্তন প্ৰস্তাৱ উঠাই ললো।

Mr. Speaker: Is it the pleasure of the House to grant leave to withdraw the cut motion?

(Voices: Yes, Yes)

With the leave of the House the cut motion is withdrawn.

Now Hon'ble Member, Shri B. K. Basumatari. Will you withdraw your cut motion?

Shri Binai Khungur Basumatari: I would first like to get a reply from the Hon'ble Home Minister. This morning Hon'ble Member Shri Saikia has referred to the Banargaon incident of Kokrajhar District. Will the Home Minister make dispassionate and neutral enquiry because I havr got some evidence in my hand and place before the House?

**শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, কোকৰাঝাৰত যি ঘটনা সংঘতিত হৈছে সেই ঘটনা সমূহ ৰাজনৈতিক উদ্দেশ্যৰে সংঘতিত হৈছে। আৰু কোনো ৰাজনৈতিক সংঘতিত ঘটনাক চৰকাৰে প্ৰশ্ৰয় নিদিয়ে। গতিকে এই বিষয়ে চৰকাৰে বিবেচনা কৰিব।

Shri Binai Khungur Basumatari: With this assurance I would like to withdraw the cut motion.

Mr. Speaker; Is it the pleasure of the House to grant leave to withdraw the cut motion?

(Voices: Yes, Yes)

With the leave of the House the cut motion is withdrawn.

Now, Hon'ble Member Shri Silvius Condapan. Will You withdraw your cut motion?

**শ্ৰীচিলভিউচ কন্দপানঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে

মোৰ প্ৰায়বোৰ কথাই তেখেতৰ বক্তৃতাত প্ৰকাশ কৰিছে। কিন্তু মোৰ এটা বিশেষ প্ৰশ্নৰ উত্তৰ মই নাপালো। সেইটো হৈছে আৰক্ষী বিভাগত নিযুক্তিৰ ক্ষেত্ৰত পপোলেচন ৰিলেক্স কৰোতে চাহ বাগিছাৰ বনুৱা, ইমিগ্ৰেণ্ট মুছলিম আৰু নেপালিৰ ক্ষেত্ৰত যিটো জনসংখ্যাৰ প্ৰতিফলন হব লাগিছিল সেইটো হোৱা নাই। এই বিষয়ে মন্ত্ৰী মহোদয়ে কিবা স্পষ্টিকৰণ দিব নেকি ?

**শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ** পুলিচ বাহিনীৰ নিযুক্তিৰ ক্ষেত্ৰত মুকলি ঠাইত প্ৰতিযোগিতা মূলক পৰীক্ষা পতা হৈছে। তাত অংশ গ্ৰহণ কৰা সকলৰ প্ৰত্যেকৰে অৰ্হতা চাই নিযুক্তি দিয়া হৈছে। ইয়াত যদি কিবা আসোৱাহ আছে, আমি নিশ্চয় বিবেচনা কৰিম।

**শ্ৰীচিলভিউচ কন্দপান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই পুলিচ বাহিনীৰ ত্ৰুটিৰ কথা কোৱা নাই। মই মূখ্যমন্ত্ৰী মহোদয়ে দিয়া আশ্বাস অনুসৰি চাহ বাগিচাৰ বনুৱা, ইমিগ্ৰেণ্ট মুছলিম আৰু নেপালি সকলৰ শৰীৰ হৃষ্ট পুষ্ট যদিও অৰ্হতাৰ অভাৱত পুলিচ বাহিনীত নিযুক্তিৰ ক্ষেত্ৰত অসুবিধা হয়। এই অৰ্হতাৰ ক্ষেত্ৰত সিঠিল নিয়ম কৰাৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কিবা স্পষ্টিকৰণ দিব নেকি ?

**শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ** মাননীয় সদস্য গৰাকীৰ কথাটো মই বিবেচনা কৰি চাম।

**শ্ৰীচিলভিউচ কন্দপান ঃ** মন্ত্ৰী মহোদয়ে দিয়া আশ্বাসৰ ভিত্তিত মই কৰ্ত্তন প্ৰস্তাবটো উঠাই ললো।

Mr. Speaker: Is it the pleasure of the House to grant leave to withdraw the cut motion.

(Voices : Yes, Yes)

with the leave of the House the cut motion is withdrawn.

Now Mr. Abdul Jabbar. He is absent.

So I put the cut motion that the total provision of Rs. 131,06,41,000 under Grant No. 14 in respect of "Police" at pages 1-61 of Volume II Part V, of the Budget be reduced by Rs. 100·00 the amount of the whole grant of Rs. 131,06, 41.000 do stand reduced to Rs. 100·00

The cut motion is lost,

Now Shri Abdul Jalil. He is absent.

No Mr. Amrit Lal Basumatari. Will you withdraw ?

**শ্ৰীঅমৃতলাল বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো উঠাই লোৱাৰ আগতে মই এটি কথা কব বিচাৰিছো। ইয়াৰ আগত অৱশ্যে বেলেগ সদস্যই এই বিষয়ে কৈছে। আমাৰ কোকৰাঝাৰ জিলাত ল' এণ্ড অৰ্ডাৰ বোলা কথাটো নাইকিয়া হৈ পৰিছে। এই পৰিপ্ৰেক্ষিতত বিশেষ ভাৱে গৃহ মন্ত্ৰী মহোদয়ে চকু দিব বুলি আশা কৰিলো। এইটো চিন্তা কৰিলে ভাল হয় যে মানুহৰ ঘৰ-দুৱাৰ জলাই দিয়াৰ পিচত এতিয়াও মৰা-কটা চলি আছে। এইবাৰ পি, ইউ, পৰীক্ষা দিয়াৰ সময়তে এজনক বেয়াকৈ মাৰিলে, কোন শ্ৰেণী মানুহে মাৰিলে এতিয়াও ধৰিব পৰা নাই। পুলিচৰ 'ইন-ভেচটিগেচন চলি আছে। এইবিলাক যাতে সোনকালে ব্যৱস্থা লব পাৰে তাৰ প্ৰতি গৃহমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি মোৰ কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈছো।

Mr. Speaker : Is lt the pleasure of the House to grant leave to withdraw the cut motion ? (Voices : Yes, Yes)

Mr. Ramendra Dey, are you withdrawing ?

Shri Ramendra Dey : I withdraw the cut motion.

Mr. Speaker : Is it the pleasure of the House to grant leave to withdraw the cut motion ? (Voices : Yes, Yes)

With the leave of the House the cut motion is with drawn.

Now Mr. Charan Narzary. He is absent.

Now I put the cut motion before the House. The motion is that the total provision of Rs. 131,06,41,000 under Grant No. 14 in respect of "Police" at pages 1-61 of volume II, Part V of the Budget be reduced by Rs. 100·00 i. e. the amount of the whole grant of Rs. 131,06,41,000 do stand reduced by Rs. 100·00

The cut motion is lost.

No I put the main motion. The motion is that a sum of Rs. 98,29, 80,000 be granted to the Minister-in-charge to

complete the sum of Rs. 131,06.41,000 necessary to defray the charges which will come in courses of payment during the year ending the 31st March, 1989 for the administration of "Police".

The motion is passed ; the grant is passed.

Now Grant No. 64. Hon'ble Minister, P.W.D.

***শ্ৰীঅতুল বৰা (গড় কাপ্তানী বিভাগৰ মন্ত্ৰী) ঃ*** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজোঁ যে ১৯৮৯ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত 'পথ আৰু দলং' সম্পৰ্কীয় শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ১৩৬,২৮,৮৯,০০০ পৰিমাণৰ টকা সম্পূৰ্ণ কৰাৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ১০২,২১,৭০,০০ টকা মঞ্জুৰ কৰা হওক।

মাননীয় অধ্যক্ষ : এতিয়া মঞ্জুৰী নং ৬৪ ৰ ওপৰত মই মাননীয় সদস্য সকলক কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

***শ্ৰীআমিনুল ইছলাম ঃ*** মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৮-৮৯ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ ষষ্ঠ অংশৰ ৭৮-৯৬ পৃষ্ঠাত থকা পথ আৰু দলং শিতানৰ ৬৪ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ ১৩৬,২৮,৮৯,০০০ টকা এটকালে হ্ৰাস কৰা হওক অৰ্থাত সমুদায় মঞ্জুৰীৰ ১৩৬,২৮,৮৯,০০০ টকালৈ হ্ৰাস কৰা হওঁক।

Shri Binai Khungur Basumatari : Mr. Speaker. Sir, I beg to move that the total provision of Rs. 136.28,89,000 under Grant No. 64 in respect of "Roads and Bridges" at pages 78-96 of Volume II, Part VI of the Budget be reduced by Rs. 1·00, i.e., the amount of the whole grant of Rs. 136,28,89,000 do stand reduced to Rs. 1·00.

Mr. Speaker : Now Mr. Altaf Hussain Mazumdar.

Shri Altaf Hossain Mazumdar : Mr. Speaker, Sir, I beg move that the total provision of Rs. 136,28, 89 000 under Grant No. 64 in respect of "Roads and Bridges" at pages 78-66 of Volume II, part VI of the Budget reduced by Rs. 100·00 i.e.,

the amount of the Whole grant of Rs. 136,28,89,000 do stand reduced to Rs. 100·00.

Mr. Speaker : Now Shri Gopinath Das.

Shri Gopinath Das : Mr. Speaker, Sir, I beg to move that the total provision of Rs. 136,29,88,000 under Grant No. 64 in respect of "Roads and Bridges" at pages 78-96 of Volume II, part VI of the Budget be reduced by Rs. 100·00 i.e., the amount of the whole grant of Rs. 136,28,89,000 do stand reduced to Rs.100·00.

***শ্ৰীঅমৃতলাল বসুমতাৰী :*** মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৮-৮৯ চনৰ মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ ষষ্ঠ অংশৰ ৭৮-৯৬ পৃষ্ঠাত থকা পথ আৰু দলং শিতানৰ ৬৪ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰাৰ দাবীৰ ১৩৬,২৮,৮৯,০০০ টকা এশ টকাৰে হ্ৰাস কৰা হওক অৰ্থাত সমুদায় মঞ্জুৰীৰ ১৩৬,২৮,৮৯,০০০ টকা এশ টকাৰে হ্ৰাস কৰা হওক।

Shri Ramendra Dey : Sir, I beg to move that the total provision of Rs. 136,28,89,000 under Grant No. 64 in respect of "Roads and Bridges" at pages 78-96 of Volume II part VI of the Budget be reduced by Rs. 100·00 i.e, the amount of the whole grant of Rs. 136,28,89,000 do stand reduced to Rs. 100 00

* ***শ্ৰীআমিনুল ইছলাম :*** মাননীয় অধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিছো অসমৰ ৰাস্তা ঘাতৰ ওপৰত আলোচনা কৰিবৰ বাবেই। অসমে উত্তৰ পূৰ্ব্বাঞ্চলৰ ৰাজ্য সমূহৰ মাজত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। অকল উত্তৰ পূৰ্ব্বাঞ্চলৰ ৰাজ্যসমূহৰ ক্ষেত্ৰতে ই নহয়, দেশৰ বাকী অংশৰ লগত যোগাযোগ কৰাৰ একমাত্ৰ মাধ্যম হৈছে এই অসমেই। অসমৰ এই গুৰুত্বপূৰ্ণ অৱস্থালৈ চাই অসমৰ ৰাস্তা ঘাত বিলাক যিদৰে ভাল হব লাগিছিল, সেইদৰে আজি স্বাধীনতাৰ ৪০ বছৰৰ পিছতো ভাল হোৱা আমি দেখিবলৈ পোৱা নাই। স্বাধীনতাৰ পিছৰ কেইবছৰত যি ধৰণে অসমৰ ৰাস্তাঘাত আদি উন্নত হব লাগিছিল সেইদৰে উন্নত হোৱা আমি দেখা পোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, অসম 'জিঅ' পলিটিকেল পইন্টৰ ফালৰ পৰা

* Speech not corrected

এক অতি গুৰুত্বপূৰ্ণ স্থানত অৱস্থিত। অসমৰ চাৰিওফালে শত্ৰুভাৱাপন্ন দেশবোৰ আছে। সেই দেশবোৰৰ দ্বাৰা আমাৰ ৰাজ্যখন তথা দেশৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি স্বৰূপ হৈ আছে। স্বাধীনতাৰ বিগত বছৰ বিলাকত সেইবিলাক দেশৰ লগত যিবিলাক ঘটনা সংঘটিত হৈ গল তাৰ দ্বাৰা আমি সদায়েই এক চিন্তিত অৱস্থাত থাকিব লগীয়া হৈছে। অকল আমাৰ ৰাইজৰ যোগাযোগৰ বাবেই দেশখনৰ নিৰাপত্তাৰ বাবেও এই ৰাস্তাঘাত বিলাকৰ গুৰুত্ব আছে। সেই ফালৰ পৰা উত্তৰ পূৰ্বাঞ্চলৰ ৰাস্তাঘাট বিলাকৰ ভিতৰত অসমে অধিক গুৰুত্ব পাব লাগিছিল। কিন্তু স্বাধীনতাৰ পিছত এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে যি ধৰণে ব্যৱস্থা লব লাগিছিল সেই ধৰণে নললে।

মাননীয় চেয়াৰমেন মহোদয়, যিবিলাক অঞ্চলত ৰাস্তাঘাত বেয়া সেইবিলাক অঞ্চলত কেতিয়াও উন্নয়ন হব নোৱাৰে। অকল অৰ্থনৈতিক ভাৱেই নহয়, সকলো ফালৰ পৰা উন্নয়ন হবৰ কাৰণে প্ৰাথমিক কথাটো হৈছে ৰাস্তাঘাতৰ উন্নয়ন। মাননীয় চেয়াৰমেন মহোদয়, অসমৰ ৰাস্তাঘাতৰ ওপৰেদিয়েই উত্তৰ পূৰ্বাঞ্চলৰ সকলোবিলাক গাড়ী অহা যোৱা কৰে। ফলত যিদৰে অসমৰ ৰাস্তাঘাতৰ ওপৰত অতিৰিক্ত বোজা বহন কৰিব লগীয়া হয়, সেই অনুপাতে অসমৰ ৰাস্তাঘাত আদি তৈয়াৰ কৰা হোৱা নাই। দলঙৰ ক্ষেত্ৰটো সেই একেই অৱস্থা। গতিকে মই আমাৰ চৰকাৰক আজি এই অনুৰোধ কৰিছো যে, এই বিলাক দিশলৈ লক্ষ ৰাখি অসমৰ ৰাস্তাঘাত আৰু দলং বিলাকৰ 'ষ্টেণ্ডাৰ্ড' আৰু অধিক উন্নত কৰিব লাগে।

মাননীয় চেয়াৰমেন মহোদয়, কাঠৰ বৰ্দ্ধিত মূল্যলৈ চাই, অসমৰ বিভিন্ন অঞ্চলত যিবিলাক দলং আছে সেই দলং বিলাক পৰ্য্যায়ক্ৰমে 'কংক্ৰিটৰ' কৰিব লাগে। মাননীয় চেয়াৰমেন মহোদয়, অসমৰ ৰাস্তাঘাত বিলাক অকল আন্তঃৰাষ্ট্ৰীয় দিশৰ পৰাই নহয়, আন্তঃৰাজ্যিক দিশৰ পৰাও সমানেই গুৰুত্বপূৰ্ণ। অসম নগালেণ্ড, অসম মেঘালয়, অসম অৰুণাচল এই ৰাজ্যসমূহৰ লগত সীমাবিবাদ চলি থকা কথাটো সকলোৱেই জানে। এই সীমামূৰীয়া ৰাজ্যসমূহৰ লগত থকা ৰাস্তাঘাত সমূহ উন্নত কৰা হব বুলি আমাৰ চৰকাৰৰ ফালৰ পৰা আমি আশ্বাস পাই আছো। মানকাছাৰলৈ যাবৰ হলে অসমৰ মাজেদি কোনো পোনপটীয়া যোগাযোগ নাই, ৬০ কিলোমিটাৰ মান ৰাস্তা মেঘালয়ৰ মাজেদি নগলে দক্ষিণ শালমৰা বা মানকাছাৰলৈ যাব নোৱাৰি। অসমৰ অবিচ্ছেদ্য অঙ্গ হোৱা স্বত্তেও মানকাছাৰৰ লগত পোনপটীয়া ভাবে যোগাযোগ কৰাৰ বাবে কোনো ৰাস্তাঘাত নথকা কথাটোৰ

কাৰণে যিবিলাক অভিযোগ আছে সেই অভিযোগৰ পৰিপ্ৰেক্ষিতত মই আমাৰ চৰকাৰৰ মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যেন অনতি পলমেই সেই অঞ্চলৰ লগত যোগাযোগ কৰিবৰ কাৰণে ৰাস্তাঘাতৰ ব্যৱস্থা কৰে।

মাননীয় চেয়াৰমেন, গোৱালপাৰাৰ পৰা মানকাছাৰলৈকে এটা ৰাস্তা কৰিবৰ কাৰণে এটা চাৰ্ভে হৈছে বুলি আমি গম পাইছো আৰু ইয়াৰ কাৰণে আমাৰ মাননীয় মূখ্য মন্ত্ৰী আৰু গড়কাপ্তানী বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো আৰু আশা ৰাখিছো যাতে চৰকাৰে আশ্বাস দিয়া আন আন ৰাস্তা-ঘাতৰ নিচিনাকৈ এই ৰাস্তাৰ কাম যাতে বাদ নপৰে। ইয়াৰ বাহিৰেও ৰাজ্য-খনৰ ২৩ খন মেজৰ দলং কংক্ৰিট কৰা হব বুলি যি আশ্বাস দিছে তাৰ ভিতৰত জিঞ্জিৰাম নদীৰ ওপৰত থকা দলংখনো যাতে কৰে এই দাবী মই আমাৰ চৰকাৰৰ ওচৰত ৰাখিছো। এই বিষয়ে বহুতবাৰ মই মূখ্যমন্ত্ৰী আৰু গড়কাপ্তানী মন্ত্ৰীৰ লগত যোগাযোগ কৰিছো আৰু চিঠি পত্ৰৰো আদান প্ৰদান আদি কৰিছো। গতিকে আশা ৰাখিছো এই অঞ্চলৰ পিছপৰা অৱস্থালৈ চাই নিশ্চয় বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

মাননীয় চেয়াৰমেন মহোদয়, আমাৰ দক্ষিণ শালমৰা মানকাছাৰ মহকুমাৰ ৰাইজে বহুদিন ধৰি দাবী জনাই আহিছে যে অসমৰ ভিতৰেদি এই অঞ্চল-টোৰ লগত অসমৰ ডাইৰেক্ট যোগাযোগৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ কাৰণে জিঞ্জিৰাম নদীৰ ওপৰত এখন দলং নিৰ্মান কৰিব লাগে। আজি বাংলাদেশৰ সীমান্ত অঞ্চলত কাইটিয়া তাৰৰ বেৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে, সীমান্ত অঞ্চলৰ ৰাস্তাঘাট উন্নয়নৰ ব্যৱস্থা কৰা হব ধৰিছে— এইটো বেয়া কথা নহয়। কিন্তু আজি মানকাছাৰ দক্ষিণ শালমাৰা অঞ্চলৰ ৰাইজ মেঘালয়ৰ ভিতৰেদি যাব লগা হৈছে, তেওঁলোকে অসমৰ ভিতৰেদি অসমৰ সেই অঞ্চলটোত সোমোৱাৰ কোনো উপায় নাই। মাজতে মেঘালয়ত গণ্ডগোলৰ সৃষ্টি হওতে মই মোৰ সমষ্টিলৈ যাব পৰা নাছিলো আৰু মোৰ সমষ্টিৰ মানুহো অসমৰ আন অঞ্চললৈ আহিব পৰা নাছিল। আনকি ধুবুৰী জিলাৰ উপায়ুক্ত আৰু পুলিচ অধীক্ষকো অনুমতি লৈহে সীমান্ত অঞ্চললৈ যাব পাৰিছিল। চেয়াৰমেন মহোদয়, সীমান্ত অঞ্চলত কাটা তাৰ দি, ৰাস্তা বনাই একো লাভ নাই যদিহে আমাৰ অঞ্চলটোৰ ৰাস্তা ঘাট উন্নত কৰিব পৰা নহয়। জিঞ্জিৰাম নৈৰ ওপৰত দলংখন অতি সোনকালে নিৰ্মান কৰাৰ ব্যৱস্থা চৰকাৰে লব লাগে। মই মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী

মহোদয়ৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিছো এই বিষয়টোৰ ওপৰত। আমাৰ অঞ্চলটোত ৰাষ্টা-ঘাটৰ অসুবিধাৰ কাৰণে সীমান্ত অঞ্চলৰ পৰা চোৰ, ডকাইত আহি সঘনে অত্যাচাৰ কৰি থাকে। গোৱালপাৰা—মানকাছাৰৰ মাজত এটা ৰাষ্টা অতি সোনকালে নিৰ্মান কৰিব লাগে বুলি মই কেইবাবাৰো দাবী উত্থাপন কৰিছো। এতিয়া চাৰ্ভে কৰিছে, মই আশা ৰাখিছো এই কাম অকল চাৰ্ভে পৰ্য্যায়তে শেষ নকৰি এই বছৰৰ ভিতৰতে ৰাষ্টা নিৰ্মানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা কৰিব। মাননীয় চেয়াৰমেন মহোদয়, অসমৰ অন্যান্য জিলা সমূহৰ তুলনাত গোৱালপাৰা আৰু ধুবুৰী জিলাৰ ৰাষ্টা-ঘাট অতি দুখলগা আৰু অতি পিচপৰা। এই দুখন জিলা সামগ্ৰীক ভাবে ৰাষ্টা-ঘাট উন্নয়নৰ দিশত চৰকাৰে যি পৰিকল্পনা লৈছে মানকাছাৰ দক্ষিণ শালমৰাতো তেনে পৰিকল্পনা লব লাগে যোগাযোগ উন্নয়নৰ কাৰণে। আমাৰ মহকুমাটোৰ এতিয়াও শতকৰা ৮০ ভাগ অঞ্চলতে যোগাযোগৰ ব্যৱস্থা নাই। মানুহে খোজ কাঢ়ি বহু দূৰ যাব লাগে। আমাৰ অঞ্চলটোত ৪ কিলোমিটাৰ ৰাষ্টা বনালেই আনি অসমৰ ভিতৰেদি অহা যোৱা কৰিব পাৰিম। মেঘালয়ৰ ভিতৰেদি যাব নেলাগে। (সময় সংকেত)। মাননীয় চেয়াৰমেন মহোদয়, মই মাননীয় মুখ্য মন্ত্ৰী আৰু মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে আমাৰ মহকুমাটোৰ লোকসকলে, অসমৰ এই পিচপৰা অঞ্চলটোৰ লোক সকলে অসমৰ লগত পোনপটীয়াভাবে যোগাযোগ কৰিব পাৰে, অহা-যোৱা কৰিব পাৰে, মেঘালয়ৰ মাজেদি নোসোমাকৈ তাৰ ব্যৱস্থা যাতে সোনকালে কৰে। আমাৰ অঞ্চলটোৰ ৰাষ্টা-ঘাট, দলং ইত্যাদি বনোৱাৰ ওপৰত চৰকাৰে আন্তৰিকতাৰে সহযোগ কৰিব বুলি আশা কৰিলো। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি বক্তব্য সামৰণি মাৰিলো।

Shri B. K. Basumatari : Mr. Chairman Sir, as we see in the records that my cut Motion placed on policy cut, I therefore, would like to bring it to your notice that though we are about to provide 136 crores and several lakhs of rupees, the actual benefit to the people of the State amounts to only 33 crores and 17 lakhs of rupees as placed in this House. Sir, we are today talking about the total allocation

of more than 136 crores but if we refer to the various pages of the Grant we see that the actual amount on plan and execution is approximately 11 crores only and new machineries to the tune of 54 lakhs will be purchased and for repairs and carriages 67 lakhs of rupees will be spent and on this repair and carriage also there is a supervision charge of 1·1 crores. This Department is going to have more than 6 crores of rupees work of stock and they have already earmarked alMost 2 crores i.e. 1.96 lakhs for Advances and the most surprising part is the keeping of more than 8 crores on the suspense account, on TSP on National Highway 1·58 lakhs and district roads 1·11 lakhs and on the rural roads only 1·30 lakhs. Even if we are going to provide more than 136 crores of rupees the actual work in the field level in the entire state will be to the tune of only 33,17 crores. So, Sir, the establishment account of the PWD itself as per my findings on establishment and salaries and TA and others, it is more than 100 crores. Sir, we had expected that this new Government will make a radical change in the policy. We thought that the schemes will be people oriented But we have seen that is not people-oriented. More than 100 crores of rupees are going to be provided for maintenance of people. How can we expect a radical change in the road-communication system of the State ? Our budgeting system is wrong. We have not yet been able to provide benefit to the people of the State. These are the main policy discussion that I am to place. Then, what are the conditions of the roads ? I would like to deal only to my district. It is a new district of Darrang. and there is only one road which

connects the district headquarter. The district H. Q. is connected to the udalguri sub-divisional headquarter through only one road and that road is not a direct one. So, we have a very old road constructed by the British Government named Mangaldoi Bhootiachang road. Everytime when I travel by that road, there is something wrong in my car. Because there are big pot-holes and damages in that road. Towards the fag end of last year, we had seen a little improvement of the road only within Paneri Constituency.

Sir, for the last three years nothing has been done. The new Government has done nothing. Then, sir, river Dhansiri had been diverted in 1978 and as a result of that three bridges between Udalguri Routa have been cut-off and for the last ten years this Department is silent. This department has not done anything. This department has failed and their officers also failed to propose an alternative road or repair these bridges. Not only that, sir, in the last year, one important bridge, connecting the Panery Tea Estate, was completely washed away. The department has constructed a temporary bridge but this will not serve the purpose. I have raised this matter on different occasions in this House and the Hon'ble Minister has assured us for its construction on a permanent basis. But, sir, today in this budget if you go to the head under Lateral Road in one page, then you will find that no allocation has been made. But, sir, this department has failed to pay attention to the rural areas in the State. Not only on this road, but the department has failed to give any attention to other roads equally. Rural roads like Udalguri Kalaigoan Road, Kunderbil-Ambagoan-Puthi-

mari Road, Harisinga-Kalaigoan Road, Bhairobkunda-Udalguri Road and Udalguri Kharupetia Road, are equally neglected and Government have failed to pay any attention on these roads. Sir, all these roads are cut-off from the district headquarters. Sir, you can easily understand the miserable plight of the tribal people living in those areas. How can they improve their economic lot without road communication. Our people produce paddy and other marketable products, like cash-crops etc, but due to lack of road communication, the middlemen take advantage by bringing at low prices on them, They take out their stocks during peak prices only and as a result of that people continue to be poor. This is the fate of our tribal people living in the area. Sir, we do not know whether this new Government has taken a policy to look into the economic aspect of the road communication and I fail to see that. The condition of the only one road in Udalguri sub-division in not improving and as a matter of fact this sub-division has got only one road connecting its district headquarters Mangaldai and that too through Tangla. This is the condition of our roads. How can they expect to improve the economic lot of our tribal people in this way ? These are the things. I wish to bring to the notice of the Hon'ble Minister and to the Government and I hope this Government will change the entire outlook, With these words, Sir, I express my opinion in support of my cut-motion. Thank you, sir.

Shri Altaf Hussain Mazundar : Sir, under the parliamentary system cut motions are brought to criticise the

functioning of the Government and as a matter of fact, it gives the scope to hit the Government where there is corruption. I mean, corruption right from the lower levels to the ministerial levels. But here is a depertmental minister about whom I would like to mention that he is above corruption. Here is a minister about whom even his enemy can not say he is dishonest. Sir, his honesty is unquestionable. Similarly, there is a band of officers right from the Commissioner, Secretary and chief Engineer Addl. chief Engineer who are honest and we can say openly that they are above corruption. Sir, it is a fact that P. W. D. has got certain genuine problems and always we have seen P.W.D. has come up for severe criticism because everybody is directly connected to it. Therefore, sir, I would like to put forward some suggestions and I will try to highlight them briefly. Before I come to that, I would like to point out here that one corrupt officer is going unpunished in the deptt. Sir, Former Executive Engineer of Silchar Road Division has misappropriated about Rs. 2 lakhs in collusion with the Contractor. For constructions of cold weather bridge over Sonai River in spite of our repeated demand to the govt., this officer of is not yet punished. The officer concerned was served letters by the Local M.L.A. to fritter the funds by constructing fail weather bridge just at the comment Rans flood servey. But the Executive Engineer did not payhead to it due his greed for money. I have requested the Hon'ble Minister to enquire into the matter and to take appropriate action against the Executive Engineer concerned and enquiry was assured.

But what has happend to. Every officer know about the misdeed of this officer. But he has somehow managed a a better posting. Transfer is not punishment Rather he has been rewarded by better posting. Here in this connection I would like to say that, justice delayed is justice denied. I, therefore, bring the matter to the notice of the authority once again for apropriate action against this known corrupt officer. Sir, there are genuine mistakes and this may be condoned. But this corrupt officer can not be condoned. Then, sir, with regard to other problems, I would like to submit that our working season is very short compared to the Northern India. Therefore, our works should be started much ahead of time. It should not be started just as the fag end of the year. This is not only the position in my constituency. This is the position everywhere and in all constituencies. Therefore, sir, my suggestion is that the 'Monitoring Cell' of the P.W.D. should see that the estimates are drawn up timely and sent to the S. Es and other levels without least delay. They should also see that these are not held up for undue longer period. There should be a 'follow up action' also. Secondly with regard to repairing works. We all know that the cost of repairing has gone up. As a result of that, wages of the master-roll labourers have also gone up. But here in repairing works, there is a lot of corruption at the lower levels. Therefore, sir, in this connection my suggestion is that let there be a separate head for master-roll labourers payment and repair grant should be given seperately. With regard to the repairing head, the amount that has been allotted is too meagre.

I would, therefore, request the Hon'ble Minister to enhance the amount under the head. Then, thirdly, we are constructing new roads in the P.W.D. This is onr national asset. But unfortunately we are spending for new roads something more. So let there be a check on the wastage of money so that fund may be properly used. Now Sir, new roads are made side by side but old roads are not maintained properly. If we ask for providing money for the repair, the answer will be that there is no fund. Again Sir, when certain repair works are taken up the other side of the road is blocked and as the repair could not be completed the road remained closed. The plea is that there is no fund. Sir, this is contradictory. Sir, you will see that while the roads are put under repair, the bridges remained closed for being not repaired. Sir, let there be a holidy for a year for the new roads. Let the funds be used for repairing roads. These roads should be properly maintained at the right time. One stick in time saves nine. The whole roads becomes destabilised to went of repair. So, let there be a holidy in a year for the new roads. Sir, in my own constituency, there is a bridge requiring repair, which could not yet be done and as a result the road has to be blocked. The roads once made, it should be maintained properly. Government is to see that these roads are not blocked for long.

Next, Sir, it is not possible to have all bridges made concrete out of state funds. So, Government may think of getting institutional finance to get the bridges concrete made instead of timber bridges. Sir, if we go on repairing

the timber bridges for all the years, there will be collosal loss of money and there will be some henki penki. I put to the Hon'ble Minister to clarify what is meant by OMNP. This is just for the information to us Hon'ble Minister, P.W.D. I just refer to one road. It brooks no delay and that is why I am referring so that Hon'ble Minister may take up BORKHOLA PHASE II Embankment. Sir, another thing I understand that the survey is going for 3rd bridge over River Barak on Shillong Silchor Road near about Rani ferrys. Then trafic over BORKHOLA phase II will be increased by ten times, for which some amounts are to be found. The embankment, i.e. phase II under Silchar BORKHOLA should take over by P.W.D. immediatly. With this humbl suggestion I will conclude. Honesty at the higher level will be maintained officers at lower level. Thank you sir.

★ **শ্ৰীগোপী নাথ দাস :–** মাননীয় সভাপতি মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুষাৰমান কবলৈ থিয় হৈছো। মহোদয়, অসমৰ পথ আৰু দলংৰ অৱস্থা কেনেকুৱা আমি সকলোৱে অভিজ্ঞ। তথাপি যদি এই পথ আৰু দলংবিলাক কৰিব পৰা নাযায় তেনেহলে আমি ভাবো অসমৰ উন্নতিত যথেষ্ঠ অসুবিধা হব। কাৰণ দেশখনৰ উন্নয়ন ৰাষ্টঘাটৰ যিটো উন্নয়ন সেই উন্নয়নত বহুপৰিমানে নিৰ্ভৰ কৰে। অসমখন উত্তৰ পূৰ্ব্বাঞ্চলৰ এখন গুৰুত্বপূৰ্ণ অঞ্চল আৰু এইখন আৰু এইখন ৰাজ্যৰ ওপৰেৰে নগালেণ্ড, মেঘালয়, অৰুনাচল প্ৰদেশ, মিজোৰাম আদি ৰাজ্যলৈ ভাৰতৰ অন্য ৰাজ্যৰ পৰা যাব খুজিলে এইখন ৰাজ্যৰ মাজেৰে যাব লাগে। সেই হিচাপে অসমৰ পথ আৰু দলংৰ যিমান পৰিমানে উন্নতি হব লাগিছিল মই ভাবো সেই হিচাৰে উন্নতি হোৱা নাই। একমাত্ৰ দুটা নেচনেল হাইওৱেৰ বাহিৰে এই দুখন ৩১ নং নেচনেল হাইওৱে আৰু ৩৭ নং নেচনেল হাইওৱেৰ বাহিৰে ভাৰতৰ অন্য ৰাজ্যৰ লগত অসমক সংযোগ কৰা আৰু কোনো পথ নাই। এই হাইওৱে দুটাৰ

Speech not corrected.

অৱস্থাও কিমান ভাল অলপ বাহিৰলৈ লক্ষ্য কৰিলেই গম পোৱা যায়। কিছুমান ঠাইত ৰাস্তা বেয়া হোৱাৰ কাৰণে কেতিয়াবা এঘণ্টা দুঘণ্টা ট্ৰেফিক জাম লাগি যায়। তথাপিও এইবিলাকৰ মেৰামতি কৰা খুব এটা চকু দিয়া হৈছে বুলি মই নাভাবো। গড়কাপ্তানি বিভাগত কিছুমান ফাণ্ড আছে এম-এন পি বুলি। এই ফাণ্ডখিনি বিধায়ক সকলে ইঞ্জিনিয়াৰৰ লগত আলোচনা কৰি বিতৰণ কৰে। কিন্তু নতুন ৰাস্তা এক্সটেণ্ড বা কনষ্ট্ৰাকছন কৰিব বিচাৰিলে এই এম-এন-পিৰ ফাণ্ড ইমান কম যে প্ৰয়োজন অনুপাতে এই টকা একদম নগন্য। গতিকে এম-এন-পি হেডত টকা যাতে বৃদ্ধি কৰিব পাৰি তাৰ কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। চাৰ লগতে আমাৰ তাত যিবিলাক এম-এন-পিৰ ৰাস্তা আছে সেইবিলাকৰ অৱস্থা অত্যান্ত বেয়া আৰু দুখ লগা আৰু যিবিলাক ৰাস্তা আগতে নিৰ্মান কৰা হৈছিল সেইবিলাক মেৰামতি কৰিবৰ কাৰণে এটা স্পেচিয়েল ফাণ্ডৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি এই এম, এন, পিৰ ৰাস্তা বিলাকত যাতে মটৰ-গাড়ী চলাচল কৰিব পাৰে সেই বিষয়ে মন্ত্ৰী মহোদয়ে লক্ষ্য কৰিব লাগে। আমাৰ অসমত বেচি ভাগ দলং কাঠৰে নিৰ্মান কৰা। চাৰ আপুনি নিশ্চয় জানে আজিকালি শালকাঠৰ নাটনি আৰু যি অলপ অচৰপ পাই তাৰ দামো অত্যন্ত, প্ৰায় ১৫০ টকা কেবিত। এই কাঠৰ দলংবোৰ স্থায়ী নহয়, দুই বা তিনি বছৰৰ পিচত এই দলংবোৰ মেৰা-মতি নকৰিলে ইয়াৰ ওপৰেদি চলাচল কৰিব পৰা নহব। সেইকাৰণে মই মন্ত্ৰী মহোদয়ক এই কাঠৰ দলংবিলাক পৰ্য্যায়ক্ৰমে আৰ, চি চি দলংলৈ ৰূপান্তৰ কৰাৰ কাৰণে আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো। এই কাঠৰ দলংবিলাক থকাৰ কাৰণে ইঞ্জিনিয়াৰ এচ, ডি, অ সকলৰ একপ্ৰকাৰ মজা হৈছে। কাৰণ তেওঁলোকে ৰিপেয়াৰিংৰ নামত লাখ লাখ টকা মিচ-ইউজ কৰিব পাৰে। এখন কাঠৰ দলং নিৰ্মান কৰাৰ পাছত বা মেৰামতি কৰাৰ পাচত তিনিমাহ নৌ হওতেই আকৌ মেৰামতি বা ভাল কৰা দেখুৱাই মিচ-ইউজ কৰে। এই গড়কাপ্তানী বিভাগত কাম কৰা যি সকল বিষয়া কৰ্মচাৰী আছে, বিশেষকৈ জুনিয়ৰ ইঞ্জিনিয়াৰ আছে এই জুনিয়ৰ ইঞ্জিনিয়াৰ সকলৰ কিছুমানে ২০।২৫ বছৰ কাম কৰিছে যদিও তেওঁলোকৰ প্ৰমোচনৰ ব্যৱস্থা চৰকাৰে কৰা নাই। এই ক্ষেত্ৰত চৰকাৰী বিষয়া কৰ্মচাৰী সকলৰ যিবিলাক অভাৱ-অভিযোগ আছে, সেইবিলাক ক্ষেত্ৰত নজৰ দিব লাগে। কাৰণ সেই

বিষয়া কৰ্মচাৰী সকল চৰকাৰৰ মেচিন্যাৰী। এই খিনিতে মই মোৰ সমষ্টিৰ দুই-এটা অভাব-অভিযোগৰ কথা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিছো। মোৰ সমষ্টিৰ শিঙৰা-হেকৰা, নগৰবেৰা শিমলুতুলা এই ৰাস্তাটো অতি গুৰুত্বপূৰ্ণ ৰাস্তা। গুৱাহাটি আৰু বৰপেটা গোৱালপাৰা এই তিনিখন মহকুমা এই ৰাস্তাটোত সংযোগ হৈ আছে আৰু এই ৰাস্তাটো ১৯৬৫ / ৬৬ চনত নিৰ্মান কৰা হৈছিল কিন্তু আজিলৈকে এই ৰাস্তাটোৰ ওপৰত ব্লেক টপিং কৰা সম্পুৰ্ণ হৈ নুঠিল। যোৱা দুবছৰৰ পৰা এই ৰাস্তাটোৰ কাম চলি আছে। ১৯৮৫ / ৮৬ আৰু ১৯৮৬ / ৮৭ চনত ইয়াৰ কিছু কাম কৰিছিল। সেয়েহে এই ৰাস্তাকেইটা চৰকাৰে গুৰুত্ব সহকাৰে আৰু অগ্ৰাধিকাৰৰ ভিত্তিত ব্লেক টপিং কৰাৰ ব্যৱস্থা কৰিব লাগে যাতে এই অঞ্চলৰ জনসাধাৰণৰ যাতায়তৰ ক্ষেত্ৰত এটা সুচল ব্যৱস্থাৰ সৃষ্টি কৰিব পাৰে। এই বিষয়টোৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। তাৰোপৰি মোৰ সমষ্টিৰ মেঘালয় আৰু অসমৰ বোৰ্ডাৰ এৰিয়াত বহুখিনি পৰিছে। কিন্তু এই এৰিয়াটোত বোণ্ডাপাৰা-বৰচুং ৰাস্তাটোৱেই একমাত্ৰ যোগাযোগৰ ৰাস্তা। চৰকাৰে এন, ই, চিৰ জৰিয়তে এই এই ৰাস্তাটো পকী কৰাৰ ব্যৱস্থা কৰিলে ভাল হয়। আৰু এটা ৰাস্তা হৈছে নগৰবেৰা টিপকাই ৰাস্তা। এই ৰাস্তাটোৱে গোৱালপাৰা আৰু কামৰূপ জিলাক সংযোগ কৰিছে, কিন্তু দুৰ্ভাগ্য নে সৌভাগ্য কব নোৱাৰো। এই ৰাস্তাটোক এটা নদীয়ে ভাগ কৰিছে, ৰাস্তাটোৰ এফালে কামৰূপ আৰু আনফালে গোৱালপাৰা। গতিকে ৰাস্তাটোৰ ওপৰত দলং দিয়াৰ ক্ষেত্ৰত কামৰূপ জিলাৰ গড়কাপ্তানী বিভাগে কয় এইটো আমাৰ ডিভিজনত নপৰে আৰু থিক তেনেধৰণে গোৱালপাৰাই কয় আমাৰ ডিভজনত নপৰে। এইটোকে লৈ এটা সমস্যা হৈছে। গতিকে মন্ত্ৰী মহোদয়ে এটা স্পেচিয়েল ফাণ্ডৰ জৰিয়তে এই দলংখন নিৰ্মান কৰাৰ ব্যৱস্থা কৰে তেতিয়াহলে এই দলংখন নিৰ্মান কৰা সমস্যাটো সমাধান হব। তাৰোপৰি মোৰ সমষ্টিত থকা চমৰীয়া-সোনতলী ৰাস্তাটো বহু দিনৰ পুৰণি ৰাস্তা, এই ৰাস্তাটো ১৯৬৭ চনতে নিৰ্মান কৰা হৈছিল কিন্তু আজিলৈকে মটৰগাড়ী চলাবৰ বাবে উপযোগী হৈ উঠা নাই। গতিকে মন্ত্ৰী মহোদয়ে এই ৰাস্তাটো বিভাগীয় বিষয়াৰ জৰিয়তে উন্নত কৰি গাড়ী চলাচলৰ কাৰণে উপযুক্ত কৰি তোলে তেতিয়াহলে সেই অঞ্চলৰ জনসাধাৰণ যথেষ্ট উপকৃত হব। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ

সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ শ্ৰীঅমৃত লাল বসুমতাৰী

* **শ্ৰীঅমৃত লাল বসুমতাৰী ঃ—** মাননীয় সভাপতি মহোদয়, গড়কাপ্তানী বিভাগটোৰ বিষয়ে আমি সকলোৱে জানো। এই বিভাগটো আমাৰ দেশৰ তথা ৰাইজৰ কাৰণে গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগটোৰ জৰিয়তে আমাৰ ৰাস্তা-ঘাট বিলাক কেনে ধৰণে উন্নত কৰি ইয়াৰ জৰিয়তে ৰাজ্যখনক সকলো ফালৰে পৰাই কেনে ধৰণে আগুৱাই নিব পৰা যায় আমি সকলোৱে বুজিছো। অসমত আমাৰ ৰাস্তা-ঘাটৰ অৱস্থা কেনেধৰণৰ এই কথাটো আমি সকলোৱে জানো। মই অৱশ্যে এই দুৰবস্থাৰ কাৰণে মন্ত্ৰী মহোদয় তথা বিভাগক দোষাৰোপ কৰিব বিচৰা নাই। আমাৰ এটা ডিফিকালটি আছে, বানপানী আদি প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণে বহুতো ৰাস্তা-ঘাট দলং ইত্যাদি উৰলী যায়। আমাৰ এই বিভাগটোৰ কাৰণে যিখিনি টকা-পইচা ধাৰ্য্য কৰা হৈছে সেই টকা-পইচা খিনি যাতে ভালধৰণে খৰচ হয় তাৰ কাৰণে মন্ত্ৰী মহোদয়ক অনু-ৰোধ জনাই থব খুজিছো। এই ক্ষেত্ৰত আমাৰ অসমত প্ৰত্যেক বছৰে বানপানী হয় আৰু এই বানপানীত যিখিনি ৰাস্তা-ঘাট দলং ইত্যাদি নষ্ট হয় সেইখিনি মেৰামতি কৰিবৰ কাৰণে যিখিনি টকা-পইচা অনুমোদন কৰা হয় সেইখিনি অলপ ভালকৈ দিষ্ট্ৰিবিউশ্যন হলে কিছু উন্নত হব বুলি ভাবো। আমাৰ কোকৰাঝাৰ জিলাৰ বহুতো ৰাস্তা-ঘাট ব্যৱহাৰ কৰিব নোৱাৰা হৈ আছে। সেই ৰাস্তা-ঘাট বিলাক মেৰামতি কৰিবৰ কাৰণে এফ, দি, আৰৰ পৰা কিমানখিনি টকা দিয়া হৈছে সেইটো আমি নাজানো। নজনাৰ অধিকাৰ অৱশ্যে আমাৰ নাছিল, আমি বিৰোধী পক্ষৰ সদস্য হোৱাৰ কাৰণেই একো গম নাপাও। কোনটো ৰাস্তাত কেনেধৰণে কাম কৰিছে সেই বিষয়ে আমি গম নাপাও। আমাৰ জিলাত যিহেতু মন্ত্ৰী নাই সেয়েহে এক কথাত কবলৈ গলে এই বিভাগটোৰ মুৰব্বী এক্সিকিউটিভ ইঞ্জিনিয়াৰ আৰু চুপাৰ ইনটেনদেন্ট ইঞ্জিনিয়াৰক মন্ত্ৰী বুলি কলে বঢ়াই কোৱা নহয়। তথাপিতো যিখিনি কাম হৈছে ৰাইজৰ কাৰণে ভাল হোৱা বুলিয়েই ভাবিছো। এতিয়া মোৰ সমষ্টিৰ ভিতৰৰ আৰু ওচৰে পাজৰে থকা দুই এটা ৰাস্তাৰ বিষয়ে অৱগত কৰিব বিচাৰিছো। ইয়াৰ ভিতৰত ভাওৰাগুৰি-কচুগাও, এই ৰাস্তাটো বহু দিনৰ

* Speech not corrected

পৰাই গড়কাপ্তানী বিভাগে টেক-আপ কৰিছিল। কিন্তু পাটাকাটালৈ মাত্র ১০ কিলোমিটাৰ ৰাস্তাহে ব্যৱহাৰ হয় আৰু তাত বাছ চলে । এই ১০ কিলো-মিটাৰ ৰাস্তাৰ বাহিৰে তাত বাছ চলাচল কৰিব নোৱাৰি। বাকী অঞ্চলত মাত্র উইনটাৰ চিজনতহে গাড়ী চলাচল কৰিব পাৰে। আমাৰ তাত গড়কাপ্তানী ৰাস্তাৰ বেচিভাগ ঠাইত ৫ ফুটলৈকে বাৰিষা পানী হয় গতিকে বাৰিষা কালত সেই ৰাস্তাবিলাক ফিচাৰী ডিপাৰ্টমেণ্টক দি দিয়াই ভাল। গোসাইগাও-ধুবুৰী ৰাস্তাটোত মেইনটিনেন্সৰ কাৰণে কোনো গ্ৰেভেল ইত্যাদিৰ ব্যৱস্থা হোৱা নাই। বৰষুণৰ দিনত ৰাস্তাটো সমূলি নষ্ট হৈ যায়। আমাৰ ৰোড-কমিউনি-কেশ্যন বোৰ্ডৰ যিবিলাক কমিটি হয় তাত হাইচাউনদিং কিছুমান প্ৰস্তাৱ লোৱা হয় কিন্তু প্ৰেকটিকেলি তাৰ কোনো কাম হোৱা নাই। এইবাৰ সেই মিটিংও হোৱা নাই। আমাৰ কোকৰাঝাৰলৈ যাব পৰা এটা চমু ৰাস্তা আছে। সেই ৰাস্তাৰে অহা যোৱা কৰিলে মাত্র আধা ঘণ্টাতেই জিলা হেডকোৱাটাৰলৈ যাব পাৰি কিন্তু সেই ৰাস্তাটো যাতায়তৰ বাবে উপযোগী নোহোৱাৰ কাৰণে আমি ন্যাশনেল হাইওৱেৰ প্ৰায় ৭৫ কিলোমিটাৰ ৰাস্তা অতিক্ৰম কৰি জিলা হেডকোৱাটাৰলৈ আহিব লগা হয়। মাত্র সৰু সুৰা গাড়ী জীপগাড়ী ইত্যাদি কোনো প্ৰকাৰে যাব পাৰে। বহুতে এতিয়াও তাৰ পৰাই অফিচ কৰে। মই নতুন ৰাস্তাৰ প্ৰস্তাব দিব খোজা নাই। এই প্ৰস্তাবটো সমাধা হলে কাম-বিলাক সহজে কৰিব পৰা গ'লহেতেন। ৰাস্তাতো যদি নহয় তেনেহলে বদনাম মোৰ নহয় বদনাম চৰকাৰৰেই হব। মোৰ সমষ্টিৰ আশে-পাশে কিছুমান অস-ম্পূৰ্ণ ৰাস্তা আছে। সেই ৰাস্তাবিলাক পুৰণি ৰাস্তা। এতিয়া সেই বিলাক ৰাস্তাহে ভাল কৰিব লাগে। নতুন ৰাস্তা লোৱাৰ পৰিবৰ্তে সেইবিলাক ৰাস্তাহে ভাল কৰিব লাগে। সেই ৰাস্তাবিলাক হ'ল— ভাউৰাগুৰি-কচুগাওঁ, ভাউৰাগুৰি-গৰুফেলা, যোগদৈ-ফকিৰা, শিথিলা-ফকিৰা, কাচিমাৰী-কচুগাওঁ। ভাওৰাগুৰিৰ পৰা ডটমালৈ যিটো ৰাস্তা আছে তাত গঙ্গীয়াৰ ওপৰত এখন ব্ৰীজ দিব লাগে। সেইদৰে তুলসিবাৰীৰ পৰা প্ৰতাপকাতালৈ যোৱাৰ পথত বৰকাবিলৰ ওপৰত এখন দলংৰ প্ৰয়োজন। কুহিনাৰীৰ পৰা বড়লালৈ যোৱা পথটো ভাল কৰিব লাগে। বৰকাবিলৰ ওপৰত ৯৫ মিটাৰৰ এখন ব্ৰীজ লাগে বুলি কোৱা হৈছে। আগৰ চৰকাৰৰ দিনত ২০০০০০ মিটাৰ হৈছিল আৰু এতিয়ালৈকে ৩০ মিটাৰহে হৈছে। আগৰ চৰকাৰে প্ৰত্যেক ইলেকচনৰ আগে আগে ১০

মিটাৰকৈ কৰিছিল। এই কামখিনি সোনকালে সম্পুৰ্ণ নকৰিলে আগৰখিনিও বেয়া হৈ যাব। গতিকে মই ভাবো ব্ৰীজ কমপ্লিট কৰিবলৈ হলে টেকঅভাৰ কৰিব নালাগে। এবাৰ আৰম্ভ কৰিলে তাক সম্পুৰ্ণ শেষ কৰিব লাগে। মই আশা কৰো এইটো সম্পুৰ্ণ কৰিব। কাচিমাৰী পি, ডব্লিউ, ডিৰ ৰাস্তাটোও যোৱা বানপানীয়ে নষ্ট কৰিলে। তাৰ পৰা যিটো চমু ৰাস্তা আছে (চাব ওৱে আছে) তাত বোলে টেণ্ডাৰ হৈ গৈছে। কিন্তু ৰাস্তাটো আজি তিনি মাহ হ'ল কাম আৰম্ভ কৰাই নাই। আনহাতেদি মেইন ৰাস্তাটো বন্ধ হৈ যাব। সৰু সৰু গাড়ী সেই ৰাস্তাটোৰে চলাচল কৰিছিল কিন্তু এতিয়া সেইটো ৰাস্তাও বন্ধ হৈ যাব। আমাৰ জিলাখন সমস্যা বহুল জিলা। আমি বিধায়ক সকলে দাবী কৰি একো কৰিব নোৱাৰো। আবচুৰ স্মাৰক পত্ৰত ২০ দফীয়া দাবী চনদত লিখিছে তাত পি, ডব্লিউ, ডিৰ কাম বিলাক ভাল হোৱা নাই। তেওঁলোকে এই কাম বিলাক ভালকৈ কৰিব লাগে বুলি জনাইছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যিখিনি টকা আমাৰ চৰকাৰৰ হাতত আছে সেইখিনিকে ভালদৰে বিতৰণ কৰি যিখিনি কাম হাতত লৈছে সেইখিনি ভালধৰণে কৰিব লাগে। চেয়াৰমেন মহোদয়, যোৱা বছৰ আমাৰ সেই অঞ্চলত বহু সংখ্যক দলং বানপানীত বিধ্বস্ত হ'ল, বহু ৰাস্তা নষ্ট হ'ল সেই বিলাকৰ পূনৰ নিৰ্মানৰ কাৰণে কোনো কোনো ঠাইত কাম বিলাকৰ এলটমেণ্ট হ'ল বুলি জনাইছে কিন্তু আমি একো গম পোৱা নাই। বিধায়ক হিচাবে আমি কিন্তু এলটমেণ্টৰ কথা জানিব লাগিছিল। দুখৰ বিষয় ৰাজহমন্ত্ৰীয়ে তাত বানপানী হোৱা নাই বুলি কৈছে কিন্তু চৰকাৰৰ জনসংযোগ বিভাগে প্ৰকাশ কৰা পুস্তিকাখনত ৰেইলওৱে লাইনলৈকে বানপানী হৈছে বুলি কৈছে। গতিকে বানপানী হোৱা নাই বোলা কথাটো সত্য নহয়।

চেয়াৰমেন মহোদয়, আমাৰ ৰাস্তাঘাট নিতান্ত বেয়া। আমাৰ ইয়াত বৰষুণ যথেষ্ট হয়। আমাৰ জিলাখন সৰু আৰু দুটা ডাঙৰ ফৰেষ্ট ডিভিজন আছে। ইয়াৰ পৰা অনুমোদন কৰিব পাৰি। আমাৰ জিলাত কি ধৰণে বৰষুণ হয় তাক চাব বুলি মই অনুৰোধ কৰিছো। এই ক্ষেত্ৰত এটা নতুন চিন্তাধাৰা দিব পাৰিলে ভাল আছিল। আমাৰ বাজেটত দেখিবলৈ পাইছো যে দৰমহাৰ ক্ষেত্ৰত আৰু অফিচ মেইনটেইনৰ ক্ষেত্ৰত শতকৰা ৬০ ভাগ খৰচ হয়। আনহাতে শতকৰা ৪০ ভাগ ৰাস্তাৰ কাৰণে দিবলগীয়া হয়। ইয়াৰ

ভিতৰত ঠিকাৰ ফালৰপৰা কিমান ৰাস্তা বনাব পাৰে, কোন ৰাইজক দিবপৰা হয় সেই কথাটো চিন্তা কৰিব লাগে। যদি কণ্টেক্ট চিষ্টেমটো উঠাই আৰ, এল, ই, জি, পিৰ নিচিনা নিবনুৱা কৃষক সকলক কাম কৰিবলৈ দিয়া যায় তেতিয়াহলে ৰাইজ উপকৃত হব আৰু কণ্ট্ৰেক চিষ্টেমটোও উঠি যাব বুলি মই ভাবিছো। বিশেষকৈ পি, ডবলিউ, ডিত কাম কৰিবলগীয়া হোৱাৰ কাৰণে শতকৰা ৫০ ভাগ ৰাইজে পাব বুলি মই ভাবো।

চেয়াৰমেন মহোদয়, আজি মই নতুন দাবী কৰি চৰকাৰক ধাৰ দিবলৈ কোৱা নাই। আমাৰ জিলাত নহয় গোটেই অসমতে যিখিনি ৰাস্তা আছে সেইখিনি যদি ভাল কৰিব পাৰো, তেতিয়াহলে ভাল হব বুলি মোৰ বিশ্বাস। যোৱা বছৰ আমি মাননীয় মন্ত্ৰী মহোদয়ৰপৰা শুনিছিলো যে আমাৰ ৰাজ্যত শতকৰা ৫০ ভাগ ব্লেক টপিং হৈছে। হাৰিয়ানা আদি অন্যান্য ৰাজ্যত শতকবা ৭০ ভাগ ব্লেক টকিং হৈছে। এই বছৰ আমাৰ ৰাজ্যত কিমান ব্লেক টপিং হ'ল, তাক মই জানিব বিচাৰিছো। বিহাৰ, হাৰিয়ানা, ইউ, পি, আদি ৰাজ্যতকৈ আমাৰ আসামত ৰাস্তাৰ ব্লেক টপিং নিতান্ত প্ৰয়োজন। এই ক্ষেত্ৰত আমাৰ চৰকাৰে যদি চেণ্ট্ৰেলৰ লগত যোগাযোগ কৰিব লগা হয়, তেতিয়াহলে তেওঁ-লোকক জনালে ভাল হয়। আমাৰ জিলাখন যিহেতু অৱহেলিত হৈ আছে, এ, জি, পি, চৰকাৰৰ দিনত সেইটো উন্নত হব বুলি মই অনুৰোধ কৰি মোৰ বক্তব্য সামৰণি মাৰিছো।

***শ্রীরামেন্দ্র দে ঃ*** মাননীয় চেয়ারম্যান মহোদয়, গড়কাপ্তানী বিভাগের উপর যে কর্তন প্রস্তাব এসেছে এর উপর কয়েকটি কথা আমি বলতে চাই। প্রথমে আমার প্রশ্ন হলো যে গড়কাপ্তানী বিভাগর জন্য প্রস্তাবিত যে মঞ্জুরী এ বত্সর'র জন্য ধরা হয়েছে—তা রাজ্যের রাস্তাঘাটগুলি মেরামতের জন্য যথেষ্ট কি না? যদি আমরা গত বত্সরের অনুমোদিত বাজেট এবং এই বত্সরের প্রস্তাবিত বাজেটের হিসাব করি তাহলে দেখতে পাব যে এই বত্সরে মাত্র ৩৩ কোটী টাকা মূলতঃ রাজার মেরামতি এবং নতুন রাস্তাঘাটের জন্য ধরা হয়েছে যা প্রয়োজনের তুলনায় অত্যন্ত কম। এই প্রসঙ্গে মাননীয় সদস্য শ্রীবিনয় খুঙ্গুর বসুমতারী মহাশয় বলেছেন। আমি আর তার পুনরাবৃত্তি করতে চাই না। আমি শুধু বলব যে গত বত্সরের বরাদ্দকৃত যে টাকা সেই টাকার কত অংশ রাজ্যের রাস্তাঘাট মেরামতির জন্য খরচ করা হয়েছে? যদি আমরা

প্রত্যেক ডিষ্ট্রিক্ট লেভেল প্ল্যানিং সেলের ( District level planning cell ) রিপোর্ট অনুধাবন করি তাহলে দেখতে পাই যে ১৯৮৭-৮৮ ইংরাজীতে আসাম রাজ্যের ১১টি জিলাতে গড়ে ৫ মাস করে যান-বাহন বন্ধ ছিল। তার অর্থ এই দাড়ায় যে বত বত্‌সরের বরাদ্দকৃত অর্থের মাত্র শতকরা ৩০ ভাগ টকা খরচ হয়েছে। আর এখন এই ৩৩ কোটী টাকা হাতে নিয়ে রকেয়া ৭০ ভাগ কাজ এবং এই বত্‌সরের শতকরা ১০০ ভাগ কাজ করতে হলে প্রস্তাবিত মঞ্জুরী ১৭০ গুণ বাড়িয়ে দিতে হবে। তাহলে আশাকরি আসামের রাস্তাঘাটের মেরামতির কাজ আংশিক সম্পূর্ণ হবে। মহোদয়, আমার প্রশ্ন হলো যে ১১টি জেলার ষ্টিয়ারিং কমিটী এবং রিভিউ কমিটীর রিপোর্টগুলি দেখলে এই সিদ্ধান্তে উপনীত হতে হয় যে ৬ মাস গড়ে সমস্ত রাস্তাঘাট বন্ধ ছিল এবং সেই হিসাবে দেখা যায় যে আসলে মঞ্জুরীকৃত অর্থের শতকরা মাত্র ৩৩ ভাগ টাকা ব্যয় করা হয়েছিল। কংগ্রেসের প্রাক্তন গড় কাপ্তানী মন্ত্রী গণ পরিষদের বর্তমান গড় কাপ্তানী মন্ত্রীকে যে বিরাট চার্টিফিকেট দিয়েছেন যে তিনি অত্যন্ত সততা সম্পন্ন মন্ত্রী। ব্যাপারটা সন্দেহজনক। আমার আরও বেশী সন্দেহ হচ্ছে কারন কংগ্রেসের এই প্রাক্তন মন্ত্রী সবে মাত্র দিল্লী ঘুরে এসেছেন। আসলে, মহোদয়, রতনে রতন চেনে। বড় বড় অফিসাররা প্রায়ই বলে থাকে যে এই গড় কাপ্তানী মন্ত্রী অত্যন্ত সত্‌। জানিনা এই প্রচারের কোনো উদ্দেশ্য আছে কি না। কিন্তু এই মন্ত্রীকে উদ্দেশ্য করে আসাম রাজ্যের ৬টি জেলা থেকে ১১টি রিপ্রেজেন্টশন পেপার কাটিং সহ ( With some paper cuttings ) রাজ্যপালের কাছে দেওয়া হয়েছিল। কিন্তু আজ পর্যন্ত এই ব্যাপারে কোন তদন্ত হয়নি। Not now, but I shall submit it to the Hon'ble Minister through the Hon'ble Chairman. চেয়ারম্যান মহোদয়, This O. M. M P. it is signed by the Deputy Secretary to the Government of Asssam, P.W.D. it is a process, a system, as per the Administrative Manual, it is signed by the Deputy Secretary, and Deputy Secretary authenticated it and the list in prpared by the Government itself where we find under T.S.P. head. যে টি এস পি হেডে এ ধেমাজি বাদ দেওয়া হয়েছে।

কোকড়াঝার বাদ গিয়েছে। কোকড়াঝাড়ের কংগ্রেস (এস) সদস্য বলেছেন। তিনি অবশ্য মন্ত্রীর জন্য আগ্রহী। রাস্তার জন্য নয়। টি এস পি থেকে বরপেটা, মর্থ লক্ষীমপুর বাদ পড়েছে। এই সব সিডিউলড্ কাষ্ট এরিয়া বাদ পড়েছে। আর কাছাড় জেলাতো পুরোপুরি বাদ পরেছে। করিমগঞ্জ বরপেটা রোড্ এ মাত্র তিনি হাজার টাকার অনুদান দেওয়া হয়েছে। Specifically road from Bundari, that B.B. Road to Bhanugaon. মাত্র ২০ হাজার টাকা, Road to Pathsala মাত্র ৫ হাজার টাকা। এইসব এরিয়াতে কোনও সিডিউলড্ কাষ্টের লোক বসবাস করে না। বর-পেটায় যে সব রাস্তা দেওয়া হয়েছে তার আশে পাশে Major link road, This Pathsala Sarthebari road কতটা নাম লিংক করবে ? তার জন্য ২৪ হাজার টাকা দেওয়া হয়েছে। সেখানে অনুসূচীত জাতির লোকের বস-বাস নাই। এইভাবে কামরূপ জেলায়ও হয়েছে। করিমগঞ্জে যে রাস্তা দেওয়া হয়েছে জানিনা মুসলমানদের মধ্যে অনুসূচীত জাতি আছে কি না সেখানে কেবল মুসলমান লোকের বাস। একটিও অনুসূচীত জাতির লোক থাকে না। Black Topping সেটা কন্সিডার করা যায়। ঠিক তেমনি হাইলাকান্দির বিলাইপুরে একজনও অনুসূচীত লোক নাই। তাহলে, আমার প্রশ্ন এই নাম গুলি কি ভাবে আসে ? এই ৩ হাজার, ৫ হাজার, ২০ হাজার টাকার অনুদান কি রাস্তার কাজে লাগে, না কিছু লোকের পকেটে যায় ? মহোদয়, করিমগঞ্জ জেলায় মোট রাস্তা হলো ৬২৯ কিঃ মিঃ। এর মধ্যে পাথর মাই ৫১২ কিঃ মিঃ রাস্তায়। ব্রীজ আছে ৩২৯ টি এবং তার দৈর্ঘ্য ৩ হাজার ১৪ মিঃ। কেনীভাগ ভাংগা। আমি এই প্রসঙ্গে যুব বেশী বলতে চাই না। আমি শুধু চরকারকে অনুরোধ করব যে করিমগঞ্জ ও কাছার জেলায় যে অবস্থা অর্থাত লাগাতার কয়েকদিন বৃষ্টি হলে ৫/৬ মাস পর্যন্ত রাস্তাঘাট বন্ধ হয়ে যায়—সম্পুর্ণ যোগাযোগ বিচ্ছিন্ন হয়ে যায়। এর একটা বিহিত যেন করা হয়। আমার কথাটো সঠিক কি না সেটা পরীক্ষা করার জন্য আমি বিভাগীয় মন্ত্রী মহোদয়কে অনুরোধ করব যে কাছার ও করিমগঞ্জ জেলার ডি সি'র কাছ থেকে একটা রিপোর্ট যেন কল করেন। রিপোর্ট পেলে তিনি বুঝতে পারবেন আমার বক্তব্য সঠিক কি না। তাছাড়া রোড্ কম্যু-নিকেশন যে বন্ধ হয়ে যায় ডি টিও, বাস ওনার এসোসিয়েশন এদের কাছ

থেকে রিপোর্ট আনলে বুঝতে পারবেন। বাস ওনার এসোসিয়েশন তো ঠিক করেছে যে যেহেতু ৬ মাস রাস্তা-ঘাট বন্ধ থাকে তারা টেক্স দেবে না। মহোদয়, আমরা জানিনা কোন মন্ত্রী ভাল আর কোন মন্ত্রী খারাপ, কে কালো আর কে সাদা। এতে জনসাধারনের কিছু আসে যায় না। আমাদের কথা হলো রাস্তা-ঘাট যাতায়াতের উপযোগী কি না। মহোদয়, করিমগঞ্জে একটা প্রচলিত কথা আছে যে পি ডব্লুডি বিভাগ হলো জামান রহমান জালান প্রাইভেট লিমিটেড্ কোং। অত্যন্ত দুর্ভাগ্য যে আমাদের একথা প্রায়ই শুনতে হয় যে যেহেতু অগপ সরকার বরাকবাসীড় প্রতি বিদ্বেষ ভাবাপন্ন সেহেতু ওখানে টাকা পয়সা উন্নয়নের জন্য কম খরচ হয়। অর্থাত বনঞ্চনাটা ওখানে বেশী হচ্ছে। আর আমি এই অভিযোগ প্রমান করতে পারব। ১ম প্রমান- ১৯৮৬-৮৭ ইং করিমগঞ্জ জেলায় রাস্তা-ঘাট মেরামতির জন্য পি ডব্লুডি বিভাগ ২৯ লক্ষ টাকা দিয়েছিল। বন্যার ক্ষয়ক্ষতির মেরামতের জন্য দিয়েছিল ২৬ লক্ষ টাকা। ৮৬-৮৭ ইং র শেষ দিকে দেওরা হয়েছে ৪০ লক্ষ টাকা। এই মোট ১ কোটী ১২ লক্ষ টাকা দিয়ে করিমগঞ্জে যে ৬২৫ কিঃ মিঃ কাঁচা রাস্তার মধ্যে কতটা রাস্তা মেরামত করা হয়েছে এবং যেসব রাস্তা মেরামত করা হয়েছে বলে একজিকিউটিভ ইঞ্জিনীয়ার তালিকা দাখিল করেছেন সে সব রাস্তায় মটরগাড়ী চলাচল বন্ধ হয়েছিল কি না সেই রিপোর্টটা ডিসি'র কাছ থেকে একবার এনে দেখুন না কেন? একজিকিউটিভ ইঞ্জিনীয়ারের রিপোর্ট, ডিসি'র রিপোর্ট আর আমার এইসদনে বক্তব্য কোনটা সত্য প্রকবার যাচাই করে দেখুন না কেন? এই পুরোপুরি এক কোটী ৪ লাখ টাকার মধ্যে মাত্র ৩৩ লক্ষ টাকা খরচ করা হয়েছে। আর এইসব রাস্তা দিয়ে গাড়ী যায় না? (Roads communication, Bus Owners, Association, Here is the report of the then Deputy Commissioner and the present Deputy Commissioner of Karimganj, 13 roads have been closed, Shri Bimala Prasad Chaliha, the then Chief Minister of Assam elected from Karimganj) ডিষ্ট্রীক্ট প্লেনিং বোর্ডের মিটিং এ একজিকিউটিভ ইঞ্জিনীয়ার, এস ই অনুপস্থিত থাকেন। একটা মিটিংএ আসেন না। এখনো ১৩ টা রাস্তা বন্ধ আছে। ১৮৪ টি বাস অচল। বাস মালিক পার্মিট উইথড্র করতে চাইছে। টেক্স দিচ্ছে না।

এ নিয়ে ডি টিও অফিচে মিটিং হয়েছে। এর পরেও এত দরখাস্ত, এত স্পেসিফিক অভিযোগ স্বত্বেও কোন একশন হচ্ছে না। আমরা কি করে ভাববো যে আমাদের মিনিষ্টার একজন অন্যতম সত্ ব্যক্তি যার বিরুদ্ধে অভিযোগ আনা যায় না ? তিনি নিজে দুর্নীতি না করলেও দুর্নীতির সঙ্গে তিনি সহাবস্থান করছেন। এটা কি অস্বীকার করার উপায় আছে ? মহোদয়, আমি সরকারকে অনুরোধ করব যে সমস্ত রাজ্যে, ব্রহ্মপুত্র বরাক উভয় উপত্যকায় রাস্তা-ঘাটের উন্নয়নের ব্যাপারে প্রশাসনের কাজ কর্মের একটা পুরো মূল্যায়ন করা উচিত।

মহোদয়, করিমগঞ্জ শহরের দুই তৃতীয়াংশ বর্ডার এলাকায়। অথচ বর্ডার এলেকারসঙ্গে সংযোগ কারী একমাত্র রাস্তা লক্ষী বাজার। লক্ষীচরন রোড্ – সেটেলমেণ্ট হয়ে গিয়েছে। প্রয়াত মুখ্যমন্ত্রী বিমলা প্রসাদ চলিহা যখন করিমগঞ্জ থেকে নির্ব্বাচিত হয়েছিলেন তখন এই রাস্তা হয়েছিল। এখন বর্ডার এলেকায় কাটাতারের বেড়া দেওয়ার চেষ্টা চলছে। হবে কি না জানি না তবে বর্ডার এলাকায় রাস্তার অভাবে বি এস এফ তো চোরা কারবারী ধরতে ঢুকতেই পারছে না। করিমগঞ্জ শহরের রাস্তা দুই তৃতীয়াংশ কাঁদায় ভরা। ৰিক্সা, গাড়ী চলাচল করতে পারে না। আমি অনুরোধ করব বিভাগীয় মন্ত্রী মহোদয় এই বিধান সভা শেষ হওয়ার পরে একবার করিমগঞ্জের অবস্থাটা পরিদর্শন করে আসুন। দেখবেন সেখানকার কর্মকর্তারা কেমন বিভাগ টা পরিচালনা করছেন। এই বলে কর্তন প্রস্তাব সমর্থন করে আমার বক্তব্য শেষ করলাম।

* ***শ্ৰীদেব কুমাৰ বৰা*** : মাননীয় সভাপতি মহোদয়, গড়কাপ্তানী বিভাগৰ শিতানত ১৩৬ কোটি ২৮ লাখ ৮৯ হাজাৰ টকাৰ যি অনুদান বিচাৰিছে তাক সমৰ্থন জনাই দুষাৰ কব বিচাৰিছো আৰু লগতে বিৰোধী পক্ষৰ ফালৰ পৰা অনা কৰ্তন প্ৰস্তাবৰ বিৰোধীতা কৰিবলৈ ওলাইছো। পথ উন্নয়নৰ এটা মাপকাঠি। ৰাস্তা ভাল নহলে প্ৰগতি অনাটো অসম্ভৱ। এই কথাটো মই বিগত ৪০ বছৰৰ অভিজ্ঞতাৰ পৰা কৈছো। যদি নতুন অসম গঢ়িব লাগে তেতিয়াহলে আৱন্তণীৰ পদক্ষেপ ৰাস্তা হব লাগিব। মই উদাহৰণ স্বৰূপে কব বিচাৰিছো যে আমাৰ প্ৰাথমিক স্কুলৰ গৃহ নিৰ্মানৰ বাবে ৬১ হাজাৰ ৬৫ টকা দিয়া

* Speech not corrected

হৈছে। তুখৰ কথা কব খুজিছো নাগালেণ্ড সীমান্তত গোলাঘাট জিলাত শুকানজান নামেৰে এখন প্ৰাথমিক বিদ্যালয় আছে। ৰাস্তা নোহোৱাৰ কাৰণে ৰাইজে সেই স্কুলৰ গৃহ নিৰ্মানৰ সামগ্ৰী ইটা, বালি, চিমেণ্ট ৬ কিলোমিটাৰ ৰাট পিঠিৰে কঢ়িয়াইছে। তেনেদৰে তেওঁলোকে স্কুল ঘৰৰ কাম সম্পুৰ্ণ কৰিছে। সেয়ে মই কব খোজো যে অসমৰ নতুন চৰকাৰে প্ৰগতিমূলক চিন্তা ধাৰাৰ কাৰ্য্যসূচী লৈছে তাৰ সফলতা নিৰ্ভৰ কৰিছে ৰাস্তাৰ ওপৰত। যদি যোগাযোগৰ উন্নয়ন নহয় তেন্তে প্ৰগতিৰ ক্ষেত্ৰত সদায় বাধা আহি থাকিব। সেয়ে ১৩৬ কোটি টকাৰ যি অনুদান বিচৰা হৈছে ই মই ভাবো সমস্যা সমাধানকল্পে যথেষ্ট হোৱা নাই। ইয়াৰ দ্বাৰা ৰিপেয়াৰিংৰ কাম কৰাটো সম্ভৱ নহয়। অহা বছৰত সকলো বিভাগৰ কিছু টকা কৰ্তন কৰি হলেও তুগুণ মঞ্জুৰী আনিব লাগে। আমাৰ বহু বিলাক শ্লিপিং বিভাগ আছে, পইচা আছে কাম নাই। সেই বিলাক বিভাগৰ পৰা কাটি আনিব পাৰে। ব্লেকটপিংৰ ক্ষেত্ৰত দেখা যায় গড় হিচাবে ভাৰতত শতকৰা ৪৫ কিঃ মিঃ পঞ্জাৱত শতকৰা ৯০ কিঃ মিঃ। কিন্তু অসমৰ ক্ষেত্ৰত গড়হিচাবে শতকৰা ২৭ কিঃ মিটাৰতকৈ কম। আজি সাতটা পৰিকল্পনা পাৰ কৰাৰ পিচত শতকৰা ২৪ কিঃ মিঃ দেখা পাইছো। সেয়ে পৰীক্ষা-নিৰীক্ষা কৰি পৰিবহনৰ ক্ষেত্ৰত কি ব্যৱস্থা ললে ভাল হব সেইটো গুৰুত্ব সহকাৰে চাব লাগিব। ৰাষ্ট্ৰীয় ঘাই পথৰ ক্ষেত্ৰত দেখা যায় ৰাষ্ট্ৰীয় পথ ৩৭ আৰু লগতে উত্তৰ পাৰ আৰু দক্ষিণ পাৰত তুটা ৰাষ্ট্ৰীয় পথ আছে। বৃটিছৰ দিনত থকা জল পৰিবহনৰ আৰু ৰেল পৰিবহনৰ ব্যৱস্থা স্বাধীনতাৰ পিচত যিখিনি উন্নয়নমূলক কথা আছিল, সেইখিনি নোহোৱাৰ পৰিপ্ৰেক্ষিতত ৰাস্তা বেয়া হৈছে। প্ৰতি বছৰে ৰাস্তা নিৰ্মাণ কৰিছে আৰু অতি কম সময়ৰ ভিতৰত ই ভাঙি চিঙি যায়। কালি বিধান সভাৰ অধিবেশনলৈ আহোতে যোৰহাটৰ পৰা পোনপটিয়াকৈ আহি গুৱাহাটী পোৱা নাই। যোৰহাৰ পৰা গোলাঘাট হৈ ডিমাপুৰ পথেৰে গুৱাহাটীলৈ আহিব লগা হৈছে। এই অৱস্থাটো কিয় হৈছে। বাৰিষা কাললৈ কামবোৰ পিচুৱাই আহি থাকে। যোৱা বছৰ কমাৰগাৱঁত ৰানপানীয়ে পথটো নষ্ট কৰিছিল। গড়কাপ্তানী বিভাগে অতি ক্ষীপ্ৰতাৰে ৰাষ্ট্ৰীয় পথ ৩৭ নংত কাম কৰা দেখা পাইছো। কিন্তু বিষয়াৰ হেমাহিৰ কাৰণে ৰাস্তা ওখ কৰা কাম নোহোৱাত বিপদগ্ৰস্ত হব লগা হৈছো। ৫ ঘণ্টাৰ পথ ৯ ঘণ্টাৰ পিচত গুৱাহাটী

আহি পাইছো। ৰাষ্ট্ৰীয় পথৰ দাইতাৰনৰ ক্ষেত্ৰত ৭-৮ বছৰ কিয় লাগে। এই সম্পৰ্কত চাবলৈ গৈ ঠিকাদাৰক কামটো কিয় পলম হয় বুলি সোধাত ঠিকাদাৰে কলে যে জানুৱাৰী মাহত কামটো দিয়ে, তাৰ পিচত কামটো ঠিক কৰোতে একমাহ সময় লাগে। ফেব্ৰুৱাৰী মাৰ্চত কামটো শেষ কৰিব নোৱাৰি। এই ধৰণে এবছৰ পাৰ হৈ যায়। চেপ্তেম্বৰ অক্টোবৰত কিয় অৰ্ডাৰ দিয়া নহয়। কাক কেতিয়া কি কাম দিয়া হয় তাক সময়মতে কিয় দিয়া নহয়। কি কাৰণত কামটো জানুৱাৰী মাহলৈ পেলাই থোৱা হয়। বাৰিষাৰ কাল-ছোৱাত আমাৰ কাম নহয়। আজি নগাৱঁৰ মাজেৰে যাব নোৱাৰি। টাউন আৰু নেচনেল হাইৱে অভাৰলেপিং হৈ গৈছে। মঙ্গলদৈলৈ যাব নোৱাৰি। গতিকে দাইতাৰচনৰ বিষয়টো চোৱা উচিত। আমাৰ কিছুমান ৰাষ্ট্ৰীয় পথ নতুনকৈ ঘোষণা কৰা প্ৰস্তাব আছে। আমাৰ কমাৰগাওঁ গোলাঘাট মৰিয়নী তিতাবৰ নামৰূপ, মৰিয়নী আমগুৰি ধোদৰ আলিৰ বিষয়ে আজি দুবছৰে চিঞৰ বাখৰ কৰিছো। বিষয়টো ঠেলা মাৰি উত্তৰ পূব পৰিষদক দিয়া হৈছে। মুখ্য দায়িত্ব গড়কাপ্তানীৰ বিভাগৰহে। উত্তৰ পূব পৰিষদলৈ বিষয়টো ঠেলা মাৰি দিলে নহব। এশ কিলোমিটাৰ পথ পকীকৰণৰ বাবে লোৱা হৈছে বুলি সাত বছৰৰ পৰা শুনি আছো। কামটো হব বুলি সম্ভাবনা দেখা নাই। ধোদৰ আলিক বিকল্প ৰাষ্ট্ৰীয় পথ হিচাবে লোৱা হলে বানপানীৰ সময়ত পৰিবহনৰ অসুবিধা নহলহেতেন। আমাৰ এনেকুৱা বহুত বিকল্প ৰাষ্ট্ৰীয় পথ আছে যিবিলাক হোৱা নাই। তাৰোপৰি আজি দেখা পোৱা হৈছে গণেশগুৰি আদিত ঘৰ-বাৰী ভাঙি উচ্ছেদ কৰা হৈছে। বহল কৰাৰ বাবে সময়মতে ব্যৱস্থা লোৱা হলে ৰাইজৰ আজি ইমান বিপদ নহলহেতেন। ৰাইজে ইমানখিনি হাৰাশাস্তি খাব লগা নহয়। মই আগতেও বিধান সভাত কৈছো ৰেলৱেৰ মাটিৰ সীমা পিলাৰ দিয়া আছে। ঠিক সেই ধৰণে গড়কাপ্তানী পথৰো মাটিৰ সীমাত পিলাৰ থাকিব লাগে। তেতিয়া হলে এইটো পৰিস্কাৰ হব যে ইয়াৰ ভিতৰত ঘৰ বনাব নালাগে। গতিকে গড়কাপ্তানী বিভাগৰ পথটো জোখ-মাফ কৰি পিলাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই জনাত বহু টাউন দেভেলপমেণ্ট স্কিমৰ অন্তৰ্ভূক্ত হৈছে। কিন্তু দেখা গৈছে সেই পথত বেদখল হৈ আছে। পিলাৰৰ ব্যৱস্থা কৰিলে ৰেলৱেৰ দৰে ভৱিষ্যতে বেদখল কৰাত বাধাপ্ৰাপ্ত হব। মই ইয়াত আগতেও কৈছিলো ব্ৰহ্মপুত্ৰত তৃতীয়খন দলং নিৰ্মাণ হব ধৰিছে, চতুৰ্থ-

খন দলং ডিব্রুগড়ত হব। মাজুলি লক্ষীমপুৰত তেনেকুৱা ৫ম খন দলঙৰ বাবে প্ৰস্তাব যদি এতিয়াই যায় তেন্তে ১০-১৫ বছৰৰ পিছত সেই প্ৰস্তাৱৰ অনুমোদন পাম। আমাৰ গড়কাপ্তানি মন্ত্ৰীয়ে আজিয়েই এই প্ৰস্তাৱ দিয়ক। এই ৫ম খন দলং হলে মাজুলীৰ ফালৰ অংশটো বিপদগ্ৰস্ত নহয়। লগতে পৃথিৱী বিখ্যাত দ্বীপটো অন্য প্ৰকাৰে বচোৱা হব। দলং নিৰ্মাণ কৰা বিষয়টো সময়োচিত বিষয় হব বুলি ভাবিছো। আমাৰ গড়কাপ্তানি বিভাগটো বৰ্তমান নাক কুচুৱা অৱস্থাত নাই। মন্ত্ৰী মহোদয়ে দক্ষতাৰে কাম কৰা হেতুকে নতুন ৰূপ লৈছে। গড়কাপ্তানি বিভাগৰ বিষয়টো আলোচনা কৰোতে বিলডিংঙৰ কথাখিনি আলোচনাত নাহে। বিলডিংৰ ক্ষেত্ৰত দাইৰেক্ট গ্ৰাণ্ট নাই, গতিকে এই বিষয়টো কেনেকৈ আলোচনা হব। বিলডিং বিলাকৰ মেৰামতিৰ বাবে যদি প্ৰত্যেক বিভাগৰ পৰা শতকৰা ৫-১০ কাট কৰা নাযায় তেন্তে বিলডিং বিলাক মেইনটেনেন্স কৰা টান হব। আজি বহুত ডিচপেনস্সৰীত ফেনসিং নাই। বাহিৰৰ পৰা মেটাৰনিটি ৱাৰ্ড দেখি থাকে। মেৰামতিৰ বাবে চুণ, তেল, টিনৰ ফুটা আদি মৰাৰ বাবে ব্যৱস্থা নাই। গড়কাপ্তানি বিভাগক সুধিলে কয় পইচা নাই। স্বাস্থ্য বিভাগে বনোৱাৰ প্ৰস্তাব দিলে আমি বনাই দিম। আজি অনেক মেৰপাকত বস্তুবিলাক নষ্ট হৈ আছে। মেইনটিনেন্সৰ লগত সৌন্দৰ্য্যৰ কথাটো জড়িত থাকে। সৌন্দৰ্য্য থাকিলেহে আকৰ্ষণ বাঢ়িব। ৰাস্তাৰ লড কমাবৰ কাৰণে ৰেলেৰে কোনো গুদচ্‌ৰ পৰিবহন নহয়। এই বিষয়ত ৰেল বিভাগৰ লগত যোগাযোগ কৰি ৰেল পৰিবহনৰ ব্যৱস্থা উন্নত কৰাৰ ব্যৱস্থা লব লাগে ১৪ দফীয়া আৰ্থ সামাজিক কাৰ্য্যসূচীত প্ৰত্যেকখন গাৱঁত ৬ কিঃ মিঃ দুৰত্বৰ ৰাস্তা পকীকৰণৰ ব্যৱস্থা হব। এই কাৰ্য্যসূচী ক্ষিপ্ৰভাৱে ৰূপায়ন কৰিবৰ কাৰণে গড়কাপ্তানি বিভাগৰ অহা বছৰৰ বাজেটত যদি দুগুন পইচা ধৰা নহয় তেন্তে অসুবিধাত পৰিম। এতিয়াৰ পৰাই প্ৰস্তাৱ কৰক তেতিয়াহে সেই প্ৰস্তাৱৰ অনুমোদন পোৱা যাব। সকলোৱে জানে বটদ্ৰৱালৈ যাওঁতে কাঠৰ দলং এখনৰ পৰা ৰাছ বাগৰি ডেৰশ মানুহ মৃত্যুৰ মুখত পৰিছিল। আমাৰ ৰাজ্যত থকা কাঠৰ দলং বিলাক কি প্ৰকাৰে মেৰামতি কৰা হয় তাৰ ব্যৱস্থা লব লাগে। ৰাস্তা বিলাকৰ পকীকৰণৰ ব্যৱস্থা ললে ভাল হব। তাৰোপৰি আমাৰ চান্দমাৰীৰ ফ্লাই অভাৰ নিৰ্দ্দিষ্ট সময়তকৈ আগতে নিৰ্মান কৰি উলওৱাত গড়কাপ্তানি বিভাগৰ

কৃতিত্ব বাঢ়িছে। উত্তৰ প্ৰদেশৰ নিৰ্মাণ এজেন্সিক নিদি আমাৰ এ, জি, চি, চিৰ জৰিয়তে কাম কৰাই মানদণ্ড উন্নত কৰাৰ ব্যৱস্থা লব লাগে। আজি আমাৰ ৪ কোটি টকাৰ যি ফল হ'ল সেইটো বন্ধ হব। অসমৰ পৰা পইচা সদায় দিল্লী, উত্তৰপ্ৰদেশলৈ গৈ থকাৰ ব্যৱস্থা হব নোৱাৰে। গতিকে ভৱিষ্যতে যাতে আমাৰ এ, জি, চি, চিয়ে এনে ধৰণৰ কাম বিলাক কৰিব পাৰে তাৰ বাবে তেওঁলোকৰ অভিজ্ঞতা বঢ়োৱাৰ ব্যৱস্থা হব লাগে। ডেৰগাওঁ গোলাঘাট মহকুমাৰ সদৰলৈ যোৱা পথটো ওৱানৱে। ডুখন গাড়ী ক্ৰছ কৰিব নোৱাৰে। গতিকে এনে ধৰণৰ পথবিলাক বহল কৰি যাতায়তৰ সুব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* ***শ্ৰীকুল বাহাদুৰ চেত্ৰী*** : মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাবাবে যিটো দাবী মঞ্জুৰী উত্থাপন কৰিছে তাৰ পৰিপ্ৰেক্ষিতত আমাৰ তৰফৰ পৰা যিটো কৰ্ত্তন প্ৰস্তাব উত্থাপন কৰিছে তাত মই সমৰ্থন কৰি দুআষাৰ কব বিচাৰিছো। এই ৰাস্তাৰ বাবদ যিখিনি টকা ধৰা হৈছে,— শাসক দলে বাৰে বাৰে ইয়াকে কৈছে যে এই টকাৰ কাৰণে কৰ্ত্তন প্ৰস্তাৱ আনিব নালাগিছিল। কিন্তু মই ভাবো যে এই কৰ্ত্তন প্ৰস্তাব অনাৰ কাৰণেই সকলো দলে এই বিষয়ে আলোচনা কৰিবলৈ সুবিধা পাইছে। আজি ৰাস্তাৰ বাবদ যিমান টকা ধৰা হৈছে তাৰ দুগুন ধৰিলেও আমাৰ আপত্তি কৰিব লগীয়া নাছিল। কিন্তু এই কৰ্ত্তন প্ৰস্তাবৰ জৰিয়তে আমি আমাৰ ৰাস্তাৰ ওপৰত থকা মতামত ব্যক্ত কৰিবলৈ সুবিধা পাইছো। ৰাস্তাৰ ক্ষেত্ৰত মই এটা বিশেষ কথা লৈ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমাৰ অসমৰ সংলগ্ন ৰাজ্য সমূহৰ যেনে অৰুনাচল, নগালেণ্ড, মেঘালয়া ৰাজ্য সমূহৰ ৰাস্তাবিলাক আমাৰ ৰাজ্যৰ মাজেৰে গৈছে। সেই ৰাস্তা সমূহৰ কাৰণে যাতে উত্তৰ পূৱ পৰিষদৰ পৰা টকা অনা হয় তাৰ কাৰণে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিলো। মোৰ দ্বিতীয় কথাটো হ'ল আমাৰ বিৰোধী পক্ষৰ সমষ্টি সমূহত যিবিলাক ৰাস্তা আছে সেই বিলাকতো যাতে সমানে সমানে নজৰ দিয়া হয় তাৰ কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। এই ক্ষেত্ৰত বৈষম্য নাথাকিব বুলি আমি আশা ৰাখিলো। ইয়াৰ ওপৰি যোৱা বাৰ এম, এন, পিত যিখিনি টকা দিছিল, এইবাৰ বেচিকৈ দিব লাগিছিল। কাৰণ ৰস্তৰ

* Speech not corrected

দাম বাঢ়িয়েই আছে শিল, কাঠ, বালি আদিৰ দাম বাঢ়িয়েই আছে। সেই অনুপাতে টকাৰ পৰিমান বঢ়াই দিব লাগিছিল। তাৰ উপৰি আমাৰ কিছুমান দলং বনাইছে। যিবিলাক বাহিৰৰ পৰা ৰংচং হলেও ভিতৰি একো নাই। যি কাঠ দিব লাগিছিল তেনেকুৰা কাঠ দিয়া নাই। গতিকে এই-বিলাকত নজৰ ৰাখিব লাগে। আকৌ কিছুমান ঠাইত দেখা যায়, ৰাস্তা মেৰামতি হৈ আছে কিন্তু মেৰামতি কৰা ৰাস্তাৰ দীৰ্ঘতা অনুসৰি তাত কাম কৰা কৰ্মচাৰীৰ সংখ্যা বহুত কম। ধৰক ৬ কিলোমিটাৰ ৰাস্তাৰ মেৰামতি কৰিবলৈ যিমান কৰ্মচাৰীৰ প্ৰয়োজন সেইখিনি মথকাৰ কাৰণে এক কিলোমিটাৰ ৰাস্তা মেৰামতি কৰাৰ পাচত বাকী থকা অংশটো কৰিবলৈ যাওতে প্ৰথমে কৰা এক কিলোমিটাৰ ৰাস্তা ভাঙি যায়। গতিকে মই ভাবো যিটো কাম ১৫ দিনত শেষ কৰিব পাৰি সেই কাম কৰোতে ৪-৫ মাহ লাগে, কেবল কৰ্মচাৰীৰ অভাৱত। গতিকে কৰ্মচাৰীৰ সংখ্যা বৃদ্ধি কৰিলে মই ভাবো এই কাম বিলাকো সুকলমে হব।

মাননীয় চেয়াৰমেন মহোদয়. আজি বিশেষ ৰাস্তা বিলাকত চকু দিব লাগিব, যিবোৰ ৰাস্তাত বাৰিষা হলে সামান্য বৰষুণ হলেই ৰাস্তা বিলাক বুৰ যায়। সেইবিলাক ৰাস্তাত টকা পইচা দিয়াৰ বাবে চৰকাৰে বিশেষ ভাবে মনোনিবেশ দিব লাগে। যিবিলাক ৰাস্তাত চৰকাৰে টকা পইচা দিয়ে সেই বিলাকত যাতে ভাল ধৰণে কাম হৈছে নে নাই তাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগে। তেতিয়াহে ৰাস্তাৰ কাম নিশ্চয় ভাল হব।

মাননীয় চেয়াৰমেন মহোদয়, মাননীয় গড় কাপ্তানী বিভাগৰ মন্ত্ৰীৰ এটি কথা মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সেইটো হ'ল ৰাস্তা পকীকৰণ। এই পকীকৰণৰ কাৰণে আগতে অৰ্থাৎ যোৱাবাৰ অলপ টকা পাইছিলো, কিন্তু এইবাৰ মোৰ সন্দেহ হৈছে যে আমি এতিয়ালৈকে কোনো টকা-পইচা পোৱা নাই। বিৰোধী দলত থকাৰ কাৰণে পোৱা নাই নেকি? গতিকে এইবিলাক টকা যাতে সকলোৱে সমানে পাব পাৰে তাৰ প্ৰতি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। আজি ধৰক ইখন গাৱৰ পৰা সিখন গাৱলৈ যাওঁতে ৰাস্তাটোৰ দুয়োটা মুৰেই পকী হৈছে কিন্তু মাজতে ৰাস্তাটো নোহোৱা কাৰণে ভীষণ অসুবিধাৰ সন্মুখীন হব লগীয়া হৈছে। এইবিলাক যাতে সম্পূৰ্ণ কৰা হয় তাৰ প্ৰতিও এই দিশত বিশেষভাবে মনোনিবেশ দিব বুলি আশা কৰিলো

সেইবিলাক ৰাস্তাৰ প্ৰতি বিশেষ মনোনিবেশ দিলে, অগ্ৰাধিকাৰ দিলে ভাল হব। তাৰ লগতে মোৰ সমষ্টিৰ দুই এটা কথা কবলৈ ওলাইটো। মাৰ্ঘেৰিটাৰ পৰা যিটো ৰাস্তা পেঙেৰী পৰা বৰদলৈ গৈছে সেই ৰাস্তাবিলাক উত্তৰ-পূৱ পৰিষদে ললে ভাল হয়। অৰুনাচলে যেতিয়া ৰাস্তাৰ কাৰণে এন, ই, চিয়ে টকা খৰচ নকৰে তেনেহলে আমাৰ বিৰোধী পক্ষৰ সদস্য সকলৰ লগতো লগ হৈ কি কৰিলে কি হব নহ্‌ব সেইবিলাক আলোচনা কৰি আমি দৰকাৰ হলে কেন্দ্ৰীয় সৰকাৰৰ ওপৰত হেচাঁ দিবৰ কাৰণে প্ৰস্তুত হব লাগিব। আজি চাওঁক ডিগবৈৰ পৰা পেঙেৰী যোৱা ৰাস্তাটো সামান্য বৰষুণ হলেই ৰাস্তাৰ সম পৰ্য্যায়তকৈ বহুত দ'হৈ যায় আৰু 'ড্ৰেইন' হোৱা যেনহে পৰিলক্ষিত হৈছে। কিছু কিছু ঠাইত ২ ফুট দ হৈ গৈছে। গতিকে এই ৰাস্তাবিলাকৰ এইটো দিশটো চকু দিব লাগে। এই যিটো ডিগবৈ পেঙেৰী ৰাস্তা এন, ই, চিক দিবৰ কাৰণে মন্ত্ৰী মহোদয়ক কৈছো। মন্ত্ৰী মহোদয়ে আমাক কৈছে যে অহা মিটিংত উৎথাপন কৰিম। আজি আমি বিৰোধী পক্ষৰ সদস্য হব পাৰো কিন্তু আমাৰ ৰাস্তাবিলাক সকলোৰে কাৰণে। যদিহে এই ৰাস্তাবিলাকৰ উন্নতি নহয় তেতিয়াহলে আমাৰ মানুহৰ সমস্যা কেতিয়াও শেষ নহয়। আজি আমাক মানুহে কৈছে কৰবাত কৰবাত স্কুল হৈছে, বিলডিঙ হৈছে সেইবিলাক আমি নাই হোৱা বুলি কব নোৱাৰো। কিন্তু আমাৰ এনে কিছুমান গাওঁ আছে সেইবিলাক গাৱঁত যদি কেতিয়াবা এজন বেমাৰি বেমাৰত ভোগে তেন্তে তেওঁক কঢ়িয়াই আনিব লাগে, ৰাস্তা নাই, পহুলী নাই য'ত নেকি সেই বেমাৰিজনক আনিবৰ কাৰণে এখন গাড়ীও যাব নোৱাৰে। তেওঁক কঢ়িয়াই হস্পিতেললৈ নিব লগা হয়। সেইকাৰণে এইবিলাক ক্ষেত্ৰত সেই-বিলাক অঞ্চলত কেনেকৈ কি প্ৰকাৰে মানুহক সহায় কৰিব পাৰি তাৰ প্ৰতি চকু দিবলৈ মই আজি সদনৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰিলো।

মাননীয় চেয়াৰমেন মহোদয়, আজি আমি এই ৰাস্তাবিলাকৰ উন্নতি কৰিববলৈ হলে উত্তৰ-পূৱ পৰিসদৰ পৰা টকা আনিব লাগিব। কেন্দ্ৰীয় চৰকাৰক কব লাগিব। মাননীয় মন্ত্ৰী মহোদয়ক পুনৰ মই অনুৰোধ কৰো যে আমি বিৰোধী পক্ষৰ সদস্য হলেও সকলোকে যাতে ৰাস্তা বনোৱাৰ কাৰণে সমানে টকা-পইচা দিয়ে। এইখিনিকে কৈ মোৰ চমু বক্তব্য সামৰণি মাৰিলো।

*শ্ৰীদুৰ্গাদাস বড়ো : সভাপতি ডাঙৰীয়া, গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই পথ আৰু দলংৰ বাবে যিখিনি মঞ্জুৰী বিচাৰিছে সেই মঞ্জুৰীৰ সমৰ্থন জনায় দুআষাৰমান কথা কবলৈ আগবাঢ়িছো । বিৰোধী পক্ষৰ মাননীয় সদস্যই অৱশ্যে এই টকাখিনি দিব নেলাগে বুলি কৰ্ত্তন প্ৰস্তাৱ অনা নাই । আলোচনাৰ বাবে ৰাখিছে, নীতি বিষয়ে আলোচনা কৰিবলৈ ৰাখিছে বা খেলি মেলি বিষয়ে আলোচনা কৰিবলৈ এটা কৰ্ত্তন প্ৰস্তাৱ ৰাখিছে । ভাৰতবৰ্ষৰ কিমান ৰাজ্যত কিমান 'ব্লেক টপিং' হৈছে সেই ৰাজ্যবিলাকৰ লগত যদি তুলনা কৰিবলৈ যাওঁ তেনেহলে অসমৰ ৰাস্তাৰ উন্নতিকৰণৰ হাৰ সেইটোত আচৰিত হব লাগে । গড়কাপ্তানী বিভাগটো স্বাধীনতাৰ পিচৰপৰা বৰ্ত্তমানলৈকে যিটো হাৰত গুৰুত্ব আৰোপ কৰিব লাগিছিল সেইটো হাৰত গুৰুত্ব আৰোপ কৰা নাই । যাৰ বাবে ইয়াৰ এই বিভাগটোৰ কোনো উন্নতি নহল, একেটা হাৰতে থাকি গ'ল । বছৰৰ মুৰত ৩/৪ কিলোমিটাৰ থকা ৰাস্তাটোত ১/২ কিলোমিটাৰ ৰাস্তা 'ব্লেক-টপিং' কৰিবলৈ সক্ষম হৈছে । আজি দেখা যায় অসমৰ শতকৰা ৫০ ভাগ ব্লেক-টপিং হবলৈ বোধহয় আৰু এটা শতিকাৰ প্ৰয়োজন হব । গড়কাপ্তানী বিভাগৰ কৰ্ত্তন প্ৰস্তাৱক বিৰোধী পক্ষৰ সদস্য সকলে সমৰ্থন কৰা নাই বুলি এজন মাননীয় সদস্যই কৈছে, টকা ২ গুণ ৩ গুণ হাৰত ধৰাত আপত্তি নাই বুলি কৈছে । মই এই অধিবেশন আৰু আগৰ অধিবেশনটো এটা পৰামৰ্শ আগবঢ়াইছিলো আৰু এই বছৰো চলিত অধিবেশনটো ৰাজ্যপালৰ ভাষণৰ বক্তব্যৰ সময়ত সমৰ্থন কৰি দিয়া বক্তব্যৰ সময়টো এটি পৰামৰ্শ আগবঢ়াইছিলো, সেইসময়ত অৱশ্যে আমাৰ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয় উপস্থিত নাছিল ।

মাননীয় চেয়াৰমেন মহোদয়, এটাৰ পিছত এটাকৈ বা শ শ কিলোমিটাৰ নতুন ৰাস্তা বনোৱাৰ পৰিবৰ্ত্তে এই বিভাগৰ অধীনস্থ যিবিলাক আধৰুৱা ৰাস্তা আছে সেই ৰাস্তা বিলাককেই সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিব লাগে । অসম গণ পৰিষদ চৰকাৰ ক্ষমতালৈ অহাৰ আগতে যিবিলাক ৰাস্তা-ঘাট আদি বনাই ছিল সেইবিলাক আজি চাৰিচকীয়া বা ছয় চকীয়া গাড়ী চলা বেলেগ কথাই, গৰুৰ গাড়ীও চলাব নোৱাৰা অৱস্থা । সেই ৰাস্তাবিলাক উন্নত কৰাৰ ব্যৱস্থা কৰক ।

মাননীয় চেয়াৰমেন মহোদয়, মই মাথোন এখন ঠাইৰ কথা কলেই

* Speech not corrected

গোটেই কথাটো পৰিষ্কাৰ হৈ ওলাই পৰিব। ৰাইজক লগত লৈ আহি লিখিত আৰু মৌখিক ভাৱে মই কেবাবাৰো গড়কাপ্তানী বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ক ওডালগুৰি সমষ্টি আৰু টংলাৰ ৰাস্তাঘাটৰ অৱস্থা অৱগত কৰি কৈছিলো যে, এই ৰাস্তা ঘাট বিলাক ভাল নকৰিলে সেইবিলাকৰ এশ ভাগেই অনতিপলমে বন্ধ হৈ পৰিব। এই বুলি কোৱা স্বত্তেও সেই ৰাস্তা ঘাট বিলাক আজিলৈকে উন্নত নহল। বাৰিষা অহাৰ লগে লগেই সেই ৰাস্তা বিলাকৰ শতকৰা এশ ভাগেই বন্ধ হৈ পৰিব। মঙ্গলদৈ-ভুটীয়াচাং – এইৰাস্তাটো আগতে ভাল আছিল কিন্তু আজি সেই ৰাস্তাইদি গলে ভাৰত নাট্যম দি যাব লাগিব। গাড়ীৰ ভিতৰতে অঙ্গী ভঙ্গী দি গৈ থাকিব লাগিব। এই ৰাস্তাৰ নামত টকা মঞ্জুৰী হোৱা বুলি শুনিছিলো, কিন্তু শুনোতেই গ'ল. আজি দুই আঢ়ৈ বছৰেও ৰাস্তা হলে হৈ নুঠিল। এই ৰাস্তাৰ তিনি কিলোমিটাৰ মানহে মোৰ সমষ্টিত পৰে, বাকীখিনি পৰে আন আন সমষ্টিত। ইয়াত মোৰ ব্যক্তিগত স্বাৰ্থ একো নাই। এই ৰাস্তাৰ ওপৰেদি অথচ দুই শতাংশ কৰ কঢ়িওৱা হয়। তথাপি, এই ৰাস্তাৰ ওপৰত কোনো গুৰুত্ব দিয়া নহল। যি বিলাক ৰাস্তা আছে সেই বিলাক আমি একে একে এঘাৰ বুলি লৰা ছোৱালীয়ে পঢ়াৰ নিচিনাকৈ কৈ দিব পাৰো। একেৰাহে ৰাস্তা বিলাকৰ নাম কৈ দিব পাৰো। ভেৰগাওঁ ডিমাকুছিকে আদি কৰি যি বিলাক ৰাস্তা আছে সেই বিলাক আজি গাড়ী চলাব পৰা অৱস্থাত নাই। মাননীয় বিভাগীয় মন্ত্ৰীও মোৰ লগতে এনে চাৰিটা মান ৰাস্তাইদি মোৰ লগত আহিছিল। খৰালি বতৰত পথাৰৰ মাজেদি ৰাস্তা ওলায়। সেই অৱস্থাত সেই ৰাস্তা বিলাকৰ ওপৰেদি গাড়ীও যায় কিন্তু বাৰিষা আহিলে এই ৰাস্তা ঘাট বিলাকে যোগাযোগ কৰা সমষ্টি বিলাক সভাজগতৰ পৰা সম্পুৰ্ণ বিচ্ছিন্ন হৈ যায়। অন্যান্য ৰাজ্য বিলাকৰ লগত খোজ মিলাবলৈ নতুন ৰাস্তা ঘাট আদিৰ প্ৰয়োজনীয়তা নাই বুলি মই নুই কৰিব নোৱাৰো তথাপিও আধৰুৱা ৰাস্তা ঘাট বিলাক বনোৱাৰ প্ৰয়োজনীয়তাও আছে। সেইকাৰণেই সেইখিনি উন্নতিকৰণ কৰিবৰ কাৰণে পৰামৰ্শ আগবঢ়াইছো।

মাননীয় চেয়াৰমেন মহোদয়, আমাৰ মাননীয় গড়কাপ্তানী বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, আমাৰ যিবিলাক দলং আছে সেই বিলাক পৰ্য্যায়ক্ৰমে পকী কৰা হব আৰু যি বিলাকত 'হিউম পাইপ' ইত্যাদিৰ দ্বাৰা পুনৰ

ব্যৱস্থা কৰিব পৰা যায় সেই বিলাক তেনেধৰণেৰেই কৰিব লাগিব আৰু কৰা হব। মই চৰকাৰৰ এই ঘোষণাৰ কাৰণে গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ক ধন্যবাদ জনাইছো। এই বছৰ ২৩ খন দলং ইয়াৰ কাৰণে লোৱা হব বুলি কোৱা হৈছে। গুৰুত্বপূৰ্ণ ৰাস্তা বিলাকৰ ওপৰত থকা দলং বিলাকৰ উপৰিও সৰু সৰু ৰাস্তাৰ দলং বিলাক 'খিৰতি গাই' কৰি নেৰাখি সেই বিলাকতো পুল আদি দিয়াৰ ব্যৱস্থা কৰিব লাগে। মাননীয় চেয়াৰমেন মহোদয়, মই এটা পৰামৰ্শ গণ পৰিষদ চৰকাৰ অহাৰ পৰা এতিয়ালৈকে প্ৰায় বিধান সভাৰ অধিবেশনতে চাৰি বাৰ মান উথাপন কৰিলো আৰু সেই পৰামৰ্শ আজিও দিম যে, শিক্ষা বিভাগত যেনেকৈ বাজেটৰ এক সিংহ ভাগ খৰচ কৰি বিভাগটোৰ উন্নয়নৰ কাৰণে ব্যৱস্থা হৈ গৈছে সেইদৰে, এই বিভাগতো বাজেটৰ শতকৰা ৫০ ভাগ ধাৰ্য্য কৰি অসমৰ সকলো বিলাক ঠাইৰ ৰাস্তা ঘাট বিলাক উন্নত কৰাৰ কাৰণে এটা প্ৰস্তাৱ বিভাগীয় মন্ত্রী মহোদয়ে এই বিধান সভাৰ মজিয়াত আনিলে আমি কিয় অনুমোদন কৰিব নোৱাৰিম? অহা বছৰৰ বাজেটতেই এনে এটা প্ৰস্তাৱ আনিব বুলি আশা ৰাখি অসমৰ ৰাস্তা ঘাট বিলাকৰ উন্নয়নৰ কাৰণে পৰামৰ্শ আগবঢ়াই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো।

***ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে*** : মাননীয় চেয়ারম্যান মহোদয়, গ্রাণ্ট নং ৬৪ - রোড এণ্ড ব্রীজ বরাদ্দের উপর আনীত কর্তণ প্রস্তাব সমর্থন করে আমি দুই একটি কথা বলতে চাই। চেয়ারমেন মহোদয়, আমরা ছোট সময় থেকেই একটা কথা জানি যে আমাদের যে কয়েকটি দুর্নীতি পরায়ন বিভাগ আছে, তারমধ্যে সবচেয়ে দুর্নীতি পরায়ন বিভাগ হলো আমাদের পি ডব্লিউ ডি। আমরা ছোট সময় থেকে দেখে এসেছি যে পি ডব্লিউ ডি বিভাগের ইঞ্জিনীয়াররা যেখানেই থাকেন না কেন তারা হলো এক একজন বিশেষ ক্ষমতাশালী ব্যক্তি এবং তাদের প্রত্যেকেরই বাড়ীঘর এক একটি জমিদারের বাড়ীর মত। আমরা আশা করেছিলাম যে শিক্ষ-দীক্ষা প্রসারের সঙ্গে সঙ্গে এই ধরণের দুর্নীতি অনেকাংশে কমবে। ভেবেছিলাম বর্তমানের পি ডব্লিও ডি মহোদয়যিনি খুব ভাল হিউমার জানেন— উনার কাছে গেলে আমরা হাসি মুখে অভ্যর্থনা পাই এবং তিনি ধৈর্য্য সহকারে আমাদের সবকথা শুনেন তার প্রচেষ্টায় এই বিভাগের দুর্নীতি অনেক কমবে কিন্তু এই বিভাগের দুর্নীতি

কমছে বলেতো আমাদের মনে হচ্ছে না।

চেয়ারমেন মহোদয়, হোজাই মহকুমার রাস্তাঘাটের দুরবস্থার বিষয়ে আগেও আমি এই সদনে উল্লেখ করেছিলাম এবং ভেবেছিলাম যে এই সরকার এই মহকুমার রাস্তাঘাটের প্রতি বিশেষ নজর দিবেন। কিন্তু আজ পর্য্যন্ত এর কোন ব্যবস্থা নেওয়া হয় নি। এর ফলে অনেক দুর্ঘটনাও ঘটছে। কিছুদিন আগে হোজাই সাবডিভিশনে বাসের মধ্যে এক গর্ভবতী মহিলার বাসের ঝাকুনীতে ডেলিভারী হয়ে গেল। রাস্তাঘাট এত উচু-নীচু যে যাতায়ত করাই মুসকীল হয়ে পরেছে। সুতরাং এদিকে বিশেষভাবে দৃষ্টি দিতে মন্ত্রী মহোদয়কে অনুরোধ করছি।

স্যার আমরা বুঝতে পারি না কেন ষ্টেট রোড বোর্ড কমিটি গুলো ভেঙ্গে দেওয়া হলো। এই কমিটিতে আমরা সব সদস্যই নিজ নিজ সমষ্টির রাস্তা ঘাটেয় সমস্যাগুলো তুলে ধরে বিহিত ব্যবস্থা নেওয়ার একটা সুযোগ পেয়েছিলাম। এছাড়া, এম এন পি'র অধীনে যেসব রাস্তা নেওয়া হয় তাও আজ সদস্যদের পরামর্শ মতে নেওয়া হয় না। এম এল এ'দের যে সুযোগ ছিল তা একটা রাজনৈতিক সিদ্ধান্তের ফলে ছিনিয়ে নেওয়া হয়েছে। সরকার পক্ষের সদস্যদের অনেক সুযোগ থাকে একটা সিদ্ধান্ত নেবার। তাদের রাস্তার ব্যাপারে বা অন্য কোন ব্যাপারে সিদ্ধান্ত নিতে তেমন কোন অসুবিধার সম্মুখীন হতে হয় না। কিন্তু আমরা যারা বিরোধী পক্ষের সদস্য তাঁদের কোন একটা ব্যাপারে সিদ্ধান্ত নিতে কিন্তু একটা বিরাট অসুবিধার সম্মুখীন হতে হয়। সুতরাং এ ব্যাপারে মন্ত্রী মহোদয়, একটা পুনঃ বিবেচনা করবেন বলে আশা করি।

আমি এখন পি ডব্লিও ডি বিভাগের যে উডেন ব্রীজ রয়েছে সে সম্বন্ধে ২/১ টি কথা বলবো। স্যার, আপনি নিশ্চয়ই জানেন যে এই ব্রীজ গুলোর অবস্থা কি? একটা জরাজীর্ণ অবস্থা। প্রায়ই দেখা যায় যে প্যারাকগুলো বেড়িয়ে থাকাতে গাড়ী যখন চলে তখন গাড়ীর টায়ার ফুটো হয়ে যায়। এতে মালিকপক্ষের বেশ একটা আর্থিক ক্ষতি হয়। এইসব মালিকরা গাড়ী চালানোর জন্য সরকারকে নিম্নতম সুযোগ সুবিধাটুকুও দিতে অপারগ। আমি এইসব মালিকদের যে সব অভাব অভিযোগ আছে সেদিকে নজর দেবার জন্য মন্ত্রী মহোদয়কে অনুরোধ করছি।

স্যাব, ব্লেক টপিং'র ক্ষেত্রে এই বিভাগ একটা বৈষম্য মূলক নীতি অনুসরন করছেন। আমাদের হোজাই মহকুমার রাস্তাঘাটের অবস্থা যে অতি শোচনীয় তা আমি আগেও উল্লেখ করেছি। কিন্তু আমরা দেখেছি যে যে সব অঞ্চলের লোক এ জি পিকে ভোট দিয়েছিল বলে তাদের ধারনা সেখানো সেখানে ব্লেক টপিং'র কাজ করা হচ্ছে-এবং মাঝে মাঝে বাদ দিয়ে আবার যেখানে যেখানে এ জি পি'র সাপোর্টার আছে সেখানে সেখানে ব্লেক টপিং'র কাজ চলছে। সুতরাং এই যে বৈষম্য তা যাতে না করা হয় সেদিকে দৃষ্টি দিতে আমি মন্ত্রী মহোদয়কে অনুরোধ করছি। ......সময় সংকেট......

স্যার, মাননীয় মন্ত্রী মহোদয় আমাদের যে ভাবে রিসেপশন করেন, আমাদের কথাবার্তা শোনেন কার্য্যতঃ কোন কাজ তিনি করেন না। আমি আশা করি আমাদের যে সব প্রপোজাল মন্ত্রী মহোদয়ের নিকট পেশ করা হয় তা যেন তিনি কার্য্যকরী করার ব্যবস্থা করবেন এবং তাহলে বুঝবো সত্যই তিনি একজন দক্ষ মন্ত্রী। নাহলে বুঝবো-তাকে যেভাবে দক্ষ মন্ত্রী বলে কেউ কেউ বলেছেন তা একদম ফাল্টু কথা। এই বলে আমার বক্তব্য শেষ করলাম।

* **শ্রীজগত হাজৰিকা :** মাননীয় সভাপতি মহোদয়, মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে আজি যি দাবী মঞ্জুৰী বিচাৰিছে তাক মই পূৰ্ণ সমৰ্থন জনাই কেইটামান কথা কবলৈ ওলাইছো। সভাপতি মহোদয়, সভ্যতাৰ মাপকাঠিৰ আন এটা দিশ হৈছে— যোগাযোগ ব্যৱস্থা। ইয়াৰ লগত ৰজিতা খুৱাই আমাৰ দেশৰ সভ্যতা কিমান দূৰলৈ গৈছে সেইটো চাব লাগিব। আমি ইতিহাসক সমালোচনা নকৰিলে বৰ্তমানক নেপাম। মই আজি লক্ষীমপুৰ জিলাৰ যাতায়ত ব্যৱস্থাৰ কথাই বিশেষকৈ উল্লেখ কৰিম। আমাৰ সমালোচনা গঠনমূলক হব লাগে— ধ্বংসমুখী হব নালাগে।

সভাপতি মহোদয়, আজি লক্ষীমপুৰ জিলাত ৬ টা বিধানসভা সমষ্টি আছে। যোৱ ৩৮ বছৰে এই সমষ্টি কেইটাত যি ৰাস্তা-ঘাট হ'ল সি সচাকৈয়ে পুতৌ লগা অৱস্থা। এই জিলাখনে এই দিশত দেশৰ অনান্য অঞ্চলৰ লগত একেলগে আগবাঢ়ি যাব নোৱাৰিলে বা যাবলৈ দিয়া নহল। আজি ধেমাজী, জোনাই, নাওবৈছা, বিহপুৰীয়া আদিত এটাও সুন্দৰ ৰাস্তা আপুনি দেখিবলৈ

* Speech not corrected

নেপায়। আজি গুৱাহাটীত ৰেল লাইনৰ ওপৰত ফ্লাই অ'ভাৰ হৈছে। কিন্তু উত্তৰ লক্ষীমপুৰত বিমান ঘাটী, চিভিল হস্পিতেল, ডনবস্কো স্কুল আদিলৈ যোৱাৰ পথত থকা ৰেল লাইনৰ ওপৰত এখন অ'ভাৰ ব্ৰীজ লাগে বুলি আমি বহুদিনৰ পৰা দাবী কৰি অহা স্বত্বেও হৈ উঠা নাই। আমাৰ চৰকা-ৰেও যোৱা আঢ়ৈ বছৰত এই ক্ষেত্ৰত এটা সিদ্ধান্ত লোৱা নাই, মই মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক লক্ষীমপুৰ লীলাবাৰী পথত অতি প্ৰয়োজনীয় এই অ'ভাৰ ব্ৰীজখনৰ কথা বিবেচনা কৰিবলৈ অনুৰোধ জনাইছো। মাননীয় সদস্য শ্ৰীদেব বৰা ডাঙৰীয়াৰ কথাত মই এক মত। আজি মাজুলী পৃথিবীৰ ভিতৰত শ্ৰেষ্ঠ নদী দ্বীপ। কিন্তু আজি মাজুলীলৈ যোৱাৰ কোনো সুব্যৱস্থা নাই। মই গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে তেখেতে উত্তৰ পূৰ পৰিষদৰ লগত যোগাযোগ কৰি উত্তৰ লক্ষীমপুৰৰ পৰা মাজুলীলৈ থকা পথটো উন্নত কৰাৰ ব্যৱস্থা কৰে। মাজুলীলৈ যাব পৰা এইটোৱেই একমাত্ৰ সুচল পথ। সভাপতি মহোদয়, লক্ষীমপুৰ জিলাৰ মাজেদি যোৱা ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষেদি থকা লালুক-ইচলামপুৰ পথটোৱেদিয়েই কিজানি সৰ্বাধিক গাড়ী অহা যোৱা কৰে— কিয়নো ৰাষ্ট্ৰীয় পথতকৈ এই পথেদি দূৰত্ব প্ৰায় ৮ কিলোমিটাৰমান কম হয়। আনহাতে গোটেই অসমৰ ভিতৰত বোধকৰো এইটো ৰাস্তাতেই সবাতোকৈ বেছি স্পীড ব্ৰেকাৰ আছে। এই পথছোৱাত থকা দুৰ্বল কাঠৰ দলং ভাঙি কোনোবা দিনা নগাওঁত হোৱাৰ দৰে ডাঙৰ দুৰ্ঘটনা হব বুলি আমি আশংকা কৰো। মন্ত্ৰী মহোদয়ে অসমৰ সকলো ৰাস্তা নিজে চাবলৈ যাব নোৱাৰে সেইটো ঠিক কিন্তু বিভাগীয় বিষয়া সকলে এইবোৰ কথা মন্ত্ৰীক বা উৰ্দ্ধতন বিষয়াক জনাব লাগে। এই ৰাস্তাটোৰ ওপৰত চৰকাৰে চকু দিব লাগে— যাতে সম্ভাব্য দুৰ্ঘটনাৰ পৰা হাত সাৰিব পাৰি।

সভাপতি মহোদয়, আজি কোনো মাননীয় সদস্যই ৰাস্তা 'ব্লেক টপিং' কৰাৰ কথা কৈছে— কিন্তু মই এইটো ভাবিবই নোৱাৰো। কাৰণ আমাৰ ভাল এটা ৰাস্তাই নাই ব্লেক টপিং কৰিম ক'ত? বোকা পানীৰ পৰা কেনেকৈ পাৰ পাম সেইটোহে আমাৰ কথা। এই খিনিতে মই আমাৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিছো যাতে তেখেতে আজি এই বিধান সভাতে অসমৰ সীমা মূৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ কিনাৰেদি অসমৰ

জোনাইলৈ যাবলৈ এটা বোৰ্ডাৰ ৰোড নিৰ্মান কৰাৰ কাৰণে প্ৰস্তাৱ আগবঢ়াই যেন। নহলে অদূৰ ভবিষ্যতে ইয়াত এখন অন্য এক মেৰাপানীৰ দৰে ঘটনাৰ সৃষ্টি হব পাৰে বুলি মই আগতেও বক্তব্য ৰাখিছিলো আৰু আজিও কৈছো। সেয়ে সময় থাকোতেই এই বোৰ্ডাৰ ৰোডটো তৈয়াৰ কৰাৰ প্ৰস্তাৱ আনক। ইয়াকে কৈ মই এই মঞ্জুৰীৰ পূৰ্ণ সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

সভাপতি : মাননীয়, শ্ৰীমইদুল ইচলাম বৰা।

*__শ্ৰীমইদুল ইচলাম বৰা :__ মাননীয় সভাপতি মহোদয়, গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে পথ আৰু দলংৰ শিতানত যি টকা বিচাৰিছে তাৰ সমৰ্থনত কওঁ যে বিভিন্ন সদস্যসকলে মতামত দিয়া অনুযায়ী এই গড়কাপ্তানী শিতানত আৰু বেছি টকাৰ প্ৰয়োজন আছিল কিয়নো আজি ৩৮ বছৰ পাছতো এটা কথা লক্ষ্য কৰা হৈছে যে অসমত যিমানবিলাক পথ আৰু দলং আছে সেই পথ আৰু দলংবিলাক নিৰ্ম্মাণ বা মেৰামতি কৰিবলৈ বাজেটত যিমান টকা আছে তাৰ দুগুণ টকাৰ প্ৰয়োজন হব। এই কথা নিশ্চয় প্ৰত্যেকেই স্বীকাৰ কৰিব। কিন্তু ইমান টকা দিয়া সম্ভৱ নহয় কাৰণেই ৰাস্তা-ঘাট বিলাক সম্পুৰ্ণ হৈ উঠা নাই। এটা কথা আমি নিশ্চয় সকলোৱে স্বীকাৰ কৰিব লাগিব যে ৩৮ বছৰ পাছত আমাৰ নতুন চৰকাৰৰ গড়কাপ্তানী মন্ত্ৰী মহোদয়ে এই বিভাগটো যিমান ম্লান হৈ আছিল তাক উজ্বল কৰাত ব্যৰ্থ হোৱা নাই। কিয়নো এই বিভাগৰ দুৰ্নীতিৰ বিষয়ে ইয়াৰ আগতে বিধান সভাৰ মজিয়াত বহুতো কথা ওলাই গৈছে। আজি বিৰোধী পক্ষত থকা এগৰাকী মাননীয় সদস্য তেতিয়া মন্ত্ৰী হৈছিল তেতিয়াও দুৰ্নীতিৰ কথা বিধান সভাত ওলাইছিল। আচলতে এই গড়কাপ্তানী বিভাগৰ দুৰ্নীতিৰ দূৰ কৰিবলৈ হলে বা ঠিক কৰিবলৈ হলে মন্ত্ৰীৰ লগতে বিভাগীয় বিষয়া সকলেও চেষ্টা কৰিব লাগিব। এই কথা নিশ্চয় সকলো সদস্যই স্বীকাৰ কৰে। বিষয়া সকলৰ মাজত আমাৰ চৰকাৰৰ দিনত এতিয়ালৈকে শতকৰা ৪০ ভাগ বিষয়া ঠিক বিষয়া পোৱা নাই। এইটো প্ৰমাণ হৈছে যে পুৰ্ব্বৰ চৰকাৰৰ দিনৰ যে ঠিকাদাৰসকলৰ মাজত শতকৰা ৬০/৪০ যি নিলজ্য বেপাৰ সেইটো একেবাৰে নাইকীয়া নহলেও কিছু কিন্তু কমিছে। মই একেবাৰে শেষ হৈছে বুলি নকওঁ। বিষয়া সকলৰ মাজত ভাল বিষয়া বা বেয়া বিষয়া আছে। গতিকে এই নিলজ্য বেপাৰটো

* Speech not corrected

শতকৰাব ভিতৰত ১০০ ভাগেই নাইকীয়া হৈছে বুলি কলে সদনক মিচ্‌লিদ কৰা হব। আমাৰ চৰকাৰ সত্যৰ ওপৰত প্ৰতিষ্ঠিত সেই কাৰণে আমি সত্য কথা কৈ যাব লাগিব আমি মিছা কথা কবলৈ অসুবিধা হয়। আমাৰ মন্ত্ৰী মহোদয়েও যেতিয়া উত্তৰ দিয়ে সদায় সত্যটো কয় আৰু দৃঢ়তাবে কয় আৰু যিটো নোৱাৰে নোৱাৰিম বুলি কয় আৰু পাছত লগ ধৰিবলৈ কয়। আমি এজন বেছ গুৰু গম্ভীৰ মন্ত্ৰী পাইছো। গড়কাপ্তানী মন্ত্ৰীসকল গুৰু গম্ভীৰেই হয় নেকি? আমাৰ বিৰোধী পক্ষৰ সদস্য মাননীয় শ্ৰীআলটাফ হুচেইন মজুমদাৰ যেতিয়া গড়কাপ্তানী মন্ত্ৰী আছিল তেখেতো গুৰুগম্ভীৰেই আছিল, এতিয়াও অৱশ্যে গম্ভীৰ আমাৰ বৰ্ত্তমানৰ মন্ত্ৰীয়ে প্লেন ওৱেত কাম কৰে হেফাজাৰ্দলী কাম নকৰে। কামবিলাকো কিছু চকুত লগা হৈছে। কোনোবাই মাজুলীৰ অৱস্থা নাই বুলি কৈছে সেইটো বেলেগ কথা। গাওঁ অঞ্চলৰ যিবিলাক ৰাস্তা বহলীকৰণ বা পকীকৰণ কৰিছে। সেইবিলাক হেফাজাৰ্দলী কৰা নাই প্লেনওৱেত হৈ আছে। ৰাস্তা মেৰামতি কৰা ক্ষেত্ৰত যেনে ব্যৱস্থা লৈছে সেইটো প্ৰশংশনীয়। উচ্ছেদৰ কথা কৈছে। ৰাস্তা বনাবলৈ যাওতে নিশ্চয় উচ্ছেদৰ কথা আহিবই। গড়কাপ্তানী বিভাগক সুধিলে সদায় এটা কথাকে কয় যে ৰাইজে ৰাস্তা লাগে বুলি দৰ্খাস্ত দিয়ে সচা কিন্তু ৰাস্তা কৰিবলৈ যাওতে ৰাইজে মাটি এৰি নিদিয়ে যি অলপ দিয়ে তাতো সুবিধা বুজি আজি এফুট কালি দুফুটকৈ জেউৰাখন আগবঢ়াই আনে। যাৰ কাৰণে ৰাস্তা-বিলাক কোনোদিনেই সম্পূৰ্ণ নহয়। গতিকে অধিগ্ৰহণ বা উচ্ছেদকৰণৰ ক্ষেত্ৰত আমাৰ মন্ত্ৰী মহোদয়ে যি দৃঢ় পদক্ষেপ লৈছে মই তাৰ কাৰণে মন্ত্ৰী মহোদয়ক অভিনন্দন জনাইছো। গুৱাহাটী বিউটিফিকেনৰ কাৰণে বা ৰাস্তা উন্নয়নৰ কাৰণে যি পদক্ষেপ লৈছে তাৰ কাৰণে ভাল পাইছো। গুৱাহাটী চহৰত ৰাতিপুৱা ১০ বজাত গাড়ী, ঘোৰা, ট্ৰাক, ৰিক্সা, মটৰ কাৰ আদিয়ে যি অৱস্থাৰ সৃষ্টি কৰে বিশেষকৈ চান্দমাৰী অঞ্চলত একেবাৰে দেদলকৰ সৃষ্টি কৰে। কিন্তু সেই ঠাইতো এদিনো গাড়ী বন্ধ নোহোৱাকৈ আনন্দৰাম বৰুৱা সেতু ফ্লাই অভাৰ সৌ সিদিনা মন্ত্ৰী মহোদয়ে উদ্বোধন কৰিলে। তেখেতে ৰেলৱে ক্ৰচিং বিলাকত ফ্লাই অভাৰ কৰিব বুলি কৈছে তাত আমি আনন্দ পাইছো। মোৰ সমষ্টিতে চাংসাৰীত তেনে এখন ফ্লাই অভাৰৰ কাৰণে মই তেখেতক আগতেও কৈছো আজিও অনুৰোধ জনালো। এই ঠাই ডোখৰ বৰ গুৰুত্ব-

পূৰ্ণ ঠাই ইয়াৰ ওপৰেদি মঙ্গলদৈ, ধুবুৰী, তেজপুৰ, লক্ষীমপুৰ আদি ঠাইলৈ যায় কিন্তু প্ৰায় বেলৰে গেটখন বন্ধ থকা কাৰণে বেমাৰী আদিও কেতিয়াবা মৃত্যুমুখত পৰিবলগীয়া হয় আৰু দূৰণীবতীয়া যাত্ৰীসকল বৰ আহুকালত পৰে। গতিকে ৩১ নং ঘাই পথত চাংসাৰীত এখন ফ্লাই অভাৰ বনাই ৰাইজক উপকৃত কৰিব বুলি মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

ৰাস্তা-ঘাট বনোৱাৰ কাৰণে বা বনোৱাৰ ক্ষেত্ৰত গড়কাপ্তানী বিভাগৰ কিছুমান তথ্য থাকে কাৰণ ৰাস্তাটো বনোৱাৰ আগতে চাৰ্ভে কৰি লোৱা হয়। আমাৰ মাননীয় সদস্য দেৱ বৰা ডাঙৰীয়াই কৈছে যে চাৰ্ভে ৰিপোৰ্টত কোনটো গুমটি উঠিব কোনখন দোকান উঠিব সেইবিলাক থাকে। তেওঁলোকৰ লগত এখন লিষ্ট থাকে। অভাৰচিয়াৰবিলাকে সেইবিলাক লিষ্ট লৈ যায় কিন্তু গুমটি বা দোকানবিলাক নুঠায়। সেইবিলাক ৰাস্তা বনোৱাত কৰা হলে পাছত উচ্ছেদৰ কথা নাহিলহেঁতেন। ৰাস্তাৰ কাষত বনোৱা দোকান পোহাৰ বিলাকৰ প্ৰায়ে অনুমতি নাথাকে। তাৰ প্ৰমাণ চাওক আজি যিবিলাক দোকান-পোহাৰ উচ্ছেদৰ নামত ভাঙিছে বুলি কৈছে সেইবিলাকে নিশ্চয় কোৰ্টৰ সহায় ললে-হেঁতেন যদিহে তেওঁলোকৰ অনুমতি থাকিলেহেঁতেন। গতিকে ৰাস্তা বনোৱাৰ আগতে উপায়ুক্তৰ দ্বাৰা গড়কাপ্তানী বিভাগে গুমটি দোকান আদি বনোৱাৰ বন্ধ কৰিবলৈ মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

সভাপতি মহোদয়, গাওঁবোৰৰ ৰাস্তাবোৰৰ অৱস্থা খুবেই বেয়া হৈছে এই কথা ইয়াৰ আগতে কেইবাজনো সদস্যই এই কথা আলোচনা কৰিছে। কিন্তু এই কথাও ঠিক যে গাওঁৰ সকলোবোৰ ৰাস্তা নতুনকৈ বনায় দিয়া সম্ভৱো নহয়। কিন্তু মোটামুটিভাৱে যি কেইটা ৰাস্তাত গাড়ী চলি থাকে সেই কিটাৰ অলপ ৰিপেয়াৰিং কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। গুৱাহাটীৰ পৰা গোবে-শ্বৰলৈ যিটো ৰাস্তা আছে, মোৰ সমষ্টিৰ মাজেদি লগতে গৃহমন্ত্ৰীৰ সমষ্টিও চুই গৈছে সেই ৰাস্তাটো পাতিদৰং আৰু গোবেশ্বৰলৈ সেই ৰাস্তাটোৰ যি দুৰৱস্থা হৈছে তাক কৈ বুজাব নোৱাৰি। তাৰ কাৰণে অৱশ্যে ফাণ্ড দিয়া হৈছে কিন্তু এক্‌জিকিউটিভ ইঞ্জিনীয়াৰৰ তৎপৰতাৰ অভাৱৰ কাৰণেই তাত গাড়ী ঠেলিব লগীয়া অৱস্থা হৈছে, সিদিনা মই নিজেই মিটিং কৰি ঘূৰি আহোতে সেই অৱস্থাৰ সন্মুখীন হব লগীয়া হৈছিলোঁ। মন্ত্ৰী মহোদয়ে মেৰামতিৰ কাৰণে টকা দিছে কিন্তু সেই কামটো চাবৰ কাৰণে তাত যিজন অভাৰচিয়াৰ আছে

তেওঁৰ নাম সনাতন দত্ত, তেওঁ তাত ১০-১২ বছৰমান ধৰি আছে, তেওঁ তৎপৰতা দেখুৱা নাই। তেওঁক বদলি কৰাৰ কাৰণে অৰ্ডাৰ দিছে কিন্তু তেওঁ মোৰ ওচৰলৈ আহিছিল ষ্টে কৰিবৰ কাৰণে। মই তেওঁক কৈছোঁ যে তেওঁ ১০-১২ বছৰ ধৰি একে ঠাইতে আছে আকৌ ষ্টে কৰাটো ইলিগেল হব। কিন্তু এতিয়া গম পাইছোঁ কোনোবা এজন চুপাৰিটেণ্ডেণ্ট ইঞ্জিনীয়াৰে তেওঁৰ বদলি স্থগিত কৰিছে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এইদৰে ৮-১০ বছৰ ধৰি একে ঠাইতে থকা অভাৰচিয়াৰ বিলাকক অদল বদল কৰাৰ ব্যৱস্থা কৰিব লাগে। কিয়নো বহুদিন একে ঠাইতে থাকিলে তেওঁলোক ঘৰুৱা হৈ যায় আৰু কামত গুৰুত্ব দিব নোখোজে। কিন্তু আমাৰ চৰকাৰৰ কামৰ গুৰুত্বৰ কথা আছে, সেয়ে যি সকলে কাম ভালদৰে নকৰে তেওঁলোকক অদল-বদল কৰাটো ভাল হব বুলি অনুভৱ কৰিছোঁ। দ্বিতীয়তে দলংবোৰৰ কথা কওঁ, এই দলংবোৰৰ অৱস্থা খুবেই বেয়া হৈছে। দলংৰ দুই কাষও ভাগি ভাগি যায়। দলং মেৰামতি কৰাৰ পইচা পাতি লৈ যোৱাৰ পিচতে এই দলংৰ দুইকাষ ভাগি যায়, কাঠবোৰ নোহোৱা হয় আৰু গজালবোৰ ওলায় থাকে। এই গজালবোৰৰ কাৰণে বহু টায়াৰ নষ্ট হয়। বাছ আদিৰ কথা বেলেগ কিন্তু সাধাৰন মানুহৰ গাড়ী, স্কুটাৰ বা চাইকেল আদিৰ অৱস্থা সদায় নোহোৱা হলে কি হব? এইবোৰ বিষয়ত অলপ চকু দিলে ভাল হয়। মন্ত্ৰী মহোদয়ে অৱশ্যে আগতেই কৈছিল কংক্ৰিত ব্ৰীজ কৰি দিয়াৰ কথা সেইটো সচাকৈ কৰি দিব পাৰিলে বৰ ভাল হয়। এতিয়া আৰু এটা কথা হল যে আমাৰ মেইন ৰাস্তাৰ যি চট আছে সেইবোৰ বহল কৰিব লাগে। অৱশ্যে বাৰ কৰাৰ কথা চলি আছে। বাইহাটাৰ পৰা মঙ্গলদৈ আৰু ধুবুৰীলৈ যি ৰাস্তা আছে তাৰ চট বহল কৰাৰ প্ৰয়োজন আছে। হেভী ট্ৰেফিকৰ ৰাস্তাৰ চট বহল কৰি দিলে দুৰ্ঘটনা নহয়। মই গুৱাহাটী গোৰেশ্বৰ যিটো ৰাস্তাৰ কথা কৈছোঁ সেইটো মন্ত্ৰী মহোদয়ে গৈ চাই আহিছে গতিকে সেইটো অতি সোনকালে কৰি দিলে ভাল পাম। মই আৰু এটা ৰাস্তাৰ কথা কব খুজিছো সেইটো হল এটা অলটাৰনেটিভ ৰাস্তাৰ কথা। কেতিয়াবা নেচনেল হাই ৱেত গাড়ী ব্ৰাগখিলে দুইকাষে গাড়ী বন্ধ হৈ দীঘল সাৰী হব লগীয়া হয়। সেয়ে এটা অলটাৰনেটিভ ৰাস্তা আমাক লাগে। গৌৰীপুৰৰ হৈ মাগুাকাটাহৈ বেজেৰা হৈ তেজপুৰ লৈ এটা ৰাস্তা কৰিব পাৰে। আকৌ আন এটা ৰাস্তা আছে

কমলপুৰৰ পৰা চাংসাৰী হৈ গুৱাহাটীলৈ আহিব পাৰি। কেতিয়াবা নেচনেল হাই ওৱেত গাড়ী দুৰ্ঘটনা হৈ ৰাস্তা বন্ধ হৈ থাকিলে এই ৰাস্তাটো ব্যৱহাৰ কৰিব পৰা যাব। এইখিনিকে কৈ মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি লগতে বিৰোধী পক্ষক কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ একবজাৰ পৰা গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিব। গতিকে সদস্য সকলে এক বজালৈ কব পাৰিব।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য শ্ৰীমসিৰুদ্দিন শ্বেখ।

*** শ্ৰীমসিৰুদ্দিন শ্বেখ :** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীআলটাফ হুচেইন মজুমদাৰ ডাঙৰীয়াই অনা কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুষাৰমান কব খুজিছোঁ। আজি এই বিভাগৰ ওপৰত আলোচনা কৰোতে প্ৰতি জন সদস্যই বিৰোধী দলৰেই হওক বা শাসকীয় দলৰেই হওক সকলোৱে কৈছে যে মেৰামতিৰ কাম হোৱা নাই। নতুন ৰাস্তা হৈছে কিন্তু পুৰণি ৰাস্তা মেৰামতি হোৱা নাই সেই কথা সকলোৱে লক্ষ্য কৰিছে। আমি আগুৱাই গৈছো কিন্তু পিচলৈ ঘুৰি চোৱা নাই। পুৰণি ৰাস্তা ব্যৱহাৰ কৰিব পৰা হৈ আছে নে নাই সেইটো চোৱা হোৱা নাই। আজি প্ৰায় সকলোবোৰ পুৰণা ৰাস্তা ব্যৱহাৰ কৰিব নোৱাৰা অৱস্থা হৈছে। সেয়ে অলপ বেছি টকা খৰচ কৰি হলেও পুৰণি ৰাস্তাবোৰ ব্যৱহাৰৰ উপযোগী কৰি তুলিব লাগে। দ্বিতীয়তে দুৰ্নীতিৰ কথা সকলোৱে কৈছে। অথনি কেনোবা এজন সদস্যই কৈছিল লেফট্ ফ্ৰণ্ট চৰকাৰত দুৰ্নীতি নহয়। কিন্তু সেইটো মই মানি লব নোৱাৰো কাৰণ সিদিনা জ্যোতি বসুৱেও কৈছে যে তেওঁ দুৰ্নীতিৰ উৰ্দ্ধত নহয়। মোৰ কথা হয় দুৰ্নীতি থাকিবই। ইয়াক আমি নুই কৰিব নোৱাৰোঁ। কিন্তু দুৰ্নীতিয়ে সমাজক যেতিয়া কলুষিত কৰে তেতিয়া যদি সেই দুৰ্নীতিৰ বিচাৰ নহয় তেতিয়াহে সমাজৰ অধঃপতন হব। আমি দুৰ্নীতি নোহোৱা কৰিব নোৱাৰোঁ। ৰাজনীতি কৰি আমি দুৰ্নীতিক প্ৰশ্ৰয় দি আমি সমাজৰ মেৰুদণ্ড ভাঙি দিব নোৱাৰোঁ। অন্ততঃ মই এইক্ষেত্ৰত ৰাজি হব নোৱাৰোঁ। আজি দেখা গৈছে মই বিৰোধী দলৰ সদস্য সেয়ে কোনোবা বিষয়াক যদি কিবা কথা কওঁ তেওঁলোকে মুখতে কৈ দিয়ে যাওক মন্ত্ৰীক লগাই দিবগৈ। আৰু তেনেকৈ যদি কোনোবাই কৈ দিয়েও তেন্তে সেই বিষয়াজনৰ পুৰস্কৃত হোৱাহে দেখা যায়।

বিৰোধী দলৰ সদস্যই উচিত কথা কলেও সেইটো কোনেও নাচায়। এইয়াই হৈছে আমাৰ বিষয়া কিছুমানৰ মানসিকতা বা কাম কৰাৰ মনোভাৱ।

অধ্যক্ষ মহোদয়, মই গড়কাপ্তানী বিভাগৰ এটা কথা কওঁ সেইটো হল আমাৰ এই বিভাগত যিবিলাক কাম কাজ চলি আছে সেই বিলাকৰ ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ যে ইয়াত যেতিয়া দলং আৰু ৰাস্তা আদি বনাবলৈ দিয়া হয় তেতিয়া আমাৰ নিবনুৱা লৰা বোৰক ঠিকা আদি দিয়াৰ সুবিধা দিব লাগে। সেই কাৰণে মই কৈছো যে আমাৰ যিবিলাক স্থানীয় নিবনুৱা যুবক সকল আছে তেওঁলোকক এই কাম বিলাকৰ ঠিকাথুকুলি বিলাক দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কিন্তু কিছুমান ঠাইত দেখা গৈছে তেওঁলোকক থাৰ্ডক্লাচ কনট্ৰেক্টৰৰ গ্ৰুপত মাত্ৰ ১৪০০। ১৫০০ টকাত ঠিকাৰ কাম কৰিবলৈ দিয়া হয়। ইমান কম পৰিমানৰ টকাৰে তেওঁলোকে কি ঠিকা থুকুলি কৰিব। আনহাতেদি যিবিলাক ডাঙৰ ডাঙৰ কনট্ৰেক্টৰ গ্ৰুপ আছিল সেইবিলাকক আগতে ৫ লাখ টকাৰ গ্ৰুপত দিয়া হৈছিল। কিন্তু এতিয়া ৫০ লাখ টকাৰ গ্ৰুপত দিছে। এই বিলাক অসমৰ বাহিৰৰ মানুহ। আমি বুজি নাপাও কিয় এই বাহিৰৰ মানুহক ডাঙৰ ডাঙৰ ঠিকা থুকুলি বিলাক দিয়া হয়। কিবা ভাল কাম হব বুলি আশা কৰি নে দ্ৰুত গতিৰে কাম হব বুলি তেওঁলোকক দিয়া হয়। গতিকে মই ভাবো আমাৰ স্থানীয় যিবিলাক সমস্যা আৰু স্থানীয় যিবিলাক কাম সেইবিলাক কামৰ ঠিকা ঠুকুলি আমাৰ স্থানীয় নিবনুৱা যুবক সকলক দিব লাগে যাতে তেওঁলোকৰ সংস্থাপন হয়। এই বিষয়ে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। মোৰ সমষ্টিৰ এটা ৰাস্তাৰ কথা মই বাৰে বাৰে কৈ আছো। মই বোধকৰো এই ক্ষেত্ৰত ৰেকৰ্ড স্থাপন কৰিছো। সদনত তিনিবাৰকৈ প্ৰশ্নও আহিছে। সেই ৰাস্তাটো হল ধুবুৰীৰ পৰা বিশ্মা-চাৰলৈ। তাত দুটা ৰাস্তা আছে আৰু দুখন ব্ৰীজৰ আৱশ্যক হোৱাৰ কাৰণেই আজি তেৰবছৰ ধৰি ৰাস্তাটো সম্পুৰ্ণ নহ'ল। মাননীয় মন্ত্ৰী মহোদয়ক মই এই বিষয়ে কেবাবাৰো কৈছিলো। মন্ত্ৰী মহোদয়েও টকা-পইচা হলে কৰিব পৰা হব বুলি কলে। মই পুনৰ তেওঁক অনুৰোধ জনাইছো। এইখিনিতে মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া সোনোৱাল :** মাননীয় অধ্যক্ষ মহোদয়,

* Speech not corrected

আমাৰ গড়কাপ্তানী মন্ত্ৰী ডাঙৰীয়াই যি টকা মঞ্জুৰী বিচাৰিছে তাক মই পূৰ্ণ সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ উথাপন কৰিছে তাৰ মই বিৰোধিতা কৰিছো। ইতিমধ্যে বাজেটত যিখিনি টকা ধাৰ্য্য কৰা হৈছে সেই খিনি অতি নগন্য। অসমত শদীয়াৰ পৰা ধুবুৰীলৈকে ৰাস্তা-ঘাট আদিৰ ক্ষেত্ৰত বহুতো সমস্যা আছে। যি কি নহওক বিৰোধী পক্ষৰ মাননীয় সদস্য সকলেও এই ক্ষেত্ৰত বিভিন্ন পৰামৰ্শ আগবঢ়াইছে আৰু তেখেতসকলৰ সমস্যা বিলাক অবগত কৰিছে। এই দিশত আমি কেনে ধৰণে কাম কৰিব পাৰো সেইটো আমি লক্ষ্য কৰিব লাগিব। বিশেষকৈ আমাৰ গাওঁ পৰ্য্যায়ত যিবিলাক ৰাস্তা আছে সেই ৰাস্তাবিলাক অতি বেয়া অৱস্থাত আছে। এই বিলাক বিষয়েও আমি চকু দিব লাগিব। আমাৰ চৰকাৰে গুৱাহাটীৰ মালিগাওঁৰ পৰা ভৰলুমুখলৈ যিখিনি ৰাস্তা আছে তাত ডাবোল লেণ কৰিছে। এইটো সুন্দৰ কাম কৰিছে বুলি আমি কব লাগিব। তাৰোপৰি আমাৰ নেশ্যনেল হাইওৱে যিটো ৫২ নং ৰাস্তা বাইহাটা চাৰিআলিৰ পৰা জোনাইলৈ চিংগল লেন হৈ আছে সেই ৰাস্তাটোও বহল কৰিব লাগে। যোৱা কালি মই ঘৰৰ পৰা আহোতে প্ৰায় ১ ঘণ্টা মান সময় গাড়ীৰ ভীৰৰ কাৰণে ৰব লগা হৈছিল। বাইহাটা চাৰিআলিৰ পৰা জোনাইলৈ এই পথচোৱাৰ ভিতৰত বিভিন্ন সময়ত দুৰ্ঘটনা হৈ থাকে। আৰু দুৰ্ঘটনা হোৱাৰ কাৰণো এইটোৱেই। গতিকে এখন মোবাইল ৰিকোভাৰী গাড়ীৰ ব্যৱস্থা কৰিলে ভাল হয় যাতে গাড়ী বিলাক দুৰ্ঘটনা হলে বা বেয়া হলে তাৰ পৰা তৎক্ষনাত সেই বেয়া হোৱা গাড়ী বিলাক উঠাই লৈ আনিব পাৰি। তাৰ পাচত আমাৰ যিবিলাক ৰাস্তা সীমান্তত আছে আৰু যিবিলাক একেবাৰে নিম্নপৰ্য্যা ত আছে সেইবিলাক ৰাস্তাৰ উন্নতি সাধন কৰিব লাগে। অসম অৰুনাচল সীমান্তৰ কাষে কাষে যদি পেৰেলো ৰাস্তা কৰা হয় তেতিয়াহলে ভাল হব নহলে অসম নাগা-লেণ্ড সীমান্তত যিটো দুৰ্ঘটনা হৈছিল তাতো তেনে দুৰ্ঘটনা হোৱাৰ সম্ভাবনা আছে। আমাৰ পুলিচ বাহিনীয়ে তাত যাবলগীয়া হলে ১১ কিলোমিটাৰ ৰাস্তা খোজ কাঢ়ি যাব লগীয়া হয়। গতিকে সেই ৰাস্তাটোৰ কাম খুব তীব্ৰ গতিত লব লাগে। আমাৰ মেইন যিখিনি খৰচ লাগে, ৰাস্তাবিলাকৰ নিৰ্মানৰ ক্ষেত্ৰত যিটো খৰচ হব সেইখিনিহে ৰখা হয়। কিন্তু ৰাস্তা বেয়া হলে তাক ৰিপেয়াৰ কৰাৰ কাৰণে কোনো পুজিঁৰ ব্যৱস্থা নাৰাখে। আমাৰ ৰাস্তাৰ যিখন

বাজেট সেই বাজেটত ৰিপেয়াৰিংৰ কাৰণেও টকা ধাৰ্য্য কৰিব লাগে। অভাৰ ব্ৰীজৰ কথা আমাৰ মাননীয় সদস্য হাজৰিকা ডাঙৰীয়াইও কৈ গৈছে। অভাৰ ব্ৰীজৰ প্ৰয়োজনীয়তা আছে। কাৰণ লক্ষীমপুৰত ভেটেৰীনাৰী কলেজ হব আৰু বিমান ঘাটী হব। গতিকে ইয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ চৰকাৰে এটা ভাল কাম কৰিছে, সেইটো হল আগতে মাজুলীৰ যোগাযোগ ৰাজ্যখনৰ অন্য ঠাইলৈ বিচ্ছিন্ন হৈ আছিল কিন্তু এতিয়া আমাৰ চৰকাৰে ঢকুৱাখানাৰ পৰা কাঠৰ ব্ৰীজ দি মাজুলীৰ লগত পথৰ সংযোগ কৰিছে। আৰু তাত চৰকাৰৰ গাড়ী চলাবো ব্যৱস্থা হৈ উঠিব। জানিব পৰা মতে এই দলংখন অতি শীঘ্ৰেই মন্ত্ৰী মহোদয়ে উদ্বোধন কৰিব বুলি আশা ৰাখিছো। আমাৰ চৰকাৰে সেনদিয়া নদীৰ ওপৰতো দলং দিয়াৰ ব্যৱস্থা কৰিছে। যোৱা ৪০ বছৰ ধৰি তাত দলংৰ ব্যৱস্থা নাছিল। এতিয়া তাত বাছো চলাচল কৰিব পৰা হব। আন এটা কথা মই কব বিচাৰিছো যে পি, ডব্লিউ, ডি বিভাগৰ ৰেষ্ট হাউচ বিলাকৰ অৱস্থা অতি শোচনীয়, সেই ৰেষ্ট হাউচ বিলাক মেৰামতি কৰাৰ ব্যৱস্থা কৰিব লাগে। কিয়নো আমাৰ মাননীয় সদস্য সকল বা বহুতো মানুহে ৰাস্তাৰে অহা-যোৱা কৰোতে সেই ৰেষ্ট হাউচ বিলাকত জিৰণী লব লগা হয়। সেয়েহে ৰেষ্ট হাউচ বিলাক মেৰামতি কৰাৰ ব্যৱস্থা কৰিব লাগে। এফ, ডি, আৰৰ যিখিনি কাম সেই কাম খিনিত বিশেষভাবে গুৰুত্ব দিব লাগে। আমাৰ ধেমাজী চাব-ডিভিজনৰ এম, এন, পিৰ শিতানত ১৩ লাখ টকা দিয়া হৈছে। তিনিটা সমষ্টিত ভাগ কৰি সেই টকা ললে অতি নগন্য হৈ পৰে। অহা বিত্তীয় বছৰটোত যাতে বেচিকৈ টকা ধাৰ্য্য কৰে তাৰ কাৰণে মই অনুৰোধ জনাইছো। এই ১৩ লাখ টকাৰ অন্ততঃ এক কোটিমান টকা দিলে আমি বহুখিনি ৰাস্তা বনাব পাৰিম। আমাৰ ৰাস্তাৰ যিখিনি সমস্যা আছে সেই সমস্যাখিনি আমি থিক মতে যদি কাম কৰি যাব পাৰো তেতিয়াহলে এই সমস্যা বহুখিনি কমি যাব। লক্ষীমপুৰ জিলাত এফ, ডি, আৰত একেবাৰে কম টকা দিছে। কিয় কম দিছে গম নাপালো। যোৱা ৪০ বছৰে কমকৈয়ে দিছে। আমাৰ জিলাখন বানপানীত ওপডি থকা জাগা। গতিকে এইক্ষেত্ৰত বেচিকৈ অনুদান ইত্যাদি দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু এইক্ষেত্ৰত আগভাগ ললে ভাল হব। হাইওৱেৰ কাষে কাষে যিবিলাক গছ বন বিভাগৰ ফালৰ পৰা ৰুই দিয়া হৈছে সেইবিলাক এতিয়া দাৰোল লেইন কৰাৰ পিছত যাতে উপযুক্ত

ভাবে সংৰক্ষন কৰি থিকমতে লগাই দিয়ে সেই বিষয়ে বিভাগৰ লগত যোগা-যোগ কৰিব লাগে। শেষত গড়কাপ্তানীৰ শিতানত যিটো টকা মন্ত্ৰী মহোদয়ে বিচাৰিছে সেইটো অতি কম হৈছে যদিও সেই মঞ্জুৰীটোৰ পূৰ্ণ সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰীশ্বহীদুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ পথ আৰু গৃহ নিৰ্মাণৰ শিতানৰ মঞ্জুৰীৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ প্ৰতি মই পূৰ্ণ সমৰ্থন জনাইছো। অসম বিশেষকৈ সীমা মূৰীয়া অঞ্চলৰ উত্তৰ পূব অঞ্চলত থকা এটা সীমান্ত অঞ্চল। গতিকে এই সীমান্তৰ চাৰিওফালে পথ নিৰ্মাণ কৰাৰ কাৰণে যিখিনি টকা পইচা আছে এইখিনিৰে নিৰ্মান কৰাতো বোধহয় সম্ভৱপৰ নহব। গতিকে মই আশা ৰাখিছো মন্ত্ৰী মহোদয়ে এটা সীদ্ধান্ত লৈ অসমৰ সীমান্ত অঞ্চলৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা আচুতীয়া হিচাবে অনুদান পাবৰ কাৰণে ব্যৱস্থা লব। ভাৰতবৰ্ষৰ ভিতৰত প্ৰাকৃতিক দুৰ্যোগত অসমেই আটাইতকৈ আগবঢ়া আৰু অসমৰ নিচিনা প্ৰাকৃ-তিক দুৰ্য্যোগ ভাৰতবৰ্ষৰ কোনো ৰাজ্যতেই মহয়। গতিকে অসমৰ ৰাস্তা-ঘাট বানপানীৰ কাৰণে যিমান ক্ষতিগ্ৰস্ত হয় তেনেকৈ ভাৰতবৰ্ষৰ কোনো ঠাইতেই হোৱা নাই। বানপানীত ক্ষতিগ্ৰস্ত হোৱা যিবিলাক গড়কাপ্তানী বিভাগৰ ৰাস্তা আছে তাৰ কাৰণে আচুতীয়া অনুদান আনি এই ৰাস্তাঘাট বিলাক মেৰামতি কৰাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ এই ৰাস্তাবিলাক মেৰামতিৰ ক্ষেত্ৰত আমি যদি গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক সোধো যে এই ৰাস্তা বিলাক কিয় মেৰামতি কৰা হোৱা নাই তেতিয়া তেখেতে কব টকাৰ অভাব, টকা একে-বাৰে কম হোৱাৰ কাৰণেই কাম কৰিব পৰা নাই। গতিকে বানপানীত ক্ষতি-গ্ৰস্ত হোৱা গড়কাপ্তানী বিভাগৰ ৰাস্তা আৰু সীমান্ত অঞ্চলত থকা ৰাস্তা মেৰামতি আৰু নিৰ্মাণ কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা আচুতীয়াকৈ অনু-দান অনাৰ বাবে সৰ্বদলীয় দল দিল্লীলৈ গৈ কেন্দ্ৰীয় চৰকাৰক হেচা দিব লাগে। কাৰণ আজি ৩৮ বছৰ আগতে কেন্দ্ৰত যি চৰকাৰ আছিল আজিও সেই চৰকাৰেই আছে। এতিয়া যি চৰকাৰেই নহওক কিয় কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আদায় কৰাত নিশ্চয় সকলোৱে একমত হব বুলি আশা কৰিছো। দ্বিতীয়তে গড়কাপ্তানী বিভাগত কাম কৰা বিষয়া সকলৰ কথা মই কব বিচাৰিছো। কোনো কোনো বিষয়াই ১০ বছৰ, ১৫ বছৰ ধৰি একে ঠাইতেই

কাম কৰি আছে। তেওঁলোকক বদলি কৰিলেও কোনোবা মন্ত্ৰী বা এম, এল, এ ৰ প্ৰভাবত তেওঁলোকৰ বদলিকৰণ স্থগিত হয় আৰু একে ঠাইতেই কাম কৰি থাকে। বিষয়া সকলৰ কোনোবাই ভাল ডিভিজনত থাকি কাম কৰি আছে আৰু কোনোবাই হেড অফিচত টেকনিকেল ব্ৰাঞ্চত কেৰাণীৰ নিচিনাকৈ কাম কৰি আছে। এই যিবিলাক সুদক্ষ্য, জ্যেষ্ঠ ট্ৰেইনিংপ্ৰাপ্ত আৰু যোগ্য ইঞ্জিনীয়াৰ সকল টেকনিকেল ব্ৰাঞ্চত কাম কৰি আছে তেখেত সকলক ডিভিজনত নিয়োগ কৰাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। মন্ত্ৰীৰ সততা সম্পৰ্কে এটা কথা ওলাইছে। ১০ বছৰ ১৫ বছৰ ধৰি কাম কৰি থকা বিষয়া সকলক যাতে মন্ত্ৰী মহোদয়ে বদলি কৰে আৰু অন্ততঃ তিনি বছৰৰ মূৰে মূৰে যাতে এই বদলিকৰণ চলি থাকে তাৰ কাৰণে মন্ত্ৰী মহোদয়ে দৃষ্টি ৰাখিব আৰু বিষয়া সকলক সময়মতে বদলিকৰণ কৰি সুদক্ষ ভাবে কাম চলোৱাত আগভাগ লব। তাৰ পাচত মই মোৰ সমষ্টিৰ এটা ৰাস্তাৰ কথা কব বিচাৰিছো। সেই ৰাস্তাটো হৈছে নগাওঁ মূঢ়া গাওঁ ৰাস্তা। এই ৰাস্তাটো স্বৰ্গীয় মতি বৰাৰ দিনত নিৰ্মান কৰা হৈছিল। এই ৰাস্তাটোতেই যোৱা বছৰ ৫৬ জন বাছ যাত্ৰী দুৰ্ঘটনাত পতিত হৈ মৃত্যু বৰণ কৰিছিল। আমাৰ মাননীয় সদস্য হাজৰিকাই তেখেতৰ সমষ্টিত স্পীড ব্ৰেকাৰ বেচি আছে বুলি কৈছে। মই কব বিচাৰিছো এই ৰাস্তাটোতেই আটাইতকৈ বেচি স্পীড ব্ৰেকাৰ আছে। মই ভাৰতবৰ্ষৰ কাশ্মীৰ ইত্যাদি ৰাজ্যলৈ গৈও দেখিছো যে সেই বিলাক ৰাজ্যত স্পীড ব্ৰেকাৰ কম। এই ৰাস্তাটোৰ ওপৰেদি গলে ডাক্তৰৰ পৰামৰ্শ ক্ৰমে লগত ঔষধ লৈ যাব লাগিব। কাৰণ ৰাস্তাটো ইমান ঠেক আৰু তাত ইমান স্পীড ব্ৰেকাৰ আছে যে তাৰ ওপৰেদি গলেই পেটৰ বিষ কৰিব। গতিকে এই ৰাস্তাটোৰ ওপৰত যিবিলাক স্পীড ব্ৰেকাৰ আছে সেই স্পীড ব্ৰেকাৰ বিলাক গুচাই দি ৰাস্তাটো বহল কৰাৰ ব্যৱস্থা কৰিব লাগে। কাঠৰ দলংৰ সম্পৰ্কত মই কব বিচাৰিছো যে কাঠৰ দলং কিমান আছে তাৰ এটা এচেচ্‌মেণ্ট কৰিব লাগে। লগতে কিমান কাঠৰ দলং গুচাই তাত কালভাৰ্ট দিব পাৰি এই বিষয়ে মন্ত্ৰী মহোদয়ে সদনত জনোৱাটো উচিত হব। ইয়াৰ উপৰিও কিমান কাঠৰ দলং আৰ, চি, চি, কৰিব পৰা যায় সেইটোও জনাব লাগে। মুঠতে মন্ত্ৰী মহোদয়ে এই বিভাগটোৰ এটা পৰিবৰ্ত্তন আনিব লাগে। তেখেতে গড়কাপ্তানী বিভাগৰ সুদক্ষ বিষয়া সকলৰ ওপৰিও বিধায়ক সকলৰ পৰামৰ্শও লব লাগে। গতিকে মই

ভাবো প্ৰত্যেকৰে পৰা পৰামৰ্শ লৈ আৰু অৰ্থনৈতিক ক্ষেত্ৰত যিখিনি টকা লাগিব এই সম্পৰ্কে চালিজাৰি চাই তেখেতৰ দক্ষতাৰ জৰিয়তে এটা সৰ্বাত্মক ভাকে পৰিবৰ্ত্তন আনিব বুলি ভাবি মোৰ বক্তব্যৰ ইমানতেই সামৰণি মাৰিলো।

***শ্ৰীৰবিন শইকীয়া***: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে যি টকাৰ মজুৰী বিচাৰিছে তাৰ প্ৰতি মই পূৰ্ণ সমৰ্থন আগবঢ়াইছো আৰু এই সুযোগতে অসম গণ পৰিষদ চৰকাৰে যিখিনি ভাল কাম কৰিছে তাৰ এটা চমু খতিয়ান ডাঙি ধৰিব বিচাৰিছো। আপোনালোকে জানে যে এখন চৰকাৰে জন কল্যান মূলক কাম কাজ কৰিবলৈ যাওঁতে কমিউনিকেচন, যাতায়ত, পথ, স্বাস্থ্য, প্ৰাথমিক শিক্ষা, খোৱাপানী আদি বিভাগবোৰৰ ওপৰত বেচিকৈ গুৰুত্ব দি বেচিকৈ কাম কৰে। এই ক্ষেত্ৰত অসমৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণেও আমি চাব লাগিব। তেতিয়াহে যিখিনি আচনি লোৱা হয় সেই আচনিখিনি ৰূপায়ন কৰাত সফল হব পৰা যাব। গড়কাপ্তানী বিভাগৰ মজুৰীৰ ক্ষেত্ৰত যিখিনি টকা ধাৰ্য্য কৰা হৈছে ই অতি কম হৈছে আৰু সেই কাৰণে বিৰোধী পক্ষৰ সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেই কৰ্ত্তন প্ৰস্তাৱ উঠাই লব লাগে। আমাৰ মাননীয় সদস্য এগৰাকীয়ে কোৱাৰ দৰে আমি সৰ্বদলীয় ভিত্তিত মন্ত্ৰী মহোদয়ৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ পৰা অধিক টকাৰ অনুদান আনি কাম কৰাত জোৰ দিব লাগে আৰু তেনে ধৰণে কাম কৰিলে আমাৰ নিশ্চয় ভাল হব। ১৯৮৬-৮৭ চনত কোৱা হৈছিল যে আমাৰ যিবিলাক কাঠৰ দলং আছে সেই বিলাকৰ ঠাইত পকা দলং কৰিব লাগে। ইতিমধ্যে প্ৰায় ২৭।২৮ খন মান কাঠৰ দলং পকী কৰা হৈছে। আনকি নৰ্থ কাছাৰ জিলাৰ নদীৰ ওপৰত থকা কাঠৰ দলঙো পকী কৰা হৈছে। তাৰ পাচত মই ৰাস্তা পকীকৰণ সম্পৰ্কত কব বিচাৰিছো। ৰাস্তা পকীকৰণ কৰা ক্ষেত্ৰত বহুতো অসুবিধাই দেখা দিছে। প্ৰতি বছৰে ৰাস্তা ঘাট আদি নিৰ্মানৰ সম্পৰ্কত ৫।৬ কোটি দিয়া হয়। এই ৫।৬ কোটি টকাৰে ১২০ কিলোমিটাৰ মান ৰাস্তা পকীকৰণ কৰিব পৰা যায়। এনেকৈ ধৰিলে এটা সমষ্টিত এক কিলোমিটাৰমান ৰাস্তাহে পকীকৰণ কৰিব পৰা যায়। গতিকে যিমানবিলাক ৰাস্তা আছে, এই ৰাস্তাবোৰ একেটা বছৰতে পকীকৰণ কৰিব নোৱাৰি। সেয়েহে এই ক্ষেত্ৰত আমাৰ টকাৰ প্ৰয়োজন আছে। সীমান্ত অঞ্চলত যিখিনি ৰাস্তা বনাই থকা হৈছে তাৰ কাৰণে ১৯৮৬-৮৭ চনত প্ৰায় ২ কোটি ৬৩ লাখ টকা খৰচ কৰি কাম কৰা হৈছে।

আমাৰ বোৰ্ডাৰ এৰিয়া বিলাকত যিবিলাক ৰাস্তা লোৱা হয় এই বিলাক যাতে সম ভাবে বিতৰণ কৰি লোৱা হয় আৰু তাৰ দ্বাৰা যাতে ৰাইজ উপ-কৃত হব পাৰে তাৰ কাৰণে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। আমাৰ কেইখনমান ইণ্ডাষ্ট্ৰিয়েলিষ্ট জিলা আছে আৰু এই জিলা কেইখনত বহুত ৰাস্তা দলং আদি ভাল কৰা হৈছে আৰু বহুতো ভাল কাম কৰা হৈছে। তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। বিশেষ কৈ ও, এন, জি, চি আৰু অইল ইণ্ডিয়াৰ সহযোগত প্ৰায় ৩ কোটি টকা খৰচ কৰিছে। অৱশ্যে সেইটো আমাৰ মাননীয় মন্ত্ৰী মহোদয়ৰ যত্নতেই কৰা হৈছে বুলি জানো। তাৰ কাৰণে আমাৰ চৰকাৰক প্ৰশংসা কৰিব লাগিব। এই ক্ষেত্ৰত মই কব বিচাৰিছো মোৰ সমষ্টিৰ এটা কথা। জীয়াভৰলী নদীৰ ওপ-ৰত চকীঘাটৰ যিখন দলং সেই দলংখন নিৰ্মান কৰিলে প্ৰায় ৩৫ কিলোমিটাৰ দৈৰ্ঘ্য ৰাস্তা চমু হৈ পৰিব আৰু অৰুণাচল, লক্ষীমপুৰ, শোণিতপুৰ আৰু নগাওঁৰ যোগাযোগ ও যাতায়তৰ ব্যৱস্থাত যথেষ্টখিনি সুবিধা হব। এই ক্ষেত্ৰত পেট্ৰোলৰ খৰচও কমি যাব আৰু অৰুণাচলৰ লগত পোনপটীয়াকৈ যোগাযোগ কৰিবলৈ সুবিধা হব। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে যোৱা বাৰ এন, ই, চিয়ে ২০ কোটি টকাৰে এই দলংখন বনোৱাৰ কথা কৈছিল বুলি আমি শুনিছিলো। কিন্তু সেইটো নহয় বুলি আমি জানিছো। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ পৰা এই দলংখন সম্পৰ্কত এখন চিঠিও দিছে। গতিকে মন্ত্ৰী মহো-দয়ে যাতে চকীঘাটৰ দলংখন সোনকালে কৰে তাৰ কাৰণে অনুৰোধ জনাই মঞ্জুৰীটো সমৰ্থন কৰি আৰু কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

***শ্ৰীঅতুল বৰা*** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰস্তাৱ সমূহৰ ওপৰত যি আলোচনা হ'ল, সেই আলোচনাত ভাগ লোৱা বিৰোধী দলৰ সদস্য সকলৰ লগতে শাসক দলৰ সদস্য সকলোকো মই ধন্যবাদ জনাইছো। আচলতে কবলৈ গলে মই যদি বিৰোধী পক্ষৰ সদস্য হলোহেতেন বা ভৱিষ্যতেও হওঁ এনে কৰ্ত্তন প্ৰস্তাৱ নানিলোহেতেন। কৰ্ত্তন প্ৰস্তাৱ আমাৰ এই সংসদী ব্যৱস্থা আসোঁৱাহপূৰ্ণ। কাৰণ ১৩২ কোটি টকা মাত্ৰ এটকালৈ হ্ৰাস কৰিব লগা কথাটো কিমান হাস্যকৰ কথা। ই এটা আসোঁৱাহপূৰ্ণ সংসদী ব্যৱস্থা। এটকালৈ হ্ৰাস কৰিব লগা কথাটো আসোঁৱাহপূৰ্ণ চিষ্টেম. মক পাৰ্লিয়া-

মেণ্টৰ নিচিনা হৈছে। এইটো এটা ভেগ ব্যৱস্থা নহয় নেকি যে ১৩২ কোটি টকা এটকালৈ হ্রাস কৰিব লাগে? (গন্দগোল)

Mr. speaker : It is a parliamentary procedure; It is a means to discuss the grant.

**শ্রীঅতুল বৰা** (মন্ত্রী) : অধ্যক্ষ মহোদয়, মক পাৰ্লিয়ামেণ্ট শব্দটো উঠাই লোৱাৰ অসুবিধা নাই। মই মক পাৰ্লিয়ামেণ্টৰ নিচিনা বুলিহে কৈছো। কিন্তু মই যদি বিৰোধী পক্ষ্যত থাকিলোহেতেন, এনে কৰ্ত্তন প্ৰস্তাৱ নানিলোহেতেন। কাৰণ এটকালৈ হ্রাস কৰিব লাগে বুলি কৈ ৰাস্তা পদূলিৰ কাৰণে টকা লাগে বুলি কোৱাটো ঠিক নহয়। এতিয়া মই আচল কথালৈ আহো। দূৰ্নীতি মুক্ত কৰিছো বুলি মই গড়কাপ্তানী মন্ত্রী হোৱাৰ পিচত কেতিয়াও কোৱা নাই– এতিয়াও কোৱা নাই। এই বিভাগত দুৰ্নীতি সম্পুৰ্ণ মুক্ত হোৱা নাই। দূৰ্নীতি কিছু পৰিমাণে কমিছে। দূৰ্নীতি কৰা মানুহক শাস্তি দিয়াৰ যি ব্যৱস্থা আছে, সেই ব্যৱস্থাৰে গণতান্ত্রিক দেশ এখনত দুৰ্নীতি শেষ কৰা দিগদাৰী আছে। তেতিয়া ৰাজতন্ত্র আকৌ উভতি আহিব লাগিব। বিশ্ব, ভাৰতবৰ্ষ বা অসমত ৰাজতন্ত্র যদি ঘূৰি আহে তেতিয়াহে দূৰ্নীতি মুক্ত হব। এজন অফিচাৰে ১৫ হেজাৰ টকা খাইছে। আমি হাতে হাতে ধৰিছো। তেওঁৰ এটা মাত্র ইনক্রিমেণ্ট কটাৰ অধিকাৰ আছে। তেওঁৰ চকু, হাত কটা কথা বাদেই দিছো। তেওঁৰ চাকৰি খোৱাৰ অধিকাৰ নাই। এচিদ দি চকু ফুটাই দিয়া, হাত কটা ব্যৱস্থা, এই বিলাক। .... ... (গন্দগোল)

Shri Binai khungur Basumtari- He is the Minister, he can change the rule.

অধ্যক্ষ মহোদয়, মই কৈছো এই ব্যৱস্থা বিলাক নাই। আগতে ৰাজতন্ত্রত আছিল– এতিয়া নাই। তেওঁৰ চাকৰি নাকচ কৰাৰ অধিকাৰ নাই। ১৫ হেজাৰ টকাৰ কাৰণে তেওঁৰ চাকৰি নেযায়, তেওঁক চাচ্‌পেণ্ড কৰিব পাৰি। কিন্তু তেওঁক চাচ্‌পেণ্ড কৰিলে আকৌ আমাৰ ওচৰত হেচা আহে যে তেওঁক চাকৰিত ৰিইন্‌ষ্টেড কৰক। চাকৰিত ৰিইন্‌ষ্টেড কৰাৰ কাৰণে পলিটিকেল হেচা আহি পৰে। জুনিয়ৰ ইঞ্জিনীয়াৰ এজনক ট্রেন্সফাৰ কৰিলেও গোটেই ৰাইজ উঠি আহে। এই ধৰণে কেনেকৈ এখন দেশত দূৰ্নীতি মুক্ত হব? বদলি কৰিব লাগিলেও পলিটিকেল হেচা আছে। এই পলিটিকেল চিষ্টেমে

গণতন্ত্ৰক ধ্বংস কৰিছে। মন্ত্ৰীক পলিটিকেলি অধিকাৰ দিয়া হৈছে সঁচা আৰু অধিকাৰ আছেও। অফিচাৰ জনে দোষ কৰাৰ পিচত ৰক্ষা পৰিবৰ কাৰণে বহুত পথ আছে। মন্ত্ৰীৰ সীমা আছে– এটা ইনক্ৰিমেণ্ট কাটিব। কাটিলে কাটিব— চাকৰি খোৱা অধিকাৰ নাই। এই ক্ষেত্ৰত বহুত অফিচাৰক হাতে হাতে ধৰিছো। বহুত অফিচাৰক চাচ্‌পেণ্ড কৰা হৈছে। বহুত অফিচাৰৰ বিৰুদ্ধে একচন লোৱা হৈছে। মই পাবলিচিটি বিচৰা নাই।

অধ্যক্ষ মহোদয়, এফ, ডি, আৰ.ৰ টকা ব্লেক টপিং কৰিব দিছো। এফ, ডি, আৰ,ৰ টকা মন্দিৰত ফুল চতিয়াৰ দৰে চতিয়াবলৈ দিয়া নাই। এফ, ডি, আৰ,ৰ টকাৰ সদ ব্যৱহাৰ কৰিব লাগিব। আমাৰ মাননীয় সদস্য শ্ৰীদেব বৰা দেৱে মাজুলীৰ বিষয়ে কৈছে। মাজুলী পৃথিবীৰ ভিতৰত বৰদ্বীপ বুলি কব পাৰি। বিশ্ব বিখ্যাত বৰদ্বীপ মাজুলিক সংযোগ কৰা হৈছে। আজি কোনোবাই দিশপুৰত গাড়ীত উঠিয়েই স্থল পথেৰে মাজুলি পাব পাৰে। যোৰহাটৰ পৰা মাজুলিলৈ গলে পানীত ভৰি দিব নালাগে, নাওঁত উঠিব নালাগে, জাহাজত উঠিব নালাগে, বাছত উঠিয়েই মাজুলি পাব পাৰি। ঢকুৱাখানা দেউৰী গাওঁৰ জেংৰাই মুখত খেৰকটীয়া সুতিত এখন দলং, মাজুলী গুনামুখৰ মাজৰ এই নদীখনৰ দলঙৰ কাৰণে মুঠতে টকা খৰচ কৰা হৈছে ২৪ লাখ ২৬ হেজাৰ আৰু ১৩২ মিটাৰ দৈৰ্ঘৰ দলং দিয়া হৈছে। সোনদিয়া পথৰ দলং-খনত ৫ লাখ টকা খৰচ কৰা হৈছে। সেইখন ৩২ মিটাৰ দৈৰ্ঘৰ।

**ডাঃ অৰ্দ্ধেন্দু দে ঃ** Sir, on a point of clearification মাননীয় অধ্যক্ষ মহোদয়, খেৰকতীয়া বান্ধৰ ওপৰত আগতে এটা ৰাস্তা আছিল। এই ৰাস্তাটোৰে জীপ আৰু এম্বেচাডৰ গাড়ীৰে লক্ষীমপুৰলৈ আহিব পাৰি।

**শ্ৰীঅতুল বৰা** ( মন্ত্ৰী )ঃ অধ্যক্ষ মহোদয়, মানুহ অহা নাছিল। এতিয়া সংযোগ কৰা হৈছে। গাড়ী গৈছে আৰু মটৰেবুল কৰা হৈছে। ৰাস্তাও কৰা হৈছে। এতিয়া কথা হৈছে টকা নাই, মেৰামতিৰ কাম হোৱা নাই। মই মন্ত্ৰী হোৱাৰ পিচত ৮০ লাখ টকা যোৰহাটত দিয়া হৈছে। ৮০ লাখ টকাৰ লায়েবুলিটিছ আছে। এটা ডিভিজনত ৫০ লাখ টকা মাষ্টাৰ ৰোল কৰ্মচাৰীক দৰ্মহা দিয়া হয়। আগতে মাষ্টাৰ ৰোলৰ ১২ টকা আছিল। মই মন্ত্ৰী হোৱাৰ পিচত জাম্প কৰি ১৭ টকা কৰা হ'ল। মেইনটেনেন্সৰ টকা কম আছে। আগতে মাষ্টাৰ ৰোলত ধুম ধাম নিযুক্তি দি মানুহ ভৰাই পেলাইছে। আমি নতুনকৈ নিযুক্তি দিয়া

বন্ধ কৰিছো। চাকৰি টাৰমিনেট কৰিলে ৰাইজে কব— চৰকাৰে চাকৰি দিব লাগে, তেনেস্থলত গড়কাপ্তানী মন্ত্ৰীয়ে মানুহ বিলাকৰ চাকৰি খাইছে। এইদৰে সমালোচনাৰ সন্মুখীন হব লাগিব। মাষ্টাৰ ৰোলত ৫০ লাখ টকা দৰমহা দি আছে। পি, ডব্লিউ, ডি, অব প্ৰভাইডিং ইনষ্টিটিউট নহয়। P.W.D is not job providing institution ; it is an institution of work. আগতে গোটেই ৰাজ্যৰ মানুহক মাষ্টাৰ ৰোলত লৈ লৈ ধ্বংস কৰি পেলাইছে। এটা ডিভিজনত ৮০ লাখ টকা দিয়া হৈছে। কিন্তু পুৰণা ধাৰ ৩৬ লাখ টকা আছেই। তেতিয়া কাম কেনেকৈ হব। মাননীয় সদস্য শ্ৰীআলটাফ হুছেইন মজুমদাৰে প্ৰশংসা কৰিছে, আকৌ মাননীয় সদস্য শ্ৰীবামেন্দ্ৰ দে ই তাত বেয়া পাইছে। মই মন্ত্ৰী হোৱাৰ পিচত কৈছো যে মোক ভাল বুলি কব নালাগে। মন্ত্ৰী হোৱাৰ ৩ দিনৰ পিচত মই Press conference পাতি বেয়াটো লিখিবলৈ কৈ দিলো ভালটো লিখিব নালাগে বুলিহে কৈছিলো। ইউ, এন, আই,ৰ সাংবাদিক শ্ৰীসতীশ শৰ্মাই কৈছিল যে এই বিষয়ে আমাক ফ্ৰী কৰি নিদিব। বিৰোধী পক্ষৰ সদস্য সকলে মোক প্ৰমাণ আনি দিয়ক, তেতিয়া মই লগে লগে একচন লব পাৰিম। কৰাপ্চন কৰিছে নে নাই সেইটো চাই একচন লম। মই গণ সংগ্ৰাম পৰিষদ আৰু ছাত্ৰ সন্থাত থাকোতে কেনেকৈ কেছ ডিটেক্ট কৰিছিলো সেই কথা সংগঠন দুটাৰ সদস্য সকলে জানে। গতিকে অমুকে দোষ কৰিছে বুলি ক'লেই নহয়। অমুকে দুৰ্নীতি কৰিছে বুলি কলেই নহব। ইয়াৰ বাবে সকলোবিলাক কথা কব লাগে যাতে মই গৈ লগে লগে তাৰ ব্যৱস্থা কৰিব পাৰো। মই কোনো দায়িত্ব বিষয়াৰ ওপৰত এৰি আহিব নিবিচাৰোঁ। শ্ৰীআলটাফ হুছেইন মজুমদাৰে মোক প্ৰসংশা কৰিছে কিন্তু শ্ৰীবামেন্দ্ৰ দে সেই কথাত বেয়া পাইছে। তেখেতে বেয়া পোৱাটো মোৰ দোষ হব নোৱাৰে। কংগ্ৰেছ আইয়ে বেয়াকৈ কলেই মই ভাল হৈ যাব নোৱাৰোঁ। যোৱা ৪০ বছৰে যে কংগ্ৰেছ আয়ে বেয়া কাম কৰিছে সেইটো মই জানো। আৰু এইটোও জানো যে অকল কংগ্ৰেছ আয়েই বেয়া কাম কৰা নাই। ইয়াত সহায় কৰিছে চি পি এম এ। চি পি এময়ে কংগ্ৰেছ আইক বেয়া কাম কৰাত সহায় নকৰাহলে কংগ্ৰেছ আইয়ে ইমান বেয়া কাম কৰিব নোৱাৰিলেহেতেন।

এতিয়া পোষ্টিঙৰ ক্ষেত্ৰত দেখা গৈছে যে বিষয়াক পোষ্টিং কৰিলে নাযায়,

যি ঠাইলৈ বদলি কৰা হয় সেই ঠাইলৈ নগৈ যি ঠাইত আছিল সেই ঠাইতেই থাকিবৰ বাবে ছুটী লৈ মন্ত্ৰী, এম এল এৰ ওচৰে ওচৰে ঘূৰি ফুৰে। ফলত সেই ঠাইত আগতে যি জন বিষয়া আছিল সেই জন বিষয়া সেই ঠাইৰ পৰা গুচি আহিল আৰু পিচৰ জনেও গৈ তাত যোগদান নকৰিলে এনে কৰিলে আমাৰ কামত অসুবিধা হয়। সেই কাৰণেই আমি লিভ ৰিজাৰ্ভ পোষ্ট কিছু-মান কৰিব বিচাৰিছো। যাতে সেই দৰে কোনোবাই ছুটী লৈ থাকিলে সেই ঠাইলৈ লিভ ৰিজাৰ্ভৰ বিষয়া পঠিয়াই কাম চলাই থাকিব পাৰেঁ।

আজি এনেকুৱা এটা কথা কোৱা হৈছে যে ৰাস্তাকে সভ্যতাৰ মুল মাপ কাঠি বুলি কোৱা হৈছে। অসমৰ ক্ষেত্ৰত কিন্তু এইটো কথা শতকৰা ১০০ ভাগ সত্য নহয়। উদাহৰণ স্বৰূপে মই কব বিচাৰিছো যে দিহাটীত এখন দলং নিৰ্মান কৰা হৈছে। এই দলংখন হোৱাৰ বাবে দিহাটীত সিপাৰৰ বস্তু ১ টকাত কিনি আনি ৫ টকাত বেচিব কিন্তু ইপাৰৰ বস্তু সেইদৰে ৫ টকাৰ বস্তু ১২ টকত বেচিব। এইটো কথা এখন কাগজৰ সম্পাদকে প্ৰকাশ কৰিছে। তেখেতে কথাটো ঠিকেই কৈছে যে মানুহ বিলাক যি পৰিমানে শিক্ষিত হব লাগে সেই পৰিমানে শিক্ষিত নহলে তাত এক্সপ্লইটেচন চলে। এই দৰে যে কিছুমান ঠাইত এক্সপ্লইটেচন চলি আছে সেইটো দেখা গৈছে। গতিকে ৰাস্তা সভ্যতাৰ মাপকাঠি কথাটো আমাৰ অসমত শতকৰা ১০০ ভাগ সত্য কথাটো মই কেতিয়াও মানি লব নোৱাৰো। ( ভইচ – ইংৰাজীত অসমত কিছুমান কথাত অসুবিধা হৈছে। ইনডিজেনিয়াচ মানুহৰ সাংস্কৃতিক ক্ষেত্ৰ উন্নয়নৰ বাবে ৰেললাইন আহিছে যদিও সেই ৰেল লাইন হোৱাত মেঘা-লয়ে বাধাদান কৰিছে। ৰেইল লাইনটো আমাৰ কাৰণে এটা ভাবুকি স্বৰূপ হৈ পৰিছে। অসমৰ ষ্টেচন বিলাকলৈ চালে দেখা যায় যে কোনো অসমৰ ষ্টেচনতেই অসমীয়া কৰ্মচাৰী নাই অথচ আমাৰ পৰা কয়লা, তেল, চাহপাত লৈ গৈ আছে। যাতায়তৰ কাৰণে সুবিধা হলেও ৰেললাইনটোৱে আমাক এক্স-পলইটেচন কৰিছে বুলি কলে ভুল কোৱা হব জানো ?

এফ ডি আৰৰ ফাণ্ড মই বিতৰণ নকৰো। এফ ডি আৰৰ ফাণ্ড বিতৰণ কৰাৰ নিয়ম হৈছে কত কিমান ক্ষতি হৈছে, কত কিমান টকা লাগিব সেই বিলাক কথা উলিয়াই লৈহে সেই মতে টকা দিয়া হয়। এইটো কাম মই নকৰো এই বিলাক কাম বিভাগেই কৰে। আৰু এটা কথা চাওক।

যোৰাবাৰ আমাৰ ক্ষতি হৈছিল ৪০ কোটি টকা। কিন্তু আমালৈ আহিল ৮ কোটি টকাহে। এই ৮ কোটি টকা বিতৰণ কৰোতে কিমানকৈ পাব? যিমান বিচাৰিছে সিমানটো নাপায়েই বেচিকৈ দিয়া হব কৰ পৰা? কিছুমান ঠাইৰ পৰা আপত্তিহে আহিছে যে সেই বিলাক মহকুমাই টকা পোৱা নাই। গতিকে লগাতকৈ টকা কমহে আহিছে, কোনেও বেচিকৈ পোৱা নাই।

( ভইচ— অধ্যক্ষৰ ফালে চাই কওক )

এই কথা বিলাক এই ফালৰ পৰা আহিছে কাৰণে মই এই ফালে চাই কৈছো। বিৰোধী পক্ষৰ কোনো নাই বাবে বিৰোধী পক্ষৰ ফালে চোৱাই নাই।

শ্ৰীঅমৃত লাল বসুমতাৰী ডাঙৰীয়াই আৰ এল ই জি পিৰ দৰে ঠিকাদাৰ নাইকীয়া কৰি দিয়াৰ কথা কৈছে। মই এই কথাটো মানি লব নোৱাৰো। কাৰণ আৰ এল ই জি পিত কাম কৰিবলৈ কোনো মানুহ নাহে। সেই কাৰণে ঠিকাদাৰক দিবই লাগিব। এই আচঁনিৰ অধিনত বহুত বিলাক ৰাস্তা আছে। সেই বিলাক ৰাস্তা গড়কাপ্তানী বিভাগে RLEGP ৰ পদ্ধতিৰে কৰিব নোৱাৰে। সেই কাৰণে সেই বিলাকত ঠিকাদাৰ দিবই লাগিব। ধোদৰ অ'লিটোৰ ১০০ কিলোমিটাৰ বোৰ্ডাৰ ৰোডক দিছে। কিন্তু তেওঁলোকৰ কাম কাজ ভাল হোৱা নাই বাবে আমাৰ মাননীয় সদস্য অৰ্ধেন্দু দে আৰু হলিৰাম টেৰাং ডাঙৰীয়াই আপত্তি কৰিছিল। তেওঁলোকে গড়কাপ্তানী বিভাগে কাম লোৱাৰ বাবে ইচ্ছা প্ৰকাশ কৰিছে। গতিকে আমি আমাৰ ভিতৰৰ কাম APWD ক দিবলৈ দাবী কৰিছো। তাৰ উপৰি মাননীয় সদস্য দেব বৰা ডাঙৰীয়াই বিলডিং ৰিপিয়াৰিংৰ কথা কৈছে। কিন্তু কথা হৈছে বাজেটত কিমানখিনি টকা ধৰা হৈছে সেই মতেহে আমি কাম কৰিব পাৰিম। ১৯৮৭ চনত সমস্ত বিভাগৰ ৮.৫০ কোটি টকা বাজেটত আছে। আমি ৫০ লাখ টকাৰ বেচি কাম কৰিছো গতিকে গড়কাপ্তানী বিভাগে কাম কৰা নাই বুলি কলে কেনেকৈ হব? আমাৰ চৰকাৰৰ দিনত কাম লাহে কৰা হওঁক বুলি নিৰ্দেশ দিছো। কাৰণ এই টকাৰে অহা বাজেটলৈকে পোচাই দিব লাগিব। কিছুমান দলঙত নৃত্যনাটিকা হয় বুলি কৈছে। বাৰিষাৰ আগতে কাম বিলাক কৰি শেষ কৰিব লাগিব। এফালে ৰাস্তা বনাই গৈ থাকিব আৰু আন ফালে ভাঙি গৈ থাকিব। আমাৰ চৰকাৰৰ দিনত যি কেইটা ৰাস্তা বনাইছো উৰাজাহাজত গৈছে নে গাড়ীত গৈছে গম

নাপাব। এই বিলাক ভাল বাবে কোৱা নহয়। বিলডিং ৰিপিয়াৰিংত যিমান টকা ধৰা হৈছে সেই মতে ৰিপিয়াৰ কৰা হয়। বিলডিং মেটেৰিয়েলত দাম বঢ়া হেতুকে অলপ অসুবিধা হৈছে। চাংচাৰীত অভাৰ ব্ৰীজৰ প্ৰয়োজন হৈছে। এতিয়া এলাইমেণ্ট লৈ অলপ গোলমাল হৈছে। তাত যিটো উদ্যোগ বহিছে সেইটো সম্পুৰ্ণৰূপে ভাঙিব লাগিব। নতুন এলাইমেণ্টৰ কথা ভাবিলে বেচি পলম নহব। ওদালগুৰি তামুলপুৰ পথৰ কথা কোৱা হৈছে টকা আগতে দিয়া হোৱা নাছিল। এতিয়া কিছু কাম হৈছে। বাৰিষা আহি পালেহি কম সময়ৰ ভিতৰত কামটো কৰিব পৰা নহব। তাৰ ওপৰি ৰাষ্ট্ৰীয় পথৰ চেংচন পলমকৈ হয়। বাৰিষাৰ অহাৰ মুৰামুৰি সময়ত কামটো কৰাত অসুবিধা হয়। উদাহৰণ স্বৰূপে এন, ই, চিৰ পৰা ৭ম পৰিকল্পনা পাৰ হবৰ হল কিন্তু এতিয়াহে ৬ষ্ঠ পৰিকল্পনাৰ টকা আহিছে। শ্ৰী দেব কুমাৰ বৰাই ৰাস্তা ডাইভাৰচনৰ সম্পৰ্কত কৈছে। মাটি বাৰী একুৱেৰ কৰি কামটো চিজিল কৰা হৈছে আৰু কামটো ভগাই দিছো। দুই এটা কেৰোন আছে। চহৰৰ আসে পাশে থকা মানুহে ঘপকৈ মাটি বাৰী এৰি দিবলৈ টান পায়। মঙ্গলদৈ ডাইভাৰচনটো চাওথলৈ নিব লাগে নৰ্থলৈ গলে আপত্তি কৰে। ছাত্ৰ সন্থাই কৈছে চাউথলৈ নিব লাগে। এই ধৰণে কামটো ৰৈ থাকিল ২ বছৰৰ পাচত আৰু বেচি বোজা বাঢ়ি যাব। তেতিয়া বিধান সভাত প্ৰশ্ন হব কামটো কিয় হোৱা নাই? সৰু সৰু কথা বিলাক ২ বছৰ পাচত ডাঙৰ কথা হৈ যাব। তাৰ পাচত শ্ৰীৰামেন্দ্ৰ দে টি, এচ, পিৰ কথা কৈছে। এবছৰত ৪-৫ টা নথি ওলাই। তেখেতে হয়তো এটা নথিৰ পৰা কৈছে। কোকৰাঝাৰত টকা সমুদায় বেচি গৈছে। তেখেতে আটাই কেইখন নথি চালে জানিব পাৰিব। তাৰ পাচত চিডিউল কাষ্টৰ সম্পৰ্কত কও যে চিডিউলকাষ্ট বোৰ্ডে সেই বিলাক ঠিক কৰে আমি অনুমোদন জনাও। মাৰ্ঘেৰিটাৰ পৰা অৰুনাচললৈ ৰাস্তাৰ কথা কৈছে মই বহু কেইজন সদস্যৰে কোৱা কথাৰ উত্তৰ দিয়া নাই। সেইবিলাক কলে বহু সময় লব। মাননীয় সদস্য সকলে ভুল প্ৰশ্ন কৰিলে মই শুধৰাই উত্তৰ দিও। গতিকে মই দিয়া উত্তৰো হয়তো ভুল হব পাৰে, শুধৰাই লবৰ বাবে অনুৰোধ নকৰো, আপোনালোকে নিজেই বুজিব। শ্ৰী শান্তি ৰঞ্জন দাস গুপ্তই এম, এন, পিত টকা দিয়াৰ সম্পৰ্কত কৈছিল। আগতে প্ৰতি বিধায়কে MNP ত কাম কৰাবলৈ ৫ লাখ টকাকৈ পাইছিল। সকলো মহকুমাতেই টকা দিয়া হৈছিল। টকা ভগোৱাত

কম হোৱা নাই কাৰণ হোজাইৰ কথাটো মই নিজেই জানো। এই খিনিকেই কৈ মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ সদস্য সকলক অনুৰোধ কৰিলো।

Hon'ble speaker – Now, Hon'ble member Shri Aminul Islam, will you withdraw your Cut Motion.

Shri Aminul Islam—Yes sir.

Hon'ble speaker – Is it the pleasure of the House to grant leave to withdraw the Cut Motion ?

(With the leave of the House, the Cut Motion is withdrawn).

Now, Shri B. K. Basumatari, will you withdraw your Cut Motion.

Shri B. K. Basumatari—Yes, sir.

Hon'ble speaker – Is it the pleasure of the House to grant leave to withdraw the Cut Motion ?

(With the leave of the House, the Cut Motion is withdrawn).

Now, Shri Altaf Hussain Mazumdar, will you withdraw your Cut Motion ?

Shri Altaf Hussain Mazumdar – Yes, sir.

Hon'ble speaker_Is it the pleasure of the House to grant leave to withdraw the Cut Motion ?

(With the leave of the House, the Cut Motion is withdrawn).

Now, Shri Gopi Nath Das. He is absent. So I put the Motion before the House. The Motion is that the total provision of Rs. 136, 28, 89, 000 under Grant No. 64 in respect of "Roads and Bridges" at pages 78 – 96 of Volume II, part VI of the Budget be reduced by Rs. 100.00, i, e. the amount of the whole grant of

Rs. 136,28,89,000 do stand reduced to Rs. 100.00.

( The Motion is lost )

Now, Shri Amritlal Basumatari- Will you withdraw your Cut Motion ?

Shri Amritlal Basumatari – Yes, sir. মই কৰ্তন প্ৰস্তাৱটো উঠাই ল'লো ।

Hon'ble speaker—Is it the pleasure of the House to grant leave to withdraw the Cut Motion ?

(With the leave of the House, the Cut Motion is withdrawn).

Now Shri Ramendra De— will you withdraw your Cut Motion ?

Shri Ramendra De – Yes. sir.

Hon'ble speaker—Is it the pleasure of the House to granr leave to withdraw the Cut Motion ?

(With the leave of the House, the Cut Motion is withdrawn).

Now, I put the main Motion before the House. The Motion is that a sum of Rs. 1,02,21,70,000 be granted to the Minister-in-charge to complete the sum of Rs. 1,36,28,89,000 necessary to defray the charges which will come in courses of payment during the year ending the 31st March, 1989 for the administration of "Roads and Bridges".

Those who are in favour say 'yes' those who are against say 'Noes'.

( The Motion is passed, the grant is passed ).

অহা কালি ৰাতিপুৱা ৯ বজালৈ সদন স্থগিত ৰখা হ'ল।

## ADJOURNMENT

The House then rose at 1.31 P.M. and stood adjourned till 9. A.M. Tomorrow, the 19th April-1988.

Dr. P.N. Hazarika
Secretary,
Assam Legislative Assembly

Dispur :
The 18th April 1988

000